GPH S5- 02(M)
EXAM CODE : PHM 5B

জ্ঞান বিজ্ঞান

খণ্ডঃ ১

পঞ্চম ছেমিষ্টাৰ

দৰ্শন

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউচফেড কমপ্লেক্স, দিছপুৰ, গুৱাহাটী - ৭৮১০০৬

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক শিৱনাথ শর্মা(অৱসৰপ্রাপ্ত), দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

অধ্যাপক সৌৰভপ্রাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

প্রদীপ খাটনিয়াৰ (অৱসৰপ্রাপ্ত), সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী

ড° ভাস্কৰ ভট্টাচার্য্য, সহকাৰী অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	প্রস্তুতি গোটৰ সদস্য	ভাষান্তৰকাৰী
১,৬	ড° হাচেন আলী আহমেদ বইটামাৰী কলেজ	মাইনু দেৰী বৰুৱা
২	ড° অঞ্জনা নেওঁগ	গীতাঞ্জলি মেধি
৩,৪	ড° পল্লৱী শর্মা এন.ই. এফ. কলেজ	মাইনু দেৰী বৰুৱা
৫	ড°বুদুল দাস তিনিচুকীয়া ছোৱালী মহাবিদ্যালয়	ড°বুদুল দাস
৭,৮	ড° শকুন্তলা বৰা গুৱাহাটী বিশ্ববিদ্যালয়	কীর্তিনাথ কলিতা

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য
ড° তেজসা কলিতা

ভাষা সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য

গাঁথনিক সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই, ২০১৯

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

পাঠ্য বিষয়ৰ পৰিচয়

এই পাঠ্য বিষয়টিয়ে আপোনাক দর্শনৰ গুৰুত্বপূর্ণ শাখা হিচাপে বিবেচনা কৰা 'জ্ঞান বিজ্ঞান'ৰ লগত পৰিচয় কৰাই দিব। ' Epistemology' —ক দর্শনৰ এটা বিভাগ ৰূপে উল্লেখ কৰিব পৰা যায়, যাক "সাধাৰণতে জ্ঞানৰ মতবাদ বুলি জনা যায়" 'Epistemology' শব্দটোৰ উপজাত অর্থই (epistemology= episteme (knowledge), logos (science)) নির্দেশ কৰে যে ই জ্ঞানৰ বিজ্ঞান। ই জ্ঞান আৰু জ্ঞানৰ সমস্যাবোৰৰ লগত জড়িত। ঠিক সেইদৰে, ই জ্ঞানৰ মতবাদ। জ্ঞানবিজ্ঞানে জ্ঞানৰ সংজ্ঞা দিবলৈ প্রয়াস কৰে আৰু অবৈধ জ্ঞানৰ পৰা বৈধ জ্ঞানক পৃথক কৰিবলৈ চেষ্টা কৰে। তাৰোপৰি জ্ঞানবিজ্ঞান, জ্ঞানৰ উৎস, গাঁথনি, পদ্ধতি, চর্ত, বৈধতা, সীমাবদ্ধতা, আৰু উপাদান ইত্যাদিৰ লগতো জড়িত। জ্ঞানবিজ্ঞান অথবা জ্ঞানসম্বন্ধীয় মতবাদসমূহে বহুতো প্রশ্ন সুধিবলৈ আৰু উত্তৰ দিবলৈ আমাক অনুমোদন কৰে, জ্ঞান কি? আমি কেনেকৈ জানো? জ্ঞান লাভৰ উপায়বোৰ কি? কোনবোৰ জ্ঞান বৈধ? জ্ঞানৰ অপৰিহার্য্য আৰু পর্য্যাপ্ত চর্তবোৰ কি কি? জ্ঞানৰ উৎস কি? জ্ঞান কিদৰে বিশ্বাসৰ লগত সম্পর্কবদ্ধ হয়? জ্ঞান সম্ভৱ নে? এনেধৰনৰ বহুতো প্রশ্ন, যিবোৰ জ্ঞানৰ মতবাদৰ ভিতৰত পৰে। চমুকৈ জ্ঞান-বিজ্ঞান মানৰ জ্ঞানৰ সমস্যা আৰু বিচার্য্য বিষয়ৰ লগত জড়িত।

এই পাঠ্যবিষয়টিত আঠটা অধ্যায় আছে। **প্রথম অধ্যায়টো হ'ল** 'জ্ঞান বিজ্ঞানঃ স্বৰূপ আৰু পৰিসৰ'। **এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- জ্ঞানবিজ্ঞানৰ স্বৰূপ,জ্ঞানবিজ্ঞানৰ পৰিসৰ,জ্ঞানবিজ্ঞানৰ উপকাৰিতা, জ্ঞেয়ৰ জ্ঞানবিজ্ঞান আৰু মনোবিজ্ঞান,জ্ঞানবিজ্ঞানৰ আলোচ্য বিষয় ।

দ্বিতীয় অধ্যায়টো হ'ল **'দার্শনিক পদ্ধতি ঃ ডেকার্ট আৰু কাণ্ট' এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- দার্শনিক পদ্ধতিৰ অর্থ আৰু প্রকৃতি, ডে কার্টৰ গাণিতিক পদ্ধতি,কাণ্টৰ সমালোচনামূলক ,অথবা অতীন্দ্রিয়বাদী পদ্ধতি

তৃতীয় অধ্যায়টো হ'ল **'জ্ঞানৰ স্বৰূপ আৰু প্রকাৰঃ** Knowing How**আৰু** Knowing That '। **এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- গিলবার্ট ৰাইলৰ জ্ঞানৰ বিশ্লেষণ, Knowing How আৰু Knowing That ঃ জ্ঞানৰ ,দুটা পৃথক/স্পষ্ট প্রকাৰ,Knowing That ৰ ওপৰত Knowing How

চতুর্থ **অধ্যায়টো** হ'ল **'জ্ঞানৰ স্বৰূপ আৰু প্রকাৰঃ পৰিচয়মূলক জ্ঞান আৰু বর্ণনামূলক জ্ঞান'** ।**এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- পৰিচয়মূলক জ্ঞান, বর্ণনামূলক জ্ঞান,পৰিচয়মূলক জ্ঞান আৰু বর্ণনামূলক, জ্ঞানৰ মাজত পার্থক্য

পঞ্চম অধ্যায়টো হ'ল **'গেটিয়াৰ সমস্যা'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**–গেটিয়াৰ সমস্যা, গেটিয়াৰ সমস্যাৰ প্রতি সহাৰি তথা প্রতিক্রিয়া

ষষ্ঠ অধ্যায়টো হ'ল **'অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধ'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**– অভিজ্ঞতাপূর্ব অৱধাৰণ,অভিজ্ঞতালব্ধ অৱধাৰণ,অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধৰ ,মাজৰ পার্থক্য,বিশ্লেষণাত্মক,অভিজ্ঞতাপূর্ব আৰু সংশ্লেষণাত্মক অভিজ্ঞতালব্ধ,কাণ্টৰ মতামত,কাণ্ট বিৰোধী মতামত সমূহ

সপ্তম অধ্যায়টো হ'ল **'জ্ঞান তত্ত্বঃ বুদ্ধিবাদ'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**–জ্ঞানৰ মূল আৰু উৎপত্তি,জ্ঞান তত্ত্ব,বুদ্ধিবাদ,বিভিন্ন দার্শনিকৰ মতামত

অষ্টম অধ্যায়টো হ'ল **'জ্ঞান তত্ত্ব ঃ অভিজ্ঞতাবাদ'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**–অভিজ্ঞতাবাদ,বিভিন্ন দার্শনিকৰ মতামত,বিচাৰবাদ,বিভিন্ন দার্শনিকৰ মতামত

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

মুঠ নম্বৰ- ১০০ পৃষ্ঠা নং

অধ্যায় ১ ঃ **জ্ঞান বিজ্ঞান ঃ স্বৰূপ আৰু পৰিসৰ** ৭-১৮

জ্ঞানবিজ্ঞানৰ স্বৰূপ,জ্ঞানবিজ্ঞানৰ পৰিসৰ,জ্ঞানবিজ্ঞানৰ উপকাৰিতা, জ্ঞেয়ৰজ্ঞানবিজ্ঞান আৰু মনোবিজ্ঞান,জ্ঞানবিজ্ঞানৰ আলোচ্য বিষয়

অধ্যায় ২ ঃ **দার্শনিক পদ্ধতি ঃ ডেকার্ট আৰু কাণ্ট** ১৯-৩০

দার্শনিক পদ্ধতিৰ অর্থ আৰু প্রকৃতি, ডেকার্টৰ গাণিতিক পদ্ধতি,কাণ্টৰ সমালোচনামূলক অথবা অতীন্দ্রিয়বাদী পদ্ধতি

অধ্যায় ৩ ঃ **জ্ঞানৰ স্বৰূপ আৰু প্রকাৰঃ** Knowing Howআৰু Knowing That ৩১-৩৮

গিলবার্ট ৰাইলৰ জ্ঞানৰ বিশ্লেষণ, Knowing How আৰু Knowing That ঃ জ্ঞানৰ দুটা পৃথক/স্পষ্ট প্রকাৰ,Knowing That ৰ ওপৰত Knowing How

অধ্যায় ৪ ঃ **জ্ঞানৰ স্বৰূপ আৰু প্রকাৰঃ** ৩৯-৪৭

পৰিচয়মূলক জ্ঞান আৰু বর্ণনামূলক জ্ঞান, পৰিচয়মূলক জ্ঞান, বর্ণনামূলক জ্ঞান,পৰিচয়মূলক জ্ঞান আৰু বর্ণনামূলক জ্ঞানৰ মাজত পার্থক্য

অধ্যায় ৫ ঃ **গেটিয়াৰ সমস্যা** ৪৮-৬২

গেটিয়াৰ সমস্যা, গেটিয়াৰ সমস্যাৰ প্রতি সহাৰি তথা প্রতিক্রিয়া

অধ্যায় ৬ ঃ **অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধ** ৬৩-৭৫

অভিজ্ঞতাপূর্ব অৱধাৰণ,অভিজ্ঞতালব্ধ অৱধাৰণ,অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধৰ মাজৰ পার্থক্য,বিশ্লেষণাত্মক,অভিজ্ঞতাপূর্ব আৰু সংশ্লেষণাত্মক অভিজ্ঞতালব্ধ,কাণ্টৰ মতামত,কাণ্ট বিৰোধী মতামত সমূহ

অধ্যায় ৭ ঃ **জ্ঞান তত্ত্ব ঃ বুদ্ধিবাদ** ৭৬-৮৪

জ্ঞানৰ মূল আৰু উৎপত্তি, জ্ঞান তত্ত্ব, বুদ্ধিবাদ, বিভিন্ন দার্শনিকৰ মতামত

অধ্যায় ৮ ঃ **জ্ঞান তত্ত্ব ঃ অভিজ্ঞতাবাদ** ৮৫-৯৫

অভিজ্ঞতাবাদ, বিভিন্ন দার্শনিকৰ মতামত, বিচাৰবাদ, বিভিন্ন দার্শনিকৰ মতামত

অধ্যায় ১ ঃ জ্ঞানবিজ্ঞান ঃ স্বৰূপ আৰু পৰিসৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ জ্ঞানবিজ্ঞানৰ স্বৰূপ

১.৪ জ্ঞানবিজ্ঞানৰ পৰিসৰ

১.৫ জ্ঞানবিজ্ঞানৰ উপকাৰিতা

১.৫.১ জ্ঞেয়ৰ জ্ঞানবিজ্ঞান আৰু মনোবিজ্ঞান

১.৬ জ্ঞানবিজ্ঞানৰ আলোচ্য বিষয়

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জ্ঞানবিজ্ঞানৰ সংজ্ঞা দিবলৈ সক্ষম হ'ব
- জ্ঞানবিজ্ঞানৰ স্বৰূপ বা প্রকৃতি আলোচনা কৰিবলৈ সক্ষম হ'ব
- জ্ঞানবিজ্ঞানৰ বিভিন্ন বিষয় ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- জ্ঞানৰ বিভিন্ন উৎসক আলোচনা কৰিবলৈ সক্ষম হ'ব
- জ্ঞানবিজ্ঞানৰ গুৰুত্ব আলোচনা কৰিবলৈ সক্ষম হ'ব
- জ্ঞানবিজ্ঞানৰ আলোচ্য বিষয়সমূহক আলোচনা কৰিবলৈ সক্ষম হ'ব

১.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনালোকক জ্ঞানবিজ্ঞান শব্দটো আৰু ইয়াৰ স্বৰূপ আৰু পৰিসৰৰ সৈতে পৰিচয় কৰাব। জ্ঞানবিজ্ঞান হৈছে মানৱ জ্ঞানৰ স্বৰূপ, উৎস আৰু সীমাবদ্ধতাৰ তথ্যভিত্তিক নাইবা দার্শনিক অধ্যয়ণ। "Epistemology" — শব্দটো দুটা গ্রীক শব্দ 'episteme' আৰু 'logos' — ৰ পৰা আহিছে। 'episteme' ৰ অর্ত 'জ্ঞান' আৰু 'logos' ৰ অর্থ 'বিজ্ঞান'। সেয়ে, 'epistemology' — শব্দৰ অর্থ 'জ্ঞান-বিজ্ঞান' বা 'জ্ঞানৰ অধ্যয়ন'। এই সন্ধিস্থলত এই কথাটো মনত ৰখাটো গুৰুত্বপূর্ণ যে "ology" ৰে শেষ হোৱা সকলো

শব্দৰে মূল হৈছে "logos" ; যেনে ঃ 'Psychology', 'Anthropology' ইত্যাদি। আনকি 'logos' ৰ আন বহুতো সম্বন্ধীয় অর্থ আছে। এইটো স্পষ্ট যে 'epistemology' শব্দটোক জ্ঞানৰ মতবাদ হিচাপে নির্দ্দেশ কৰা হয়। সেয়ে, 'জ্ঞানবিজ্ঞান' (epistemology) শব্দৰ সংজ্ঞা এনেদৰে আগবঢ়োৱা হয় যে ই হৈছে এক বিজ্ঞান, যিয়ে মানৰ জ্ঞানৰ স্বৰূপ, চর্ত, উপাদান, সীমা, বৈধতা আদিৰ অনুসন্ধান কৰে। ই হৈছে জ্ঞানৰ সমালোচনা। সচাঁকৈ ক'বলৈ গ'লে পাশ্চাত্য দার্শনিক জগতত জ্ঞানবিজ্ঞানৰ এক দীঘলীয়া ইতিহাস আছে, যি পৌৰানিক গ্রীকসকলৰ পৰা আৰম্ভ হৈ বর্ত্তমানলৈকে চলি আছে। তাৰোপৰি, অধিবিজ্ঞান তর্ক বিজ্ঞান আৰু নীতিবিজ্ঞানৰ লগতে জ্ঞানবিজ্ঞানো দর্শনৰ চাৰিটা মূল বিভাগৰ মাজৰ এটা আৰু সকলো মহান দার্শনিকে সেয়ে ইয়াৰ প্রতি তেওঁলোকৰ অৰিহনা আগবঢ়াইছে।

১.৩ জ্ঞানবিজ্ঞানৰ স্বৰূপ

এই অধ্যায়টিৰ পৰিচয়ত আমি 'epistemology' শব্দটোৰ সংজ্ঞা আৰু ৰূপৰেখা ইতিমধ্যে আগবঢ়োৱা হৈছে। 'epistemology' —ক দর্শনৰ এটা বিভাগ ৰূপে পুনৰ উল্লেখ কৰিব পৰা যায়, যাকে "সাধাৰণতে জ্ঞানৰ মতবাদ বুলি জনা যায়" (উজলি, ১৯৪২ ঃ১০)। 'epistemology' শব্দটোৰ উপজাত অর্থ (epistemology= episteme (knowledge), logos (science)) নির্দেশ কৰে যে ই জ্ঞানৰ বিজ্ঞান। ই জ্ঞান আৰু জ্ঞানৰ সমস্যাবোৰৰ লগত জড়িত। ঠিক সেইদৰে, ই জ্ঞানৰ মতবাদ। জ্ঞানবিজ্ঞানে জ্ঞানৰ সংজ্ঞা দিবলৈ প্রয়াস কৰে আৰু অবৈধ জ্ঞানৰ পৰা বৈধজ্ঞানক পৃথক কৰিবলৈ চেষ্টা কৰে। তাৰোপৰি জ্ঞানবিজ্ঞান জ্ঞানৰ উৎস, গাথনি, পদ্ধতি, চর্ত, বৈধতা, সীমাবদ্ধতা, আৰু উপাদান ইত্যাদিৰ লগতো জড়িত। জ্ঞানবিজ্ঞান অথবা জ্ঞানসম্বন্ধীয় মতবাদসমূহে বহুতো প্রশ্ন সুধিবলৈ আৰু উত্তৰ দিবলৈ আমাক অনুমোদন কৰে জ্ঞান কি? আমি কেনেকৈ জানো? জ্ঞান লাভৰ উপায়বোৰ কি? কোনবোৰ জ্ঞান বৈধ? জ্ঞানৰ অপৰিহার্য্য আৰু পর্য্যাপ্ত চর্তবোৰ কি কি? জ্ঞানৰ উৎস কি? জ্ঞান কিদৰে বিশ্বাসৰ লগত সম্পর্কবদ্ধ হয়? জ্ঞান সম্ভৱ নে? এনেধৰনৰ বহুতো প্রশ্ন, যিবোৰ জ্ঞানৰ মতবাদৰ ভিতৰত পৰে। চমুকৈ জ্ঞান-বিজ্ঞান মানৰ জ্ঞানৰ সমস্যা আৰু বিচার্য্য বিষয়ৰ লগত জড়িত। এই কথা লক্ষ্য কৰিব পৰা যায় যে জ্ঞান-বিজ্ঞানৰ বহুতো পৃথক পৃথক মতবাদ আছে। "জ্ঞানৰ কেৱল এটা নির্দ্দিষ্ট মতবাদেই নাই, কিন্তু জ্ঞানৰ বিৰোধী মতবাদৰ এক বৃহৎ প্রকাৰতা আছে" পূর্ব উল্লেখিত (Ibid)। পৰম্পৰাগত দার্শনিকসকলৰ মতে জ্ঞানৰ সকলো মতবাদকে দুটা ভাগত ভাগ কৰা হৈছে, যেনে ঃ অভিজ্ঞতামূলক আৰু বুদ্ধিগত। আধুনিক পাশ্চাত্য দর্শনৰ পিতৃ, ৰেনে্ ডেৰ্কাটৰ চিন্তা আৰু দর্শনত বুদ্ধিবাদৰ জন্ম হয়। বুদ্ধিবাদৰ মতে, জ্ঞানৰ সৃষ্টি হয় স্বজ্ঞা বা বুদ্ধিৰ জৰিয়তে। সেয়ে, জ্ঞান বুদ্ধিগত আৰু অর্ন্তজাত ধাৰণাৰ পৰা বিকশিত হয় বাবে স্বতঃ প্রামান্য আৰু সার্বিকভাৱে সত্য। চক্রেটিছ আৰু প্লেটো আছিল পৌৰানিক বুদ্ধিবাদী দার্শনিক। তেওঁলোকৰ মতে সত্য জ্ঞান আহে যুক্তিৰ পৰা। আধুনিক কালছোৱাত বুদ্ধিবাদে ডেৰ্কাট, লাইব্নিজ

আৰু স্পিনোজাৰ হাতত স্পষ্ট ৰূপ লাভ কৰিছে। তেওঁলোকক মহাদেশীয় বুদ্ধিবাদী আখ্যা দিয়া হৈছে। ডেৰ্কাটে গাণিতীয় বুদ্ধিবাদক সমর্থন কৰিছে। লাইবনিজৰ মতে, আমাৰ সকলো ধাৰণা অন্তর্জাত। ডেৰ্কাটৰ দৰে স্পিনোজাইও দাবী কৰিছিল যে আমাৰ কিছুমান ধাৰণাহে অন্তর্জাত।

আনহাতে, অভিজ্ঞতাবাদ হৈছে দর্শনত স্থায়ী মতবাদ, যিয়ে জ্ঞানক ইন্দ্রিয় অভিজ্ঞতাৰ সৈতে বান্ধ খুওৱাইছে। বুদ্ধিবাদৰ বিপৰীতে অভিজ্ঞতাবাদে পোষণ কৰে যে জ্ঞান আহে অভিজ্ঞতাৰ পৰা)। "Experience is thought of either as the sensory contents of consciousness, or as whatever is expressed in some designated class of statements that can be observed to be true by the use of the senses". (Blackburn, 1996 : 119) অর্থাৎ ; অভিজ্ঞতাক হয় বিবেচনাশক্তি নাইবা বোধশক্তিৰ ইন্দ্রিয়গ্রাহ্য বিষয় হিচাপে চিন্তা কৰা হয়, নতুবা উক্তিৰ কেতবোৰ নির্দ্দিষ্ট শ্রেণীত প্রকাশ কৰা হয়, যাক ইন্দ্রিয় শক্তি নাইবা বোধৰ ব্যৱহাৰৰ দ্বাৰা সত্য বুলি নিৰীক্ষন কৰিব পৰা যায়। ই স্পষ্ট কৰা যেন বোধ হয় যে অভিজ্ঞতাবাদ মতবাদ অনুসৰি অভিজ্ঞতাই হৈছে জ্ঞানৰ একমাত্র উৎস। জ্ঞানৰ মতবাদ হিচাপে অভিজ্ঞতাবাদে এই মতক খণ্ডন কৰে যে জ্ঞানৰ যিকোনো অভিজ্ঞতাপূর্ব অংশ থাকে। গ্রীকৰ কালছোৱাত এট'মিষ্ট্ আৰু চ'ফিষ্ট্সকলক হৈছে অভিজ্ঞতাবাদৰ আটাইতকৈ পুৰনি প্রচাৰক। আধুনিক যুগত লক্, বার্কলি আৰু হিউম হৈছে জ্ঞানৰ মতবাদ হিচাপে অভিজ্ঞতাবাদৰ প্রধান প্রবর্ত্তক।

ওপৰৰ আলোচনাখিনিৰ পৰা এইটো পৰিষ্কাৰ যেন বোধ হয় যে জ্ঞানৰ ক্ষেত্রত অভিজ্ঞতাবাদ বুদ্ধিবাদৰ সম্পূর্ণ এক বিপৰীত মতবাদ। তথাপিও, জ্ঞানৰ উৎস হিচাপে অভিজ্ঞতাবাদ নাইবা বুদ্ধিবাদ এটাকো সম্পূর্ণ আৰু সন্তোষজনক মতবাদ হিচাপে গ্রহণ কৰিব নোৱাৰি। বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদ দুয়োটায়ে একদেশীয় (one sided)। দুয়োটা মতবাদতে জ্ঞানৰ আংশিকতাকহে পোৱা যায়। সেই কাৰনেই ইমানুৱেল কাণ্টে সবিচাৰবাদ (critical theory), অর্থাৎ জ্ঞানৰ উৎসৰ বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদ সংমিশ্রন মতবাদৰ প্রবর্ত্তন কৰিছিল। অভিজ্ঞতাবাদ আৰু বুদ্ধিবাদৰ মতবাদৰ এক সবিচাৰাত্মক বিশ্লেষণ আগবঢ়োৱাৰ পাছত সাধুসুলভভাৱে আঙুলিয়ই যে প্রত্যক্ষ ৰ অবিহনে ধাৰনা শূন্য আৰু ধাৰনাৰ অবিহনে প্রত্যক্ষ অন্ধ (Concepts without percepts are empty and percepts without concepts are blind.)। ইয়াৰ দ্বাৰা ক'ব পৰা যায় যে জ্ঞান হৈছে ইন্দ্রিয় অভিজ্ঞতা আৰু স্বজ্ঞা বা বুদ্ধিৰ একত্রিত কার্য্যাৱলীৰ এক যুথিয়া পৰিনাম। Kant ৰ মতে, বুদ্ধিবৃত্তিসম্পন্ন মানুহৰ মনত জ্ঞানৰ আকাৰ প্রদান কৰিবলৈ জ্ঞানৰ উপাদানবোৰক ইন্দ্রিয়ৰ সহায়েৰে যোগান ধৰা হয় আৰু সেই ইন্দ্রিয় সংবেদনসমূহক অৱবোধৰ প্রবর্গৰ দ্বাৰা শৃংখলিত আৰু একত্রিত কৰা হয়। ইয়াত এই কথা মনত ৰাখিবলগীয়া যে Kant ৰ এই স্থিতিক কোৱা হয় সবিচাৰবাদী দর্শন নাইবা অতীন্দ্রিয়বাদ (Critical Philosophy or Transcendentakism)। সেয়ে, থুলমুলকৈ ইয়াকে ক'ব পাৰি যে সত্য জ্ঞান "empirico-rational" নাইবা সত্য জ্ঞান বুদ্ধিসঙ্গঁত অভিজ্ঞতা (rationalized ex-

perience)। গতিকে আমি তিনিটা আটাইতকৈ গুৰুত্বপূর্ণ জ্ঞানসম্বন্ধীয় মতবাদ পাওঁ, যেনেঃ বুদ্ধিবাদ (Rationalism), অভিজ্ঞতাবাদ (Empiricism) আৰু সবিচাৰবাদ (Critial Theory)। এইবোৰৰ উপৰিও জ্ঞানৰ উৎস সম্বন্ধীয় আন কেইবাটাও মতবাদ থকা দেখা যায়। যেনেঃ স্বজ্ঞাবাদ, ভাৱবাদ, বাস্তৱবাদ, প্রয়োগবাদ ইত্যাদি। জ্ঞান-বিজ্ঞানৰ স্বৰূপ সম্পর্কে এয়াই হ'ল এক চমু আভাষ।

১.৪ জ্ঞান-বিজ্ঞানৰ পৰিসৰ

এই কথা ইতিমধ্যে উল্লেখ কৰা হৈছে যে জ্ঞানবিজ্ঞান হৈছে মানৰ জ্ঞান সম্পর্কীয় অধ্যয়ন। দর্শন যিমান পুৰনি, জ্ঞানবিজ্ঞানৰ জ্ঞানসম্পর্কীয় সমস্যা আৰু তাৰ সৈতে জড়িত বিষয়বোৰক সামৰি তাৰ পৰিসৰো সিমানেই পুৰনি। বহু যুগৰে পৰা জ্ঞানৰ বিজ্ঞানমূলক বিষয় যেনেঃ জ্ঞান লাভৰ উপায়, অর্থাৎ, মতামত, বিশ্বাস, পৰম্পৰা, সাধাৰণ ধাৰনা, মানসিক গঠন ইত্যাদিৰ সকলো দর্শনতে বাদ-বিবাদ আৰু আলোচনাৰ এক কেন্দ্রবিন্দু আছে। জ্ঞানৰ স্বৰূপ কি? ইয়াক লাভ কৰাৰ উপায় কি? বৈধ জ্ঞানত উপনীত হোৱাৰ পদ্ধতিসমূহ কি? আমি কেনেকৈ বৈধজ্ঞানৰ বৈধতা পাব পাৰো? — আদিৰ দৰে প্রশ্ন উত্থাপন কৰি মানুহে জ্ঞান-বিজ্ঞান সম্পর্কে কল্পনা কৰিবলৈও চেষ্টা কৰিছিল। যথোচিত ভাৱে জ্ঞানবিজ্ঞানৰ মুখ্য প্রশ্নসমূহে "জ্ঞানৰ উৎপত্তি; জ্ঞান সৃষ্টিত অভিজ্ঞতাৰ স্থান আৰু সেই একে কামতে বুদ্ধিৰ স্থান; জ্ঞান আৰু নিশ্চয়তাৰ মাজৰ সম্বন্ধ, আৰু জ্ঞান আৰু ভ্রান্তিৰ অসম্ভাৱনীয়তা; সার্বিক সংশয়বাদৰ সম্ভাৱনীয়তা; আৰু জ্ঞানৰ পৰিবর্ত্তনীয়, ৰূপসমূহ যি জগতৰ নতুন ধাৰনাকৰণৰ পৰা উদয় হয় আদিক অন্তর্ভুক্ত কৰে" (ব্লেক্‌বার্ন, ১৯৯৬ ঃ১২৩)। গতিকে, অভিজ্ঞতাবাদীসকলে বহুতো বিষয়ৰ সৈতে নিজকে জড়িত কৰে যাক আমি তলত দিয়াধৰনৰ দুটা শ্রেণীত বিভক্ত কৰিব পাৰো—

প্রথমে, আমি জ্ঞানৰ স্বৰূপক নির্দ্ধাৰন কৰি ল'বই লাগিব; সেয়া হৈছে কোনোবাই কিবা এটা জানে, নাইবা জানিবলৈ ব্যর্থ বুলি কওঁতে কি বুজায়। ই হৈছে জ্ঞান কি আৰু কিছুমানে কিবা এটাক জানেৰ ক্ষেত্রবোৰ আৰু কিছুমানে কিবা এটা নাজানেৰ ক্ষেত্রবোৰৰ মাজত কেনেকৈ পার্থক্য কৰিব লাগে সেই সম্পর্কে বুজি পোৱাৰ এক বিষয়। যদিও এই বিষয়টোৰ কেতবোৰ দিশ সম্পর্কে কেতবোৰ সাধাৰণ গুণ বা সাদৃশ্যতা আছে, তথাপি আমি দেখা পাম যে এই প্রশ্নটো এজন লোকে কল্পনা কৰাতকৈও অধিক কঠিন।

দ্বিতীয়তে, আমি মানৰ জ্ঞানৰ ব্যাপকতা বা প্রসাৰতাকো নির্দ্ধাৰন কৰিবই লাগিব, অর্থাৎ আমি কিমান জানো বা কিমান জানিব পাৰো? জ্ঞান লাভ কৰিবলৈ আমি কেনেকৈ আমাৰ বুদ্ধি আমাৰ ইন্দ্রিয় সংবেদন, আমাৰ বাক্য বা শব্দ আৰু অন্যান্য সমলবোৰক কেনেকৈ ব্যৱহাৰ কৰিব পাৰো? আমি যাক জানিব পাৰো, তাৰ সীমাবদ্ধতা আছেনে? উদাহৰণস্বৰূপে ঃ কোনোবা বস্তু অজ্ঞেয় নেকি? এইটো সম্ভৱ নে যে আমি যিমান চিন্তা কৰোঁ, সিমান জানিব নোৱাৰো। আমি যি জানো, তাৰ সীমাবদ্ধতা আছেনে? সংশয়বাদ (যাৰ মতানুসৰি আমি কোনো বস্তুকে নাজানো বা

বা জানিব নোৱাৰো) ৰ বিষয়ে এক যথার্থ বিৰক্তি আমাৰ থকাটো উচিত নে? এইবোৰেই চমুকৈ জ্ঞান-বিজ্ঞানৰ কিছুমান গুৰুত্বপূর্ণ বিচার্য্য বিষয়।

জ্ঞান-বিজ্ঞানৰ ওপৰত উল্লেখিত বিচার্য্য বিষয়সমূহৰ পৰা আমি ইয়াৰ ক্ষেত্র বা পৰিসৰৰ এক ধাৰণা গঠন কৰিব পাৰো। জ্ঞান-বিজ্ঞানৰ পৰিসৰ বা পৰিসীমা হৈছে জ্ঞানবিজ্ঞানে মানুহে কেনেকৈ জগতক প্রত্যক্ষ কৰে আৰু জ্ঞান লাভ কৰে, সেই বিষয়ে মৌলিক প্রশ্নবোৰৰ সমিধান দিবলৈ চেষ্টা কৰে। জ্ঞান-বিজ্ঞান হৈছে দর্শনৰ এটা বিভাগ, যি জ্ঞান আৰু ন্যায্যৰূপে প্রমাণিত বিশ্বাসৰ স্বৰূপ আৰু পৰিসৰৰ লগত জড়িত। ই জ্ঞানৰ স্বৰূপ বা প্রকৃতি আৰু কেনেকৈ ই সদৃশ ধাৰনা যেনেঃ- সত্যতা, বিশ্বাস আৰু ন্যায্যতা আদিক সম্বন্ধিত কৰে — সেই বিষয়ে বিশ্লেষণ কৰে। ই জ্ঞানৰ উৎপাদনৰ উপায়ৰ লগতে বিভিন্ন জ্ঞানৰ দাবী ৰূপে সংশয় বাদকো আলোচনা কৰে। অনুসন্ধানৰ বিশেষ ক্ষেত্রত জ্ঞানৰ সৃষ্টি আৰু বিস্তাৰৰ বিষয়ে ই অনিবার্য্যভাৱে আলোচনা কৰে। সেয়েহে, জ্ঞান-বিজ্ঞানে ইয়াৰ পৰিসৰত জ্ঞানৰ সমস্যা, জ্ঞানৰ বৈধতা, জ্ঞানৰ বিভিন্ন প্রকাৰৰ সমল, অর্থাৎ বিশ্বাস, মতামত ইত্যাদিক অন্তর্ভুক্ত কৰিবই লাগিব।

১.৫ জ্ঞানবিজ্ঞানৰ উপকাৰীতা

দর্শন বিভিন্ন সমস্যাৰ লগত জড়িত। জ্ঞান হৈছে দর্শনৰ সমান সমস্যাবোৰৰ মাজৰ এটা। জ্ঞানবিজ্ঞান জ্ঞানৰ নিজস্ব স্বৰূপবেই অনুসন্ধান। ইয়াৰ অধ্যয়ণে প্রধানকৈ জ্ঞান গ্রহন কৰাৰ আমাৰ উপায় সমূহ আৰু কেনেকৈ আমি সত্যতা-অসত্যতা, বাস্তৱ, অবাস্তৱ, বৈধ-অবৈধ জ্ঞানৰ মাজত এক স্পষ্ট পার্থক্য আনিব পাৰো। ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই সন্দর্ভত প্রধান ধাৰনাটো হৈছে যে জ্ঞান-বিজ্ঞানৰ অধ্যয়ন হৈছে আমি কেনেকৈ আৰু কিয় চিন্তা কৰোঁ, তাক বুজাৰ মৌলিক আৱশ্যকতা। আনকি, কেনেকৈ আমি জ্ঞান আহৰন কৰোঁ, আমাৰ ইন্দ্রিয় সংবেদনৰ ওপৰত আমি কিদৰে নির্ভৰ কৰোঁ, আৰু আমাৰ মনত আমি কিদৰে প্রত্যয় বা ধাৰনাবোৰ গঠন কৰোঁ ইত্যাদিৰ সমর্থনটো ই আমাৰ বাবে আৱশ্যকীয়। বলিষ্ঠ চিন্তা ও যুক্তিৰ বিকাশৰ বাবে এক বলিষ্ঠ জ্ঞান বিজ্ঞানক প্রয়োজনীয় বুলি ধৰা হয়, যি হৈছে কিয় দার্শনিক সাহিত্যই ইমান বেছিকৈ জ্ঞানৰ স্বৰূপ সম্পর্কে দেখাত গুপুত যেন লগা আলোচনা সমূহক জড়িত কৰাব পাৰে। অভিজ্ঞতাবাদীসকলৰ দ্বাৰা সঘনে উত্থাপিত হোৱা কেতবোৰ প্রশ্ন তলত দিয়া ধৰনৰ —

- আমি কি জানিব পাৰো?
- আমি ইয়াক কিয় জানো?
- কিয় আমি কিছুমান বস্তুক জানো আৰু আন কিছুমানক নাজানো?
- আমি কিয় জ্ঞান আহৰন কৰোঁ?
- জ্ঞানৰ স্বৰূপ কি?
- জ্ঞান সম্ভৱ নে?
- সত্বাৰ জ্ঞান মুঠতে সম্ভৱ হয় নে নহয়?

- জ্ঞান নিশ্চিত হ'ব পাৰেনে?
- আমি কিয় কিছুমান দাবীক বিশ্বাস কৰোঁ আৰু কিছুমানক নকৰোঁ?

জ্ঞান-বিজ্ঞানে সমিধান দিবলৈ চেষ্টা কৰা প্ৰশ্নবোৰৰ মাজৰ এই কেইটায়ে প্ৰশ্ন। আমি ভাৱো যে এইবোৰ প্ৰশ্ন যিমান দিনলৈকে থাকিব, জ্ঞান-বিজ্ঞানে দাৰ্শনিক আলোচনাত এক ক্ষেত্ৰ হিচাপে সিমান দিনলৈকে বৰ্ত্তি থাকিব।


১.৫.১ জ্ঞেয়ৰ জ্ঞানবিজ্ঞান আৰু মনোবিজ্ঞান

ইয়াত এই কথা মনত ৰাখিব লগীয়া যে আমি মনোবিজ্ঞানৰ লগত জ্ঞানবিজ্ঞানক খেলিমেলি কৰাটো উচিত নহয়। মনোবিজ্ঞান, ব্যক্তি মনত জ্ঞানৰ উৎস আৰু ক্ৰমাগত বিকাশৰ সৈতে জড়িত। ই মনৰ বাস্তৱ ঘটনা হিচাপে বিবেচক অৱস্থা আৰু প্ৰতিক্ৰিয়া সমূহৰ বিশ্লেষণৰ সৈতেও জড়িত। মনোবিজ্ঞানে মানৱ জ্ঞানৰ বৈধতা, চৰ্তাৱলী আৰু সীমাবদ্ধতাক অনুসন্ধান নকৰে। মনোবিজ্ঞানৰ বিপৰীতে, জ্ঞানবিজ্ঞান জ্ঞানৰ স্বৰূপ আৰু সম্ভাৱনীয়তা আৰু ইয়াৰ সীমাবদ্ধতাৰ সৈতে জড়িত। সেইকাৰণে, জ্ঞানবিজ্ঞান অৱভাসিক জগতৰ উৰ্দ্ধত সত্ত্বাৰ জ্ঞানৰ সম্ভৱ হয় নে নহয় — এই প্ৰশ্নৰ সৈতে জড়িত।



চিন্তা চৰ্চা কৰক ঃ ১.১

- জ্ঞানবিজ্ঞান সম্পৰ্কে কি জানে চমুকৈ লিখক।
- "জ্ঞানবিজ্ঞানক জ্ঞেয়ৰ মনোবিজ্ঞানৰ সৈতে খেলি মেলি কৰিব নালাগে।" —ব্যাখ্যা কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ তলৰ উক্তিবোৰ সত্য নেঅসত্য উল্লেখ কৰক

(ক) জ্ঞানবিজ্ঞান জ্ঞানৰ সমালোচনা (সত্য/অসত্য)

(খ) জ্ঞানবিজ্ঞানক আক্ষৰিক অৰ্থত 'জ্ঞানৰ বিজ্ঞান' বোলা হয়।
(সত্য/অসত্য)

প্ৰশ্ন নং ২ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) "Ology" — অত শেষ হোৱা সকলো শব্দৰে মূল হৈছে ————।

(খ) ———— হৈছে দৰ্শনৰ চাৰিটা প্ৰধান বিভাগৰ এটা।

(গ) ———— হৈছে জ্ঞানৰ স্বৰূপৰ নিজা অনুসন্ধান।

১.৬ জ্ঞানবিজ্ঞানৰ আলোচ্য বিষয়

জ্ঞান-বিজ্ঞান বা জ্ঞানৰ মতবাদক বহল অর্থত জ্ঞানৰ উপাও বা সমল আৰু নীতি সমূহৰ বিজ্ঞানক বুজায়; ইয়াৰ ঠেক অর্থত, ই হৈছে এক বিষয়, যি একচেতীয়াকৈ জ্ঞানৰ ৰীতি নীতিসমূহৰ লগত জড়িত। কিন্তু সাধাৰণতে বচনাত্মক জ্ঞানত আলোচিত এক প্রকাৰৰ জ্ঞান, জ্ঞান-বিজ্ঞানক 'জ্ঞান কেনেকৈ' (knowledge how) ৰ বিৰোদ্ধে 'জ্ঞান-সেই' (knowledge that) হিচাপেও জনা যায়। উদাহৰণস্বৰূপে ঃ- গণিতশাস্ত্রত এইটো জনা হয় যে ২+২=৪, কিন্তু ইয়াতো দুটা সংখ্যাক যোগ কৰিবলৈ ব্যৱহাৰিক জ্ঞান 'knowing how' থাকে। সেইবাবে কিছুসংখ্যক দার্শনিকে ভাবে যে 'knowing that' আৰু 'knowing how' ৰ মাজত এক গুৰুত্বপূর্ণ পার্থক্য আছে। জ্ঞান-বিজ্ঞানৰ লগত প্রাথমিকভাৱে প্রথমটোৰ গুৰুত্ব থকা দেখা যায়। বহুতো ভাষাত এই পার্থক্যক ভাষাগত ভাৱে স্বীকাৰ কৰা হয়, যদিও আধুনিক ইংৰাজী ভাষাত থকা দেখা নাযায়। ব্যক্তিগত জ্ঞানত, মাইকেল পোলানি (Michael Polanyi) য়ে এখন চাইকেল চলোৱাত জড়িত সমতাৰ ক্রিয়াৰ উদাহৰণটো ব্যৱহাৰ কৰি জ্ঞানৰ উভয় আকাৰৰ জ্ঞানবিজ্ঞানমূলক প্রাসংগিকতাৰ বাবে এটা অৱস্থা বা ঘটনাৰ স্পষ্ট প্রকাশ আগবঢ়াইছে। তেওঁ পৰামর্শ দিয়ে যে সমতাৰ এক অৱস্থাত জড়িত পদার্থবিজ্ঞানৰ তথ্যভিত্তিক জ্ঞানক,কেনেকৈ চাইকেল চলাব লাগেৰ ব্যৱহাৰিক জ্ঞানৰ বাবে সলনি কৰিব লাগে আৰু সেয়ে, কেনেকৈ দুয়োটা প্রতিষ্ঠিত আৰু ভিত্তিমূলক হয়, তাক বুজিবলৈ ই অতি গুৰুত্বপূর্ণ। যদি আমি আগলৈ ঘুৰি চাওঁ, তেন্তে চ'চা, গ্রীকো, কেন্‌ভিং, জেগচ্‌কি আৰু বহুতো দার্শনিকৰ দৰে কেতবোৰ জ্ঞান বৈজ্ঞানিকে যুক্তি আগবঢ়ায় যে আমি এনেধৰনেৰে জ্ঞানৰ চিন্তা কৰাটো উচিত নহয়। জ্ঞানবিজ্ঞানে বচনৰ ধর্মবোৰৰ পৰিবর্ত্তে মানুহৰ ধর্ম অর্থাৎ বৌদ্ধিক সততাক মূল্যায়ন কৰাটো উচিত। চমুকৈ, ইয়াৰ কাৰণ এয়ে যে জ্ঞানসম্পর্কীয় কৃতকার্য্যতাৰ উচ্চ আকাৰসমূহ অর্থাৎ বৈশিষ্ট্যযুক্ত অৱবোধ, যাক এটা ন্যায়সঙ্গঁত সত্যবিশ্বাসৰ পৰা মূল্যায়ন কৰিব নোৱাৰি।

পুৰনি কালছোৱাত জ্ঞান-বিজ্ঞান এক পৃথক বিষয় হিচাপে অস্তিত্বশীল নাছিল। সেইজন আছিল প্লে'টো, যিজনে জ্ঞান বিজ্ঞানমূলক অনুসন্ধানক তেওঁ দ্বৈতবাদত অন্তর্ভুক্ত কৰিছিল। আমি তাক এৰিষ্টটলৰ অধিবিজ্ঞানতো দেখিবলৈ পাওঁ, কিন্তু তাত জ্ঞান-বিজ্ঞান আৰু সঠিক কৈ আধিবৈজ্ঞানিক নাইবা নির্দ্দিষ্ট কৈ তর্কীয় আলোচনাৰ মাজত কোনো তীক্ষ্ণতৰ বিভাজন থকা দেখা নাযায়। পুৰনি দর্শনত মুখ্য জ্ঞান-বিজ্ঞানমূলক প্রশ্ন সমূহ হৈছে সেইবোৰ, যিবোৰ, জ্ঞানৰ সত্যতা আৰু সার্বিক বৈধতাৰ চাৰিওপিনে চক্রাকাৰে ঘুৰি থাকে। তেতিয়া এই সমস্যাবোৰৰ নক্সা কাচিৎহে আছিল, যিবোৰ আধুনিত চিন্তা ধাৰাত এক বহল গণ্ডীত গুৰুত্ব লাভ কৰিছে — জ্ঞানত আত্মগত আৰু বস্তুগত উপাদানৰ মাজৰ সম্বন্ধ, জ্ঞানৰ প্রত্যক্ষৰ প্রক্রিয়াত বস্তু আৰু জ্ঞেয় বিষয়ৰ ভূমিকা আৰু জ্ঞানৰ সীমাবদ্ধতা আৰু বিশুদ্ধ অভিজ্ঞতাৰ স্বৰূপৰ নির্নিতকৰণ।

ইউৰোপীয় নৱজাগৰনৰ সময়ছোৱা আৰু আধুনিক যুগৰ আগছোৱাত যদিও সমালোচনা আৰু সংশয়ৰ ছেগাচোৰোকাকৈ উল্লেখ পোৱা যায়, তথাপি এক স্পষ্ট আৰু পৃথক বিষয় হিচাপে

জ্ঞান-বিজ্ঞানৰ সু-সংঘবদ্ধ পুনৰ নিৰীক্ষন তেতিয়ালৈকে দৃষ্টিগোচৰ হোৱা নাছিল, যেতিয়ালৈকে ১৬৯০ চনত জন্ লকে, — তেওঁৰ বিখ্যাত গ্ৰন্থ "Essay Concerning Human Understanding" লিখি উলিওৱা নাছিল। এইটোৱে হৈছে কাৰণ, যাৰ বাবে জন্ লক (ইংৰাজ দার্শনিক) ক জ্ঞান-বিজ্ঞানৰ প্রকৃত প্রৱর্তক হিচাপে স্বীকাৰ কৰা হয়। জ্ঞানৰ উৎস, স্বৰূপ আৰু সীমাবদ্ধতাৰ ক্ষেত্রত তেওঁৰ মহান লিখনিয়েই হৈছে প্রথম আৰু সু-সংবদ্ধ অনুসন্ধান। অধিবিজ্ঞানৰ ক্ষেত্রত নীতি বিজ্ঞান আৰু ধর্মীয় মতামত সমূহৰ যে গুৰুত্ব কম তাক অভিজ্ঞতাৰ দ্বাৰা লকে এক অনুসন্ধান কৰিছিল। তেওঁৰ মতে জ্ঞানৰ সার্বিক উৎস নিহিত থাকে বাহ্যিক আৰু আভ্যন্তৰীণ প্রত্যক্ষ 'সংবেদন' আৰু 'প্রতিচ্ছবি' আৰু 'ধাৰনা' (idea) ৰ এক বিস্তাৰিত শ্রেণীবিভাজনত, যাক এই দুটা উৎসৰ পৰা নিঃসৃত কৰা হয় আৰু যিয়ে তেওঁক প্রাথমিক উৎপাদনবোৰৰ এক নির্দিষ্ট সংখ্যাক গ্রহন কৰিবলৈ অগ্রসৰ কৰে আৰু সেইবোৰেই আমাৰ বিকশিত জ্ঞানক বহুমূখী সংযোগ আৰু সমন্বয়ত স্থিৰ কৰে। আমাৰ নিজৰ বিশেষ সংগঠন হেতু ইন্দ্রিয়জ বস্তুবোৰৰ মূখ্য আৰু গৌণ গুণৰ পার্থক্য, যাৰ দ্বাৰা বস্তুৰ কেতবোৰ গুণক স্থায়ী আৰু অনিবার্য্য, আন কিছুমানক ক্ষনস্থায়ী আৰু সম্ভাৱনীয় হিচাপে লক্ষ্য কৰা হয়। অন্য কথাত,বৰণ, সোৱাদ, গোন্ধ আদিৰ সংবেদন গুণৰ ভাববাদী মতবাদটো বাহ্যিক আৰু আভ্যন্তৰীণ বিষয় আৰু বস্তুৰ জ্ঞান-বিজ্ঞানমূলক বিপৰীত ভাৱক জন্ লকে উত্থাপন কৰিছিল। সম্পূর্ণ সচাঁকৈ, লকৰ পৰাই জ্ঞান-বিজ্ঞান কাণ্টলৈকে অবিৰতভাৱে অগ্রসৰ হৈছিল।

তেওঁৰেই হৈছে জার্মান দার্শনিক ইমানুৱেল কাণ্ট, যিয়ে জ্ঞানৰ সমস্যাক এক সম্পূর্ণ পৃথক দৃষ্টিকোনৰ পৰা চাইছে। জ্ঞানক এক সত্য বা পার্থিৱ বস্তু হিচাপে লোৱাৰ পৰিবর্তে তেওঁ দূৰলৈ আগবাঢ়ি গৈছিল আৰু আগেয়ে থকা চর্তসমূহৰ ওপৰত অনুসন্ধান চলাইছিল, যিয়ে জ্ঞান সম্ভৱ কৰি তোলে। সেয়েহে, তেওঁৰ জ্ঞানৰ প্রতি থকা ভাৱভঙ্গীত কাণ্টক কপাৰনিকাছ্ হিচাপে বর্ণনা কৰা হয়। ই প্রতিফলিত কৰে যে জ্ঞানৰ সমস্যাৰ আলোচনাত জন্ লক্ আছিল অধিক মনোবিজ্ঞানমূলক আনহাতে, কাণ্টৰ দৃষ্টিভঙ্গী আছিল মনোবিজ্ঞানতকৈ অধিক জ্ঞান বিজ্ঞানমূলক। এটা অর্থত কাণ্টে দর্শনৰ সৈতে জ্ঞান-বিজ্ঞানক সমান কৰি পেলাইছে। কাণ্টৰ মতে, জ্ঞান-বিজ্ঞান আৰু দর্শন অনুৰূপ। তেওঁৰ মতে, 'দর্শন হৈছে জ্ঞানৰ সমালোচনা' (Philosophy is the criticism of cognition)

কাণ্টৰ দৰে ফিখ্টেও জ্ঞান-বিজ্ঞান নাইবা জ্ঞানৰ বিজ্ঞানক দর্শনৰ আত্মা আখ্যা দিছে। এই সবিচাৰবাদী ধ্যান ধাৰনা আচৰিত ভাৱে জার্মান দার্শনিক জি. ডব্লিউ. উইল্হেম্ হেগেল্লৈকে চলি আছিল। সেইজন আছিল হেগেল্, যিজনে সত্ত্বাৰ বিজ্ঞানৰ লগত তর্কবিজ্ঞান নাইবা মনৰ বিজ্ঞানক অনুৰূপ কৰি পৰম ধাৰনা (Absolute Idea) ৰূপে তেওঁৰ দর্শনৰ ধাৰনাত জ্ঞান-বিজ্ঞান নাইবা জ্ঞানৰ মতবাদক নিষ্পত্তি প্রদান কৰিছিল। ইয়াত এই কথা নিৰীক্ষন কৰাটো গুৰুত্বপূর্ণ যে কাণ্টৰ ব্যৱস্থাপনাত ফিখ্টে আৰু হেগল্ৰ জ্ঞানে ইয়াৰ উর্দ্ধসীমা বা অন্তিম আকাৰ গ্রহণ কৰিছে। ফলস্বৰূপে ঃ- বৌদ্ধিকতাবাদ দর্শনৰ মূল ধাৰনা বা আত্মা হৈ পৰিছিল।



চিন্তা চৰ্চা কৰক ঃ ১.২

- জ্ঞানবিজ্ঞান দৰ্শনৰ সৈতে অনুৰূপ — কাণ্টৰ প্ৰসঙ্গঁত আলোচনা কৰক।

.....

.....

- জ্ঞানবিজ্ঞানৰ আলোচ্য বিষয়বস্তুৰ ওপৰত এখন ৰচনা লিখক।

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ খালী ঠাই পূৰাওক ঃ

(ক) জ্ঞানৰ মতবাদে———— আৰু ———— ক বুজায়।

(খ) জ্ঞান-বিজ্ঞান ———— ৰ লগত জড়িত।

প্ৰশ্ন নং ৪ঃ জ্ঞান-বিজ্ঞান বা জ্ঞানৰ মতবাদ দৰ্শনৰ আত্মা কথাযাৰ কোনো কৈছিল?

প্ৰশ্ন নং ৫ঃ কোনে জ্ঞান-বিজ্ঞানৰ নিষ্পত্তি কৰিছিল?

প্ৰশ্ন নং ৬ঃ "An Essay Concerning Human Understanding" গ্ৰন্থখনৰ লেখক কোন?



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জ্ঞান-বিজ্ঞান হৈছে মানৱ জ্ঞানৰ স্বৰূপ, উৎস আৰু সীমাৰ তথ্যভিত্তিক নাইবা দাৰ্শনিক অধ্যয়ন। "Epistemology" শব্দটো দুটা গ্ৰীক শব্দ 'episteme' (জ্ঞান) আৰু 'logos' (বিজ্ঞান বা যুক্তি) পৰা আহিছে। সেয়ে, "Epistemology" মানে "জ্ঞানৰ মতবাদ, নাইবা বিজ্ঞান নাইবা অধ্যয়ন"।
- জ্ঞান-বিজ্ঞান হৈছে জ্ঞান আৰু ন্যায়সঙ্গঁত বিশ্বাসৰ স্বৰূপ আৰু পৰিসৰৰ লগত জড়িত দৰ্শনৰ এটা বিভাগ। ই জ্ঞানৰ স্বৰূপ আৰু সত্যতা, বিশ্বাস, ন্যায্যতা আদিৰ দৰে ধাৰণাবোৰৰ লগত কেনেকৈ ই সম্পৰ্ক ৰক্ষা কৰে, তাৰ বিষয়ে বিশ্লেষণ আগবঢ়ায়। ই জ্ঞানৰ উৎপত্তিৰ উপায়ৰ লগতে বিভিন্ন জ্ঞানৰ দাবীবোৰৰ বিষয়ে সংশয়বাদৰ সৈতে জড়িত।
- জ্ঞান-বিজ্ঞান হৈছে জ্ঞানৰ স্বৰূপ নিজস্ব অনুসন্ধান। ইয়াৰ অধ্যয়নে প্ৰধানকৈ জ্ঞান লাভৰ আমাৰ উপায়বোৰ আৰু সত্যতা আৰু অসত্যতা, বাস্তৱ আৰু অবাস্তৱ, বৈধ আৰু অবৈধ জ্ঞানৰ মাজত কেনেকৈ এক স্পষ্ট পাৰ্থক্য নিৰ্ণয় কৰিব পাৰো তাৰ ওপৰত

ৰেখাপাত কৰে।

- মনোবিজ্ঞান ব্যক্তিমনত জ্ঞানৰ উৎপত্তি আৰু ক্রমশঃ বিকাশৰ সৈতে জড়িত আৰু আনহাতে, জ্ঞান-বিজ্ঞান জ্ঞানৰ স্বৰূপ আৰু সম্ভাৱনীয়তা আৰু ইয়াৰ সীমাৰ লগত জড়িত।

১.৮ অধিক জানিবলৈ

১) Ayer, A.J. 1956. The Problem of Knowledge, New York: St. Martin's Press.Inc.

২) Blackburn, S. 1996. Oxford Dictionary of Philosophy, New York: OUP.

৩) Hospers, J. 1999. An Introduction to Philosophical Aanlysis. New Delhi; Allied Publishers Limited.

৪) Nagel, E and Richard, B. (eds.), 1965, Meaning and Knowledge, New York: Harcourt, Brace & World, Inc.

৫) Pradhan, R.C. 2001, Recent Developments in Analytic Philosophy; New Delhi: ICPR.

১.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ (ক) সত্য

(খ) সত্য

২নং প্রশ্নৰ উত্তৰ ঃ (ক) 'Logos'

(খ) জ্ঞান-বিজ্ঞান

(গ) জ্ঞান-বিজ্ঞান

৩নং প্রশ্নৰ উত্তৰ ঃ (ক) সমলৰ বিজ্ঞান আৰু জ্ঞানৰ আকাৰগত নীতি।

(খ) মানৱ জ্ঞানবর্জনৰ হেপাহঁ

৪নং প্রশ্নৰ উত্তৰ ঃ ফিখটে (Fichte)

৫নং প্রশ্নৰ উত্তৰ ঃ হেগেল্ (Hegel)

৬নং প্রশ্নৰ উত্তৰ ঃ জন্ লক্ (John Lock)

১.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ জ্ঞান-বিজ্ঞান সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ঃ 'Logos' শব্দটো 'ology' শব্দৰে শেষ হোৱা সকলো শব্দৰে মূল হয় নে?

প্ৰশ্ন ৩ঃ 'দৰ্শন হৈছে জ্ঞানৰ সমালোচনা' — এই উক্তিটোৰ লগত জড়িত চিন্তাবিদজনৰ নাম লিখক।

প্ৰশ্ন ৪ঃ "An Essay Concerning Human Understanding" কোনে লিখিছিল?

প্ৰশ্ন ৫ঃ দুজন জাৰ্মান জ্ঞান-বিজ্ঞানবিদৰ নাম লিখক।

প্ৰশ্ন ৬ঃ এজন ইংৰাজ দাৰ্শনিকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৭ঃ 'episteme' আৰু 'logos' ৰ অৰ্থ কি?

প্ৰশ্ন ৮ঃ "মানৱ বিজ্ঞান আৰু সত্ত্বাৰ বিজ্ঞান অনুৰূপ" — কোনে কৈছিল?

প্ৰশ্ন ৯ঃ হেগেল্‌ৰ সম্পূৰ্ণ নামটো কি?

প্ৰশ্ন১০ঃ কোনে জ্ঞান-বিজ্ঞানমূলক অনুসন্ধানক দ্বৈতবাদৰ অধীনত অৰ্ন্তভুক্ত কৰিছে?

(খ) চমু প্ৰশ্ন (১০০-১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ জ্ঞানাৰ্জনৰ উপায় বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ জ্ঞান-বিজ্ঞানৰ স্বৰূপ বা প্ৰকৃতিৰ ওপৰত এটি চমু টোকা লিখক।

প্ৰশ্ন ৩ঃ Michael Polanyi ৰ পৰিপ্ৰেক্ষিতত উদাহৰণেৰে সৈতে ব্যক্তিগত জ্ঞানক ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ঃ জ্ঞান-বিজ্ঞানৰ বিষয়বোৰৰ ওপৰত এক টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ঃ চমুকৈ ব্যাখ্যা কৰক যে জ্ঞান-বিজ্ঞানক মনোবিজ্ঞানৰ লগত আমি খেলিমেলি কৰাটো উচিত নহয়।

প্ৰশ্ন ৬ঃ জ্ঞান-বিজ্ঞানৰ আলোচ্য বিষয়বস্তুৰ ওপৰত এটি চমুটোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৩৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ সুস্থ চিন্তা আৰু যুক্তি বা বুদ্ধিৰ বিকাশৰ বাবে যে এক বলিষ্ঠ জ্ঞান-বিজ্ঞান প্ৰয়োজনীয় সেই মতটো ব্যাখ্যা কৰি পৰীক্ষা নীৰিক্ষা কৰক।

প্ৰশ্ন ২ঃ জ্ঞান-বিজ্ঞান কিয় গুৰুত্বপূৰ্ণ? — আলোচনা কৰক।

প্ৰশ্ন ৩ঃ জ্ঞান-বিজ্ঞানৰ আলোচ্য বিষয়বস্তুক বৰ্ণনা কৰক।

প্ৰশ্ন ৪ঃ আপুনি ভাবেনে যে জ্ঞান-বিজ্ঞান এক জ্ঞানৰ মতবাদ? উত্তৰৰ সপক্ষে যুক্তি আগবঢ়াওক।

প্ৰশ্ন ৫ঃ "Epistemology" শব্দটোক ব্যাখ্যা আৰু আলোচনা কৰক।

প্ৰশ্ন ৬ঃ জ্ঞান-বিজ্ঞানৰ স্বৰূপ আলোচনা কৰক।

প্ৰশ্ন ৭ঃ জ্ঞানৰ উৎস সম্পৰ্কীয় বিভিন্ন মতবাদসমূহ কি কি? আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ দার্শনিক পদ্ধতিঃ ডেকার্ট আৰু কাণ্ট

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ দার্শনিক পদ্ধতিৰ অর্থ আৰু প্রকৃতি

২.৪ ডেকার্টৰ গাণিতিক পদ্ধতি

২.৫ কাণ্টৰ সমালোচনামূলক অথবা অতীন্দ্রিয়বাদী পদ্ধতি

২.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্রগতিৰ খতিয়ান

২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- 'পদ্ধতি' অভিধাটো বহলাই ব্যাখ্যা কৰিব পাৰিব
- ডেচকার্টিচৰ গাণিতিক পদ্ধতিটো বর্ণনা কৰিব পাৰিব
- কাণ্টৰ সমালোচনামূলক অথবা অতীন্দ্রিয়বাদী পদ্ধতিটো আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

দার্শনিক পদ্ধতি হ'ল দর্শন অধ্যয়নৰ উপায়। দার্শনিকসকলে দার্শনিক প্রশ্নবোৰৰ উত্তৰ উলিয়াওতে যিটো পন্থা অৱলম্বন কৰে দর্শনে সেইটো পৰিচয়েই লাভ কৰে। জ্ঞান আৰু অভিজ্ঞতাৰ সৈতে জড়িত সমস্যাবোৰৰ অনুসন্ধানত কি পদ্ধতি ব্যৱহাৰ কৰা হয় তাৰ ওপৰত জ্ঞানৰ যিকোনো শাখাৰ সাধাৰণ গ্রহণযোগ্যতাৰ দিশটো নির্ভৰশীল। সুস্পষ্টতা আৰু সার্বজনীন প্রদর্শনসাধ্যতাৰ বাবে পদ্ধতিৰ প্রয়োজন। দর্শন হ'ল সত্য আৰু বাস্তৱৰ সৈতে জড়িত মৌলিক সমস্যাবোৰৰ প্রণালীৱদ্ধ বিশ্লেষণ আৰু সমালোচনামূলক মূল্যাংকন। সেয়েহে ইয়াক বিপুল পৰিমাণৰ প্রতিপদিত আৰু সমালোচনামূলক চিন্তাৰ প্রয়োজন। এনে চিন্তাবোৰক এক সুনির্দিষ্ট ৰূপ দ্ব্যর্থতাহীন যৌক্তিক তথা জ্ঞান মীমাংসাগত নীতি সমষ্টিয়ে দিক্ নির্দেশনা দিব লাগিব। এইবোৰ কাৰণতে এগৰাকী দার্শনিকে সু-প্রতিষ্ঠিত অধ্যয়ন প্রক্রিয়া আৰু পদ্ধতিৰ সহায় ল'বলগীয়া হয়। সকলো নিষ্ঠাৱান চিন্তাবিদে কাংক্ষিত দার্শনিক সমাধানত উপনীত হ'বলৈ এনে কোনো এক পদ্ধতিৰ সহায় লয়। কোনো এটা দার্শনিক লেকনী ভালদৰে বুজিবলৈ লেখনীটোত প্রয়োগ কৰা পদ্ধতি তথা প্রক্রিয়াবোৰৰ বিষয়ে আমাৰ স্পষ্ট ধাৰণা থাকিব লাগিব।

২.৩ দার্শনিক পদ্ধতিৰ অর্থ আৰু প্রকৃতি

একেবাৰে সাধাৰণ অর্থত 'পদ্ধতি' (method) মানে হ'ল কোনো লক্ষ্যত উপনীত হোৱাৰ উপায়, কার্যকলাপ শৃংখলাৱদ্ধ কৰাৰ এক সুনির্দিষ্ট পন্থা। প্রজ্ঞাত্মক অর্থত পদ্ধতি মানে হ'ল অধ্যয়নৰ বাবে লোৱা বিষয়ৰ এটা মানসিক প্রতিকৃতি লাভ কৰাৰ উপায়। 'পদ্ধতি' শব্দটো কোনো বিষয়ৰ আলোচনা কৰাৰ সুফলদায়ক পাতনি বিন্দু আৰু প্রক্রিয়া নির্ধাৰণৰ উপায় বর্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয়। কোনো এক নির্দিষ্ট বিষয় আলোচনা কৰাৰ উপায় আৰু আলোচনাকালত ব্যৱহৃত নির্দিষ্ট নীতি- নিয়মবোৰৰ প্রণালীটোক একেলগে বুজাবলৈ 'পদ্ধতি' শব্দটো প্রয়োগ কৰা হয়। ই হ'ল কোনো এক নির্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ ব্যৱহৃত এটা নিয়ন্ত্রিত প্রক্রিয়া। 'দর্শনৰ পদ্ধতি' বুলিলে দর্শনৰ সৈতে জড়িত বিষয়ৰ অনুসন্ধান কৰাৰ পন্থাৰ কথা বুজোৱা হয়।

ৰেনে ডেকার্ট (Rene Descartes) এ তেওঁৰ গ্রন্থ 'A Discourse on Mind' ত লিখিছে, "আমি যিকোনো সত্য উদ্‌ঘাটন কৰিব পৰাকৈ বিষয়বোৰ অধ্যয়ন কৰোঁতে আমাৰ মানসিক দৃষ্টি কোনদিশে গমন কৰিব পদ্ধতিত তাৰেই ক্রম আৰু বিধান সান্নিৰিষ্ট থাকে।" ডেচকার্টিচে পদ্ধতি বুলি সৰল নীতি-নিয়মবোৰৰ কথা বুজাইছিল। তেওঁৰ মতে যিয়েই এই নীতি-নিয়মবোৰ কঠোৰভাৱে পালন কৰে তেওঁ কেতিয়াও কোনো অসত্যক সত্য বুলি ধৰি ল'বলগীয়া নহয়। পদ্ধতিয়ে জ্ঞানৰ পৰস্পৰ বিৰোধিতা আৰু হেত্বাভাস নাইকিয়া কৰে।

দার্শনিক পদ্ধতিৰ প্রকৃতি বুলিলে আমি ইয়াকে বুজো যে সকলোবোৰ দার্শনিক পদ্ধতিয়েই হ'ল যুক্তিসংগত অনুসন্ধানৰ পদ্ধতি। কাৰণ, দর্শনে সদায় যুক্তিযুক্ততা বিচাৰ কৰি চায়। পদ্ধতি হ'ল কোনো সমস্যাৰ বিষয়ে চিন্তা কৰাৰ উপায় নাইবা চিন্তাৰ প্রক্রিয়া। পদ্ধতিৰ দ্বাৰা কোনো বস্তু /বিষয়ৰ প্রকৃত জ্ঞান আহৰণ কৰিব পাৰি। পদ্ধতি হ'ল দার্শনিক নীতিত উপনীত হোৱাৰ পন্থা অথবা প্রক্রিয়া। এই নীতিবোৰ হ'ল কোনো এক নির্দিষ্ট চিন্তা প্রক্রিয়াৰ সামৰণি অথবা ফলাফল।

দর্শনে কিছুমান নির্দিষ্ট সমস্যা আলোচনা কৰাৰ সময়ত সেই সমস্যাবোৰ সমাধান কৰাৰ লগতে কোনো এক নির্দিষ্ট জ্ঞান আহৰণ অথবা সত্য উদ্‌ঘাটন কৰাৰ বাবে পদ্ধতি ব্যৱহাৰ কৰে। দার্শনিকসকলে নির্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ কিছুমান অধ্যয়ন পদ্ধতিৰ বিকাশ ঘটাইছে। যেনে- ৰেনে ডেচকার্টিচে দর্শনৰ আলোচনাত গাণিতিক পদ্ধতি ব্যৱহাৰ কৰিছিল। ইমানুৱেল কাণ্টে সমালোচনা মূলক অথবা অতীন্দ্রিয়বাদী পদ্ধতি নামৰ এক বিশেষ দার্শনিক পদ্ধতি বিকশাই তুলিছিল। দুয়োগৰাকী দার্শনিকৰ বাবে দার্শনিক পদ্ধতি আছিল কোনো দার্শনিক সামৰণিত উপনীত হ'বলৈ ব্যৱহৃত চিন্তাৰ এটা পন্থা।

২.৪ ডেকার্ট গাণিতিক পদ্ধতি

ৰেনে ডেকার্ট (১৫৯৬-১৬৫০) ৰ সৈতে আধুনিক দর্শনৰ সূচনা হৈছিল বুলি কোৱা হয়। ফৰাছী দার্শনিক ডেচকার্টিচে সকলো জ্ঞানকে স্বতঃসিদ্ধ প্রাথমকি সত্যৰ পৰা উদ্ভৱ হোৱা স্পষ্ট যৌক্তিকতাৰূপে একত্রিত কৰাৰ প্রয়াস চলাইছিল। ডেকার্টৰ প্রধান লক্ষ্য আছিল যুক্তি ব্যৱহাৰ কৰি দার্শনিক সত্যত উপনীত হোৱা। তেওঁ সত্য অন্বেষণ কৰিবলৈ সঠিক পদ্ধতি এটা বিচাৰি উলিওৱা তথা প্রয়োগ কৰাৰ ইচ্ছা ব্যক্ত কৰিছিল। এই পদ্ধতিটোৰ সহায়ত তেওঁ এক যুক্তিযুক্ত তথা প্রণালীৱদ্ধ ক্রমত সত্য প্রদর্শন কৰিব বিচাৰিছিল।

ডেকার্টে তেওঁৰ দার্শনিক পদ্ধতিৰ বাবে গণিতক আর্হিৰূপে গ্রহণ কৰিছিল। তেওঁৰ মতে কেৱল গণিতজ্ঞসকলেহে সুনির্দিষ্ট আৰু স্বতঃসিদ্ধ প্রাথমিক সত্য বিচাৰি উলিয়াব পাৰে। দুই দুগুণ চাৰি অথবা এটা ত্রিভূজৰ কোণবোৰৰ যোগফল দুটা সমকোণৰ সমান আদিৰ দৰে উক্তিবোৰ মানুহে বিনা বিতর্কই গ্রহণ কৰিছে। যদি দর্শনতো এনেধৰণৰ সত্য আৱিষ্কাৰ কৰিব পৰা যায় তেন্তে সীমাহীন বিবাদ তথা বিতর্কৰ ওৰ পৰিব বুলি তেওঁ মত প্রকাশ কৰিছিল।

ডেকার্টে অধ্যয়নৰ পৰা গম পাইছিল যে ইয়াৰ অনন্য পদ্ধতিৰ বাবে গণিতৰ সামৰণিবোৰ (সমাধানবোৰ)ৰ যথেষ্ট নিশ্চয়তা আছে। কিন্তু প্রশ্ন হ'ল ঃ গণিতত কি পদ্ধতি অনুসৰণ কৰা হয়? গণিতত স্বতঃসিদ্ধ মূল সূত্র অথবা নীতিবোৰক আৰম্ভণি বিন্দু বুলি ধৰি লোৱা হয়। এই নীতিবোৰৰ পৰাই অন্য প্রতিজ্ঞাবোৰ সাব্যস্ত কৰা হয়। প্রতিজ্ঞাবোৰ মূল সূত্রৰ পৰা যুক্তিসংগতভাৱে বাহিৰ কৰিব পাৰি আৰু যৌক্তিকতাত কোনো ভুল নহ'লে প্রতিজ্ঞাবোৰ মূল সূত্রৰ সমানেই নিশ্চিত।

ডেকার্টে দর্শনত এই গাণিতিক পদ্ধতি ব্যৱহাৰ কৰিছিল। তেওঁৰ মতে দর্শনৰ অধ্যয়ন এক সম্পূর্ণ নিশ্চিত প্রথম নীতিৰ পৰা আৰম্ভ কৰি স্পষ্ট আৰু স্বতঃসিদ্ধ প্রতিজ্ঞাবোৰৰ মাজেৰে গৈ এক নতুন আৰু অজ্ঞাত কিন্তু সমানেই নিশ্চিত সত্যত সমাপ্ত হোৱা উচিত।

ডেকার্টে অনুভৱ কৰিছিল যে দর্শন বিষয়টোৱে গণিতৰ দৰে এটা সুদৃঢ় স্থিৰ ভেটিত দর্শনবোৰ গঢ় দিয়া নাছিল। তেওঁ বিচাৰিছিল দার্শনিক জ্ঞানেও পাটীগণিত আৰু জ্যামিতিৰ দৰে সমান প্রদর্শনসাধ্য / প্রতিপন্নসাধ্য নিশ্চিত ৰূপ এটা ধাৰণ কৰা উচিত। তেওঁৰ মতে অনুসন্ধান পৰীক্ষাৰ এক উপযুক্ত পদ্ধতি ব্যৱহাৰ কৰি এনে জ্ঞান আহৰণ কৰিব পাৰি আৰু উপযুক্ত পদ্ধতিটো হ'ল গাণিতিক পদ্ধতি। ডেকার্টে বিশ্বাস কৰিছিল যে কেৱল গণিততহে মানৰ মনে স্বতঃসিদ্ধতা আৰু নিশ্চয়তাত উপনীত হ'ব পাৰিছে। তেওঁ দৃঢ়তাৰে কৈছিল যে গাণিতিক পদ্ধতি দর্শনকে ধৰি জ্ঞানৰ অন্য শাখালৈকো সম্প্রসাৰিত কৰিব পাৰি।

ইতিমধ্যে আলোচনা কৰা হৈছে যে গণিতত কেইটামান স্বতঃ সিদ্ধ নীতি অথবা মূল সূত্ৰৰ পৰা আৰম্ভ কৰি সৰল বিয়োজনৰ দ্বাৰা সমাধান সমষ্টি বাহিৰ কৰিব পৰা যায়। কিন্তু দর্সনত এনে স্বতঃসিদ্ধতা কেনেকৈ বাহিৰ কৰিব পাৰি? ডে কার্টে সুচিন্তিত নিশ্চিত সংশয় (deliberate doubt) ৰ দ্বাৰা ইয়াৰ উত্তৰ দিছে। তেওঁৰ মতে কেৱল নিশ্চিত সংশয়েহে (doubt) সামৰণিত কিবা এটাঅসন্দিগ্ধ (indubitable) উদ্‌ঘাটন কৰিব পাৰে। সন্দিগ্ধ সত্য (ubitable truth) ত নিশ্চিতি বিচাৰি উলিওৱাৰ এটা আৰম্ভণি বিন্দু হ'ল নিশ্চিত সংশয়। ডেচকার্টিচে বোধ-অভিজ্ঞতা (), বিজ্ঞানসন্মত জ্ঞান আৰু আনকি গাণিতিক জ্ঞানকে ধৰি সকলো কথাকে নিশ্চিত সংশয়ৰ দৃষ্টিৰে চাইছিল। এই নিশ্চিত সংশয়ৰ প্রক্রিয়াটো তেতিয়াহে সমাপ্ত হৈছিল। যেতিয়া ডে কার্টে উপলব্ধি কৰিছিল যে আমি সকলোতে নিশ্চিত সংশয় প্রকাশ কৰিব পাৰোঁ কিন্তু নিশ্চিত সংশয়ৰ গৰাকীৰ অস্তিত্বত কোনো সংশয় প্রকাশ কৰিব নোৱাৰো। তেওঁ বুজি পাইছিল যে তেওঁ নিজে নিজৰ অস্তিত্বক লৈ নিশ্চিত সংশয় প্রকাশ কৰিব নোৱাৰে, কাৰম তেওঁ নিজেই নিশ্চিত সংশয় প্রকাশৰ কামটো কৰি আছে। তেওঁ কৈছিল যে এটা কথাই নিশ্চিত, আৰু সেই কথাটো হ'ল মই নিশ্চিত সংশয় প্রকাশ কৰোঁ, অথবা চিন্তা কৰোঁ; সেই কথাত কোনো নিশ্চিত সংশয় থাকিব নোৱাৰে। আৰু যিয়ে চিন্তা কৰে তেওঁৰ চিন্তা কৰি থকা সময়খিনিত অস্তিত্ব নাই বুলি অনুমান কৰাটো এক পৰস্পৰ বিৰোধী কথা হ'ব। 'চিন্তা কৰোঁ বাবেই মই আছোঁ' (I think, hence I am)। ডে কার্টে যুক্তিসংগতভাৱে প্রতিপন্ন কৰিছিল যে নিশ্চিত সংশয়ত সংশয়কর্তা নিহিত হৈ থাকে, চিন্তা প্রক্রিয়াত চিন্তা কৰোঁতা নিহিত হৈ থাকে। এনেকৈয়ে তেওঁ নিজে ভবা ধৰণৰ এক যুক্তিসংগত স্বতঃসিদ্ধ প্রতিজ্ঞাত উপনীত হৈছিল। নিশ্চিত সংশয় প্রকাশ কৰা মানে হ'ল চিন্তা কৰা, আৰু চিন্তা কৰা মানে হ'ল অস্তিত্ব থকা। লেটিন ভাষাত এই কথাটো বুজাবলৈ 'Cogito ergo sum' বোলা বাক্যাংশ ব্যৱহাৰ কৰা হয়। ইয়াৰ অর্থ হ'ল 'মই চিন্তা কৰোঁ বাবেই মই আছোঁ অথবা মোৰ অস্তিত্ব আছে'। ডে কার্টে কৈছে যে এইটোৱেই হ'ল যিসকলে এক শৃংখলাৱদ্ধ ৰূপত দার্শনিক চিন্তা-চর্চা কৰে সেইসকলৰ মনত পোন প্রথমে সৃষ্টি হোৱা নিশ্চিত জ্ঞান। অর্থাৎ, 'Cogito ergo sum' হ'ল সেইটো অসন্দিগ্ধ সত্য যিটোক ভিত্তি কৰি ডে কার্টে নিজৰ দর্শন উদ্‌ঘাটন কৰাৰ প্রস্তাৱ আগবঢ়াইছিল।

'Cogito ergo sum'-এ ডে কার্টে দর্শন অধ্যয়নৰ এটা সুনির্দিষ্ট স্বতঃসিদ্ধ পাতনি বিন্দুৰ সৃষ্টি কৰিছে। 'Cogito ergo sum' হ'ল পৰম সত্য আৰু নিশ্চিত। ই নিশ্চিত, কাৰণ ইয়াক স্পষ্ট আৰু দ্ব্যর্থহীনভাৱে অনুমান অথবা উপলব্ধি কৰিব পাৰি। এই প্রতিজ্ঞাই ডেচকার্টিচক এটা নির্ণায়ক (Criterion) অথবা সত্য পৰীক্ষাৰ সুযোগ আগবঢ়াইছিল। কাৰণ, তেওঁৰ মতে ই হ'ল অস্বীকাৰ কৰিব নোৱাৰা পৰম অন্তর্জ্ঞান (Ultimate intuition)।

'Cogito ergo sum'-ক মৌলিক নীতিৰূপে গ্রহণ কৰি ডে কার্টে ইয়াৰ আধাৰত ঈশ্বৰৰ অস্তিত্ব প্রমাণ কৰাৰ চেষ্টা চলাইছিল। তেওঁ কৈছিল যে সকলোবোৰ ধাৰণাৰ ভিতৰত এটা অন্তর্জাত ধাৰণা আছে। এই ধাৰণাটো হ'ল এক নিখুঁত সত্ত্বাৰ ধাৰণা, যিটোক আমি ঈশ্বৰ

বুলি কওঁ। এই ধাৰণাটো কি? ঈশ্বৰৰ নাম লোৱাৰ লগে লগে মানুহে এক অসীম, স্বতন্ত্ৰ, সর্বজ্ঞ আৰু সর্বশক্তিমান সত্ত্বাৰ কথা ভাবে। অর্থাৎ, ঈশ্বৰৰ ধাৰণা হ'ল এক অসীম আৰু নিখুঁত সত্ত্বাৰ ধাৰণা।

এই খিনিতে আকৌ এটা প্ৰশ্নৰ উদয় হয়। ঈশ্বৰৰ ধাৰণা সৃষ্টিৰ আঁৰৰ কাৰণটো কি হ'ব পাৰে? এই কাৰণটো নিশ্চয় ফলাফলৰ সমান হ'ব লাগিব। সসীম আৰু অশুদ্ধ সত্ত্বা কেতিয়াও এক অসীম আৰু শুদ্ধ সত্ত্বাৰ কাৰণ হ'ব নোৱাৰে। অর্থাৎ, এই ধাৰণাটো মানুহৰ মনত গঢ় দিওঁতাগৰাকী নিশ্চয় এক অসীমভাৱে শুদ্ধ সত্ত্বা আৰু এই সত্ত্বাটোৱেই ঈশ্বৰ আৰু ঈশ্বৰৰ অস্তিত্ব থাকিবই লাগিব। ঈশ্বৰ স্ব-কাৰমত সৃষ্ট। কাৰণ, ঈশ্বৰক যদি আন কোনো সত্ত্বাৰ প্ৰভাৱ বুলি ধৰা হয়, তেন্তে সেই সত্ত্বাটো আন কিহবাৰ প্ৰভাৱ হ'ব লাগিব আৰু এই চক্ৰটো অসীমভাৱে চলি থাকিব। ই এক অসীম প্ৰত্যাগতিৰে চলি থাকিব আৰু কোনো ফলাফলত উপনীত নহয়। সহজ অর্থত, সমীম সত্ত্বাৰ বাবে ঈশ্বৰৰ অস্তিত্ব নাথাকে। ঈশ্বৰে নিজ অনিবার্য গুণ ()ৰ বলত অত্যাৱশ্যকীয় আৰু চিৰন্তনভাৱে বর্তি থাকে।

ডেকার্টে বহুতো স্বতঃসিদ্ধ সত্য উদ্‌ঘাটন কৰিছিল। এনে সত্য কেইটামান হ'ল-মোৰ অস্তিত্ব আছে (I exist), যিটো স্পষ্ট আৰু দ্ব্যর্থহীনভাৱে অনুমান কৰিব পাৰি সেইটোৱেই সত্য (whatever is clearly and distinctly perceived is true), কোনো কাৰণ নোহোৱাকৈ একো থাকিব নোৱাৰে (Nothing can be without a cause) কাৰণত অতি কমেও প্ৰভাৱৰ সমানেই যথার্থতা আৰু নির্ভুলতা থাকিব লাগিব (The cause must contain at least as much reality and perfection as the effect), ঈশ্বৰৰ অস্তিত্ব আছে (God exists)।

ডেকার্টে আত্মসত্ত্বাৰ নিশ্চয়তাৰে নিজ দর্শনৰ আলোচনা আৰম্ভ কৰিছে। তাৰপাচত তেওঁ ঈশ্বৰৰ অন্তর্জাত ধাৰণাৰ পৰা ঈশ্বৰৰ অস্তিত্ব আৰু ঈশ্বৰৰ সত্যপৰায়ণতাৰ পৰা জগতৰ অস্তিত্ব বিয়োজন (deduced) কৰিছে। ঈশ্বৰ হ'ল পৰম সৃজনশীল যথার্থতা। জড়বস্তু (matter) আৰু মন (mind) হ'ল কার্যকাৰণ সম্বন্ধযুক্ত সৃষ্ট যথার্থতা। মন আৰু জড়বস্তুৰ পৰস্পৰৰ পৰা সুকীয়া স্বতন্ত্ৰ অস্তিত্ব আছে। দুয়োটাকে নিজ নিজ আৰোপিত গুণৰ সহায়ত জানিব পাৰি। আৰোপিত গুণ (attribute) হ'ল সেইবোৰ বৈশিষ্ট্য যিবোৰৰ অবিহনে যথার্থতাৰ কথা ভাবিব নোৱাৰি অথবা কোনো বিষয় বস্তুৰেই অস্তিত্ব নাথাকে। কিন্তু এই আৰোপিত গুণবোৰ বিভিন্ন পন্থাৰে অথবা মাধ্যমেৰে অথবা সংশোধনী প্ৰক্ৰিয়াৰে নিজে নিজে প্ৰকট হয়। অর্থাৎ, দৃঢ়ভাৱে ক'ব পাৰি যে মাত্ৰ এটা পৰম যথার্থতা আছে সেয়া হ'ল ঈশ্বৰ; আৰু দুটা আপেক্ষিক যথার্থতা আছে-সেয়া হ'ল মন আৰু জড়বস্তু অথবা মন আৰু শৰীৰ।

ডেকার্টে গাণিতিক পদ্ধতিৰ প্ৰভাৱ আছিল সুদূৰ প্ৰসাৰী। গণিতৰ ওপৰত তেওঁ আৰোপ কৰা গুৰুত্বই স্পিনোজাৰ জ্যামিতিক পদ্ধতি আৰু লেইব্‌নিঝ তথা কাণ্টৰ প্ৰণালীবিদ্যাক প্ৰভাৱিত কৰিছিল। আনকি লক, বার্কলী আৰু হিউমৰ দৰে অভিজ্ঞতাবাদীসকলেও গণিত জ্ঞানৰ আর্হি

হ'ব পাৰে বুলি ডেচকার্টিচে কৰা দাবীটো আওকাণ কৰিব পৰা নাছিল। এই পদ্ধতিটোৰ সহাত ডেচকার্টিচে পূৰ্বতে অত্যন্ত জটিল বুলি ভবা কিছুমান দার্শনিক সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছিল।

কিন্তু মূল প্ৰশ্নটো হ'ল- গাণিতিক পদ্ধতিক একমাত্ৰ দার্শনিক পদ্ধতি বুলি গ্ৰহণ কৰিব পৰা যায়নে? গাণিতিক পদ্ধতিৰ প্ৰভাৱ নুই কৰিব নোৱাৰি যদিও ইয়াক একমাত্ৰ দার্শনিক পদ্ধতি বুলিব নোৱাৰি। দার্শনিক এ.ডি. লিণ্ডছেৰ মতে ডে কার্টে অন্য সম্পৰীক্ষাবোৰতো গাণিতিক পদ্ধতি প্ৰয়োগ কৰিব পাৰি বুলি কৈছে যদিও অস্তিত্বৰ সৈতে জড়িত সমস্যাবোৰত এই পদ্ধতিটো প্ৰয়োগ কৰিব নোৱাৰি। ডে কার্টে যুক্তি প্ৰদৰ্শন কৰাৰ সময়ত কিছুমান অৱধাৰণা ব্যৱহাৰ কৰিছিল। যেনে - যথার্থতা আৰু ইয়াৰ মাধ্যম অথবা কার্যকাৰণ সম্বন্ধ। ইয়াক অস্তিত্বৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছে যদিও সত্য অথবা প্ৰতিজ্ঞাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হোৱা নাই। কিন্তু তথাপিও যথার্থতা আৰু ইয়াৰ মাধ্যম অথবা কার্যকাৰণৰ মাজত থকা সম্বন্ধক এটা গাণিতিক সম্পর্ক বুলি ধৰি লোৱা হৈছে।

বহুতো চিন্তাবিদে বিজ্ঞানৰ তিনিওটা শাখা- গণিত, প্ৰাকৃতিক বিজ্ঞান আৰু অধিবিজ্ঞান অথবা দর্শনৰ অধ্যয়নৰ বাবে মাত্ৰ এটা পদ্ধতি গ্ৰহণ কৰাৰ দোষত ডেচকার্টিচক সমালোচনা কৰিছে। ডে কার্টে ভালদৰে জানিছিল যে দর্শন আৰু গণিত সদৃশ নহয়। অর্থাৎ, তেওঁৰ প্ৰণালীবিদ্যাৰ সবাতোকৈ ডাঙৰ ত্ৰুটি আছিল গাণিতিক পদ্ধতিক দর্শন অধ্যয়নৰ একমাত্ৰ পদ্ধতি বুলি গ্ৰহণ কৰাটো। গাণিতিক পদ্ধতিৰ উপৰি ডে কার্টে দর্শন অধ্যয়নৰ আন কোনো বিশেষ উপযুক্ত পদ্ধতি গ্ৰহণ কৰিব পাৰিলেহেঁতেন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ দার্শনিক পদ্ধতি অথবা দর্শন অধ্যয়নৰ প্ৰণালীবিদ্যা মানে কি?

প্ৰশ্ন নং ২ ঃ 'Cogito ergs sum' ক কিহে সত্যৰূপে প্ৰতিপন্ন কৰে?

প্ৰশ্ন নং ৩ ঃ ডেকার্টৰ মতে সুনির্দিষ্ট অসন্দিগ্ধ সত্যৰ পাতনি বিন্দুটো কি?

২.৫ কাণ্টৰ সমালোচনামূলক অথবা অতীন্দ্ৰিয়বাদী পদ্ধতি

জার্মান দার্শনিক ইমানুৱেল কাণ্ট (১৭২৪-১৮০৪) হ'ল পাশ্চাত্য দর্শনৰ ইতিহাসৰ সবাতোকৈ প্ৰভাৱশালী দার্শনিকসকলৰ এজন। তেওঁ জ্ঞানৰ প্ৰকৃতি আৰু সীমাৱদ্ধতা, সচেতনতাৰ ভাগ আৰু সচেতনতাৰ ন্যায়নিষ্ঠ তথা নান্দনিক ফলাফল নির্ণয় কৰিব পৰা এক সমালোচনামূলক দর্শন বিকশাই তোলাৰ প্ৰয়াস কৰিছিল।

জ্ঞান আহৰণ কৰিবলৈ মানৱ মনত থকা শক্তিৰ ওপৰত স্থাপন কৰা বিশ্বাসেই হ'ল

আধুনিক দর্শনৰ আৰম্ভণি। একমাত্ৰ প্ৰশ্নটো আছিল এয়া কেনেকৈ সম্ভৱ হ'ব? কি পদ্ধতিৰে **এই লক্ষ্যত** উপনীত হ'ব পৰা যাব আৰু ইয়াৰ সীমা ক'ত? নিৰ্বিচাৰবাদ (Dogmatism) আৰু সংশয়বাদ (Skepticism) ৰ দৰে কিছুমান পৰম্পৰাগত পদ্ধতিৰ বিকলতাই কাণ্টক তেওঁৰ সমালোচনামূলক পদ্ধতি (Critical method) প্ৰচলনৰ বাবে বাধ্য কৰাইছিল?

কাণ্টৰ সমালোচনামূলক পদ্ধতিক কিন্তু সাধাৰণ অৰ্থৰ সমালোচনাবাদৰ সৈতে ৰিজাব পৰা নাযায়। কাৰণ, তেওঁৰ সমালোচনা জ্ঞানৰ মৌলিক ক্ষমতাৰ সাধাৰণ সমালোচনা নহয়। কাণ্টৰ বাবে সমালোচনা মানে হ'ল জ্ঞানৰ দিসে আগবাঢ়ি যোৱাৰ আগতে জ্ঞানৰ সম্ভাৱনাবোৰ বিচাৰ কৰি চোৱা। কাণ্টৰ সমালোচনামূলক পদ্ধতি কেৱল মাত্ৰ সমালোচনাই নহয়। ই হ'ল চিন্তা এক উপায় অথবা অনুসন্ধানৰ এক পন্থা। কাণ্টে জ্ঞানৰ বিশ্চয়তাত নিৰ্বিচাৰে জোৰ দিয়া অথবা অস্বীকাৰ নকৰাকৈ সমালোচনামুলক পদ্ধতিটো প্ৰয়োগ কৰিছিল। তেওঁ নিজৰ পদ্ধতিটোৰ জৰিয়তে জ্ঞানৰ প্ৰকৃতি, উৎপত্তি আৰু পৰিধি অনুসন্ধান কৰিছিল, জ্ঞানৰ উৎস আৰু সীমাৱদ্ধতা অধ্যয়ন কৰিছিল। জ্ঞানৰ অস্তিত্বৰ আধাৰ আৰু ইয়াৰ বৈধতা বিচাৰি উলিওৱাৰ চেষ্টা কৰিছিল। চমুকৈ এই পদ্ধতিটো হ'ল জ্ঞানৰ 'apriori' (আনুমানিক) আৱশ্যকীয়া আৰু অপৰিহার্য চর্তবোৰৰ অনুসন্ধান কৰা। কাণ্টৰ পদ্ধতিটো মৌলিক বিজ্ঞান, যেনে- ইউক্লিডয়ৰ গণিত আৰু নিউটনৰ পদার্থ বিজ্ঞানৰ সত্য অনুমানৰ পৰা আৰম্ভ হৈ এই বিজ্ঞানবোৰে অপৰিহার্যভাৱে কি পূর্বানুমান কৰি লয় তাৰ অনুসন্ধানত সমাপ্ত হয়। এই পূর্বানুমানবোৰ হ'ল সংবেদনশীলতাৰ ৰূপ। যেনে- স্থান আৰু কালৰ সংবেদনশীলতা আৰু আকলনৰ ভাগ। কাণ্টৰ পদ্ধতিটোৱে কাৰণবোৰক জনাৰ সামর্থ প্ৰণালীৱদ্ধভাৱে পৰীক্ষা কৰি চাবলৈ আত্ম-চিন্তনৰ আহ্বান জনায় আৰু প্ৰয়োজনীয় দিক্ নির্দেশনা দিয়ে। তেওঁ 'যদি' জ্ঞান আহৰণ কৰা সম্ভৱ বুলি প্ৰশ্ন কৰা নাছিল, 'কেনেকৈ' আৰু 'কিহেৰে' জ্ঞান আহৰণ কৰা সম্ভৱ বুলিহে প্ৰশ্ন কৰিছিল। স্ব-বিকশিত পদ্ধতিটোৰ সহায়ত কাণ্টে জ্ঞানৰ বিষয়বস্তু (matter) আৰু আনুমানিক (apriori) ৰূপবোৰৰ মাজৰ পার্থক্য নিৰূপণ কৰিছিল।

কাণ্টৰ মতে জ্ঞান মানে হ'ল নিশ্চিত জ্ঞান। নিশ্চিত জ্ঞান অতি প্ৰয়োজনীয়। ইয়াৰ পৰস্পৰ বিৰোধিতা চিন্তাও কৰিব নোৱাৰি । জ্ঞান সার্বজনীন হ'ব লাগিব। জ্ঞানৰ কোনো ব্যতিক্ৰম থাকিব নোৱাৰে। কাণ্টে কৈছে যে কেৱল সাংশ্লেষিক আনুমাননিক বিচাৰ (Synthetic Judgements apriori) তহে এনে নিশ্চিতি সম্ভৱ। এতিয়া প্ৰশ্ন হ'ল- এই সাংশ্লেষিত আনুমানিক বিচাৰ কি? বিচাৰ (judgement) ৰ ৰূপত জ্ঞান প্ৰকট হয়। কাণ্টে বিশ্লেষক বিচাৰ (analytic judgements) আৰু সংশ্লেষক বিচাৰ (synthetic judgements)ৰ মাজত থকা পার্থক্যবোৰ আঙুলিয়াই দেখুৱাইছে। এটা বিচাৰক তেতিয়াই বিশ্লেষণক বোলা হয় যেতিয়া ইয়াৰ বিধেয় (predicate) ই কেৱল উদ্দেশ্য (subject)ত আগৰে পৰা নিহিত থকা উপাদানবোৰত আলোকপাত কৰে। যেনে- 'সকলো অবয়ৱেই সম্প্রসাৰিত হয়' (All bodies are extended)। আহহাতে, এটা বিচাৰক তেতিয়াই সংশ্লেষক বোলা হয় যেতিয়া ই উপলব্ধ তথ্যবোৰত

আলোকপাত কৰাৰ উপৰি বিধেয়ত কোনো নতুন উপাদান সংযোজিত কৰি মানুহৰ জ্ঞান প্ৰসাৰিত কৰে। যেনে- 'সকলো অবয়ৱৰে নির্দিষ্ট আপেক্ষিক ভৰ থাকে' (All bodies have specific gravity)। অৱশ্যে সকলো সংশ্লেষক বিচাৰেই আমাক জ্ঞান নিদিয়ে। সংশ্লেষক বিচাৰ অনুৱৰ্তী অনুমান (posteriori) নাইবা পূৱবৰ্তী অনুমান (apriori) হ'ব পাৰে। অনুৱৰ্তী সংশ্লেষক বিচাৰ কোনো এটা বস্তুৰ এইবোৰ উপাদান বৈশিষ্ট্য আছে বুলি অৱগত তথ্যৰ অভিজ্ঞতাৰ পৰা আহৰণ কৰা হয়। অন্য অর্থত এনে বিচাৰত প্ৰয়োজনীয়তা আৰু সার্বজনীনতাৰ অভাৱ হ'ব পাৰে। জ্ঞান হ'বলৈ সংশ্লেষক বিচাৰ সদায় আৱশ্যকীয় আৰু সার্বজনীন হ'ব লাগিব। এটা অনুৱৰ্তী সংশ্লেষক বিচাৰে মানুহৰ জ্ঞানত নতুন তথ্য সংযোজন কৰে যদিও এনে বিচাৰ নিশ্চিত নহয়। ফলত এনে বিচাৰে দিয়া জ্ঞান অস্পষ্ট আৰু অনিশ্চিত হয়। নিশ্চিত জ্ঞান আহৰণৰ বাবে বিচাৰ এটা সদায় পূৱৰ্বৱৰ্তী অনুমান হ'ব লাগে। কাণ্টৰ মতে পূৱৰ্বৰ্তী সংশ্লেষক বিচাৰত থকা জ্ঞানে মানুহৰ জ্ঞান সম্প্ৰসাৰিত কৰে। এনে জ্ঞান আৱশ্যকীয় আৰু সার্বজনীন। সার্বজনীনতা আৰু আৱশ্যেকীয়তাৰ উৎস ইন্দ্ৰিয়গ্ৰাহ্য অনুভূতি আৰু অৱধাৰণা নহয়। ইয়াৰ উৎস হ'ল যুক্তিযুক্ততা আৰু আকলন ()। কাণ্টে এনে বিচাৰ আছে বুলি সম্পূৰ্ণ নিঃসন্দেহ আছিল। পদার্থ বিজ্ঞান, গণিত আৰু অধিবিদ্যাত এনে বিচাৰৰ উপস্থিতি ধৰা পেলোৱা হৈছে। কাণ্টে সার্বজনীন আৰু আৱশ্যকীয় জ্ঞানৰ অস্তিত্বক এক প্ৰতিষ্ঠিত সত্য বুলি মানি লৈছিল। সেয়েহে তেওঁ এনে জ্ঞান 'যদি' সম্ভৱ হয় বুলি কোৱা নাছিল । এনে জ্ঞান 'কেনেকৈ' সম্ভৱ সেয়াহে প্ৰশ্ন কৰিছিল। এনে জ্ঞান আহৰণৰ চর্তবোৰ কি? এনে জ্ঞানে যুক্তিসংগতভাৱে কি কথা পূর্বানুমান কৰে অথবা কিহৰ আভাস দিয়ে?

কাণ্টে তেওঁৰ সমালোচনামূলক পদ্ধতিটোক অতীন্দ্ৰিয়বাদী পদ্ধতি () বুলিও কৈছিল। তেওঁ সার্বজনীন আৰু আৱশ্যকীয় অর্থত 'অতীন্দ্ৰিয়বাদ' অভিধাটো 'আনুমানিক' (Transcendental method) শব্দটোৰ সমার্থকৰূপে ব্যৱহাৰ কৰিছিল। কাণ্টৰ অতীন্দ্ৰিয়বাদী পদ্ধতিৰ মূল আছিল জ্ঞান সম্ভৱ কৰি তোলা জ্ঞাত উদ্দেশ্যবোৰৰ চর্ত অনুসন্ধান কৰা।

কাণ্টৰ পদ্ধতিটো মনোবৈজ্ঞানিক নাছিল। ই আছিল যৌক্তিক অথবা মনঃভিত্তিক (, ইন্দ্ৰিয়জাত অভিজ্ঞতাৰ উর্দ্ধত কিন্তু জ্ঞানৰ পৰিধিৰ ভিতৰত)। কাণ্টে আমাক প্ৰকৃত জ্ঞানবোৰ পৰীক্ষা কৰি চাবলৈ কৈছিল। প্ৰকৃত জ্ঞানৰ উদাহৰণ হ'ল গণিত, পদার্থ বিজ্ঞান অথবা অধিবিদ্যাৰ উপাদানবোৰ। এই উপাদানবোৰৰ যুক্তিসংগত পূর্বানুমানৰ অস্তিত্ব কি তাৰ অন্বেষণে হ'ল কাণ্টৰ ভাষাত প্ৰকৃত জ্ঞানৰ পৰীক্ষণ।

কাণ্টৰ অতীন্দ্ৰিয়বাদী পদ্ধতি হ'ল মৌলিক বিষয় ৰূপে মানুহ অস্তিত্ব সম্পর্কে গভীৰ দার্শনিক চিন্তা-চর্চা কৰাৰ উপায়। অতীন্দ্ৰিয়বাদী পদ্ধতি ব্যৱহাৰ কৰাৰ সময়ত কাণ্টে ইয়াৰ সকলো শাখাতে মানৱীয় যুক্তি প্ৰয়োগ কৰিছিল। ইয়াকে কৰোঁতে তেওঁ জ্ঞানৰ সম্ভাৱনা আৰু সত্যতাৰ গুৰুত্বক কিছু আওকাণ কৰিছিল। এই দিশেৰে কাণ্ট এগৰাকী নির্বিচাৰবাদী আছিল যদিও এই কথাই তেওঁক সিমান প্ৰভাৱিত কৰিব পৰা নাছিল।

কাণ্টৰ অতীন্দ্ৰিয়বাদী অথবা সমালোচনামূলক পদ্ধতিয়ে পৰৱৰ্তী সময়ৰ দার্শনিকসকল

গভীৰভাৱে প্ৰভাৱিত কৰিছিল। জ্ঞানৰ যিকোনো শাখাৰ প্ৰয়োজনীয় পূৰ্বানুমানবোৰৰ অন্বেষণত তেওঁৰ সমালোচনামূলক পদ্ধতিয়ে যথেষ্ট সহায় কৰে । ইয়াৰ উপৰি মানৰ জ্ঞানৰ সীমাৱদ্ধতা প্ৰদৰ্শনত পোন প্ৰথমবাৰৰ বাবে সফল হোৱা দার্শনিক ৰূপেও কাণ্টে কৃতিত্ব অৰ্জন কৰিছে। দার্শনিক অধ্যয়ন পদ্ধতিত কাণ্টে অপৰিসীম অৱদান আগবঢ়াই থৈ গৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কাণ্টৰ সমালোচনামূলক পদ্ধতিটো সাধাৰণ সমালোচনাৰ সৈতে একেনে?

প্ৰশ্ন নং ৫ ঃ কাণ্টৰ অতীন্দ্ৰিয়বাদী পদ্ধতিটোৰ সমার্থক অভিধাটো কি?



২.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- দার্শনিক পদ্ধতি হ'ল দর্শন অধ্যয়নৰ উপায়। দার্শনিকসকলে দার্শনিক প্ৰশ্নবোৰৰ উত্তৰ উলিয়াওতে যিটো পন্থা অৱলম্বন কৰে দর্শনে সেইটো পৰিচয়েই লাভ কৰে।
- দর্শন হ'ল সত্য আৰু বাস্তৱৰ সৈতে জড়িত মৌলিক সমস্যাবোৰৰ প্ৰণালীৱদ্ধ বিশ্লেষণ আৰু সমালোচনামূলক মূল্যাংকন। সেয়েহে ইয়াক বিপুল পৰিমাণৰ প্ৰতিপাদিত আৰু সমালোচনামূলক চিন্তাৰ প্ৰয়োজন। এইবোৰ কাৰণতে এগৰাকী দার্শনিকে সু-প্ৰতিষ্ঠিত অধ্যয়ন প্ৰক্ৰিয়া আৰু পদ্ধতিৰ সহায় ল'বলকীয়া হয়।
- একেবাৰে সাধাৰণ অর্থত 'পদ্ধতি' মানে হ'ল কোনো লক্ষ্যত উপনীত হোৱাৰ উপায়, কার্যকলাপ শৃংখলাৱদ্ধ কৰাৰ এক সুনির্দিষ্ট পন্থা। পদ্ধতি হ'ল কোনো সমস্যাৰ বিষয়ে চিন্তা কৰাৰ উপায় নাইবা চিন্তা প্ৰক্ৰিয়া। পদ্ধতিৰ দ্বাৰা কোনো বস্তু / বিষয়ৰ প্ৰকৃত জ্ঞান আহৰণ কৰিব পাৰি।
- ডেকার্টে তেওঁৰ দার্শনিক পদ্ধতিৰ বাবে গণিতক আহিৰূপে গ্ৰহণ কৰিছিল। তেওঁৰ মতে কেৱল গণিতজ্ঞসকলেহে সুনির্দিষ্ট আৰু স্বতঃসিদ্ধ প্ৰাথমিক সত্য বিচাৰি উলিয়াব পাৰে।
- গণিতত স্বতঃসিদ্ধ মূল সূত্ৰ অথবা নীতিবোৰক আৰম্ভণি বিন্দু বুলি ধৰি লোৱা হয়। এই নীতিবোৰৰ পৰাই অন্য প্ৰতিজ্ঞাবোৰ সাব্যস্ত কৰা হয়। প্ৰতিজ্ঞাবোৰ মূল সূত্ৰৰ পৰা যুক্তিসংগতভাৱে বাহিৰ কৰিব পাৰি আৰু যৌক্তিকতাত কোনো ভুল নহ'লে প্ৰতিজ্ঞাবোৰ মূল সূত্ৰৰ সমানেই নিশ্চিত। ডেকার্টে দর্শনত এই গাণিতিক পদ্ধতি ব্যৱহাৰ কৰিছিল।
- দর্শনত সন্দিগ্ধ সত্যত নিশ্চিতি বিচাৰি উলিওৱাৰ এটা আৰম্ভণি বিন্দু হ'ল নিশ্চিত সংশয়। ডেকার্টে যুক্তিসংগতভাৱে প্ৰতিপন্ন কৰিছিল যে নিশ্চিত সংশয়ত সংশয়কর্তা

নিহিত হৈ থাকে। নিশ্চিত সংশয় প্ৰকাশ কৰা মানে হ'ল চিন্তা কৰা, আৰু চিন্তা কৰা মানে হ'ল অস্তিত্ব থকা। লেটিন ভাষাত এই কথাটো বুজাবলৈ 'Cogito ergo sum' বোলা বাক্যাংশ ব্যৱহাৰ কৰা হয়। ইয়াৰ অর্থ হ'ল 'মই চিন্তা কৰোঁ বাবেই মই আছোঁ' অস্তিত্ব আছে। এইটোৱেই হ'ল অসন্দিগ্ধ সত্য যিটোক ভিত্তি কৰি ডেকার্টে নিজৰ দর্শন উদ্‌ঘাটন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। 'Cogito ergo sum'-এ ডেচকার্টিচৰ দর্শন অধ্যয়নৰ এক সুনির্দিষ্ট স্বতঃসিদ্ধ পাতনি বিন্দুৰ সৃষ্টি কৰিছে।

- ডেকার্ট্ৰৰ গাণিতিক পদ্ধতিটোকেই একমাত্ৰ দার্শনিক পদ্ধতি বুলি গ্ৰহণ কৰিব নোৱাৰি।
- কাণ্টৰ সমালোচনামূলক পদ্ধতিক কিন্তু সাধাৰণ অর্থৰ সমালোচনাবাদৰ সৈতে ৰিজাব পৰা নাযায়। কাৰণ, তেওঁৰ সমালোচনা জ্ঞানৰ মৌলিক ক্ষমতাৰ সাধাৰণ সমালোচনা নহয়। কাণ্টৰ সমালোচনামূলক পদ্ধতি কেৱল মাত্ৰ সমালোচনাই নহয়। ই হ'ল চিন্তাৰ এক উপায় অথবা অনুসন্ধানৰ এক পন্থা।
- কাণ্টৰ সমালোচনামূলক পদ্ধতিটো মৌলিক বিজ্ঞান, যেনে- ইউক্লিডৰ গণিত আৰু নিউটনৰ পদার্থ বিজ্ঞানৰ সত্য অনুমানৰ পৰা আৰম্ভ হৈ এই বিজ্ঞানবোৰে অপৰিহার্যভাৱে কি পূর্বানুমান কৰি লয় তাৰ অনুসন্ধানত সমাপ্ত হয়।
- কাণ্টে 'যদি' জ্ঞান আহৰণ কৰা সম্ভৱ বুলি প্ৰশ্ন কৰা নাছিল, 'কেনেকৈ' আৰু 'কিহেৰে' জ্ঞান আহৰণ কৰা সম্ভৱ বুলিহে প্ৰশ্ন কৰিছিল।
- কাণ্টাৰ মতে জ্ঞান সাংশ্লেষিক আনুমানিক বিচাৰৰ দ্বাৰাহে সম্ভৱ। কেৱল এনে বিচাৰতহে নিশ্চিতি সম্ভৱ। সাংশ্লেষিক বিচাৰে উপলব্ধ তথ্যবোৰত আলোকপাত কৰাৰ উপৰি বিধেয়ত নতুন উপাদান সংযোজিত কৰি মানুহৰ জ্ঞান প্ৰসাৰিত কৰে। তেওঁ এনে বিচাৰৰ অস্তিত্বক লৈ সম্পূর্ণ নিঃসন্দেহ আছিল। পদার্থ বিজ্ঞান, গণিত আৰু অধিবিদ্যাত এনে বিচাৰৰ উপস্থিতি ধৰা পেলোৱা হৈছে।
- কাণ্টে সার্বজনীন আৰু আৱশ্যকীয় জ্ঞানৰ অস্তিত্বক এক প্ৰতিষ্ঠিত সত্য বুলি মানি লৈছিল। সেয়েহে তেওঁ এনে জ্ঞান 'যদি' সম্ভৱ হয় বুলি কোৱা নাছিল। এনে জ্ঞান 'কেনেকৈ' সম্ভৱ সেয়াহে প্ৰশ্ন কৰিছিল। এনে জ্ঞানে যুক্তিসংগতভাৱে কি কথা পূর্বানুমান কৰে অথবা কিহৰ আভাস দিয়ে?
- কাণ্টে তেওঁৰ সমালোচনামূলক পদ্ধতিটোক অতীন্দ্ৰিয়বাদী পদ্ধতি বুলিও কৈছিল। তেওঁ সার্বজনীন আৰু আৱশ্যেকীয় অর্থত 'অতীন্দ্ৰিয়বাদী' অভিধাটো 'আনুমানিক' শব্দটোৰ সমার্থকৰূপে ব্যৱহাৰ কৰিছিল।
- জ্ঞানৰ যিকোনো শাখাৰ প্ৰয়োজনীয় পূর্বনুমানবোৰৰ অন্বেষণত কাণ্টৰ সমালোচনামূলক পদ্ধতিয়ে যথেষ্ঠ সহায় কৰে।

২.৭ অধিক জানিবলৈ

1) Rai, Chhaya. (1980) *Studies in Philosophical Methods*. Jabalpur. Publisher University of Jabalpur.
2) Thilly, Frank .(1949) *A History of Philosophy*. New York: Henry Holt and Company
3) Copleston, Frederick.(1963) *A History of Philosophy Volume IV*. New York. Image Books edition, New York
4) Masih, Y. (1990) *A Critical History of Modern Philosophy*. Delhi: Motilal Banarsidass.

২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ দার্শনিক পদ্ধতি অথবা দর্শন অধ্যায়নৰ প্রণালীবিদ্যা মানে হ'ল দর্শন কেনেকৈ অধ্যয়ন কৰিব লাগে সেই বিষয়ক অধ্যয়ন।

২ নং প্রশ্নৰ উত্তৰ ঃ স্পষ্টতা আৰু দ্ব্যর্থহীনতাই।

৩ নং প্রশ্নৰ উত্তৰ ঃ সংশয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ নহয়। কাণ্টৰ সমালোচনামূলক পদ্ধতিটো হ'ল চিন্তাৰ এক উপায় অথবা অনুসন্ধানৰ এক পন্থা।

৫ নং প্রশ্নৰ উত্তৰ ঃ জ্ঞানৰ 'আনুমানিক' আৱশ্যকীয় আৰু অপৰিহার্য চর্তৰ অভিধাটো।

২.৯ আৰ্হি প্রশ্ন

(ক) অতি চুটি প্রশ্ন-

প্রশ্ন নং ১ ঃ পদ্ধতি বুলিলে কি বুজে?

প্রশ্ন নং ২ ঃ দর্শন অধ্যয়নত গাণিতিক পদ্ধতিৰ কোনে প্রচলন ঘটাইছিল?

প্রশ্ন নং ৩ ঃ সংশয় বুলিলে কি বুজে?

প্রশ্ন নং ৪ ঃ অতীন্দ্রিয়বাদী পদ্ধতিৰ প্রৱর্তক কোন?

প্রশ্ন নং ৫ ঃ কাণ্টৰ সমালোচনামূলক পদ্ধতিয়ে কি অনুসন্ধান কৰে?

প্রশ্ন নং ৬ ঃ কাণ্টৰ সমালোচনামূলক পদ্ধতি সাধাৰণ সমালোচনাৰ সৈতে একেনে?

(খ) চুটি প্রশ্ন (১০০-১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ 'মই চিন্তা কৰোঁ বাবেই মই আছোঁ'- উক্তিটোৰ অর্থ কি?

প্রশ্ন নং ২ ঃ ডেচকার্টিচ কোন আছিল? দর্শনলৈ তেওঁৰ অৱদান কি?

প্রশ্ন নং ৩ ঃ সাংশ্লেষিক আনুমানিক বিচাৰ মানে কি? কাণ্টে এই বিচাৰ মানি লৈছিলনে? কিয়?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০- ৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ ডেচকার্টিচৰ দার্শনিক পদ্ধতিটো কি? আলোচনা কৰক।

প্রশ্ন নং ২ ঃ ডেচকার্টিচৰ দর্শনত থকা 'Cogito ergo sum'ৰ তাৎপর্য ব্যাখ্যা আৰু আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ কাণ্টৰ সমালোচনামূলক অথবা অতীন্দ্রিয়বাদী পদ্ধতিটো ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ জ্ঞানৰ স্বৰূপ আৰু প্ৰকাৰ ঃ "Knowing That" আৰু "Knowing How"

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ গিলবার্ট ৰাইলৰ জ্ঞানৰ বিশ্লেষণ

৩.৪ Knowing How আৰু Knowing That ঃ জ্ঞানৰ দুটা প্ৰকাৰ

৩.৫ Knowing That ৰ সম্বন্ধে Knowing How

৩.৬ সমালোচনামূলক মূল্যায়ন

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্ৰগতিৰ খতিয়ান

৩.১০ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য ঃ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জ্ঞান কি — তাৰ সংজ্ঞা দিবলৈ সক্ষম হ'ব,
- Knowing How আৰু Knowing That ৰ ৰূপত জ্ঞানক বিশ্লেষণ কৰিবলৈ সক্ষম হ'ব
- Knowing How আৰু Knowing That ৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- ৰাইলৰ জ্ঞানবিষয়ৰ সমালোচনামূলক আলোচনা কৰিবলৈ সক্ষম হ'ব।

৩.২ পৰিচয়

জ্ঞানৰ স্বৰূপ দার্শনিক অনুসন্ধানৰ ক্ষেত্ৰত সদায়েই প্ৰাথমিক বিষয় ৰূপে পৰিচিত হৈ আহিছে। দার্শনিক বিকাশৰ পৌৰাণিক কালৰ পৰা ধৰি ডেকার্ট, হিউম, শ্লক্ আদিৰ দৰে আধুনিক দার্শনিক সকলৰ কাললৈকে দার্শনিক আলোচনাই বিভিন্ন দৃষ্টিকোণৰ ফালৰ পৰা জ্ঞানৰ সংজ্ঞা দিয়া জ্ঞান বিজ্ঞানমূলক মতবাদসমূহৰ বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। যেতিয়াই জ্ঞানৰ সংজ্ঞা দিবলৈ চেষ্টা কৰা হৈছে, বহুতো দার্শনিকে জ্ঞানৰ সমান্তৰাল হিচাপে সম-তাৎপর্য্যৰ বিশ্বাসক নির্দ্দেশ কৰিছে। আটাইতকৈ ব্যাপক ভাৱে জ্ঞাত জ্ঞানৰ সংজ্ঞাটো হৈছে

'ন্যায্য ৰূপে প্ৰমাণিত সত্য বিশ্বাস'। এই সংজ্ঞাটোক এই সত্যতাৰে নিৰ্দ্দিষ্টকৰণ কৰা হৈছে যে জ্ঞান আৰু বিশ্বাস উভয়ৰে বিষয় এক আৰু একে। যেতিয়া কিবা এটাৰ বিষয়ে বিশ্বাসক সত্য হয় বুলি বোধ হয়, তেতিয়া ইয়াকে কোৱা হয় জ্ঞান। গতিকে, কিবা এটাক জ্ঞান বুলি কোৱা হয়, যেতিয়া আমি কি জানো, সি সত্য হয়। বিশ্বাসবোৰ, যি সাধাৰণভাৱে সত্য হ'ব পাৰে, তাক জ্ঞান হিচাপে গ্ৰহণ কৰিব পৰা নাযায়। জ্ঞান পৰ্য্যাপ্ত ভিত্তিৰ দ্বাৰা প্ৰমাণিত হ'বই লাগিব। যদি এই কথা দৃঢ়ভাৱে বিশ্বাস কৰা হয় যে 'মই' যাক পৰ্য্যাপ্ত ভিত্তি ৰূপে গ্ৰহণ কৰোঁ, তাৰ ওপৰত কিবা এটা সত্য হয়, মোৰ এই কথা তেতিয়া সচাঁ হ'ব যে 'মই' ইয়াক জানো।

৩.৩ গিল্‌বার্ট ৰাইলৰ জ্ঞানৰ বিশ্লেষণ

ফৰাচী বিশ্লেষণাত্মক দাৰ্শনিক, গিল্‌বার্ট ৰাইলে 'Know' — ক্ৰিয়াপদটোৰ এক কিছু বেলেগ ব্যাখ্যা আগবঢ়াইছে। পূৰ্বৰ অভিজ্ঞতাবাদী দাৰ্শনিকসকলৰ মতে 'Know' আৰু 'belief' এই দুটা মানসিক ঘটনাবোৰৰ বৰ্ণনাত্মক পদ, কিন্তু ৰাইলে্ পোষণ কৰে যে 'Know' শব্দটো কেৱল এক মানসিক অৱস্থাৰেই নাম নহয়। 'Know' আৰু 'belief' — ক্ৰিয়াপদ দুটাৰ সম্পূৰ্ণ বেলেগ স্বৰূপ আছে। 'Know' হৈছে এক ক্ষমতা বুজোৱা ক্ৰিয়াপদ আৰু 'belief' হৈছে এক প্ৰৱণতা বুজোৱা ক্ৰিয়াপদ। 'Belief' ধৰ্ম বিষয়ে উন্মত্ত বা আৱেগপ্ৰৱন হ'ব পাৰে। অভ্যাস (habit) ৰ দৰে বিশ্বাস (belief) ক দিব পাৰি কিন্তু ই জ্ঞানৰ ক্ষেত্ৰত সম্ভৱ নহয়। ধৰ্মানুৰাগ বা উপাসনাৰ দৰে সেইবোৰ অন্ধ, হ'ব পাৰে। কিন্তু আচলতে, এনেকুৱা ধৰনৰ বৈশিষ্ট্যবোৰ জ্ঞানত আৰোপ কৰিব নোৱাৰি। জ্ঞানৰ লক্ষ্য হৈছে শুদ্ধ সম্ভেদ লাভ কৰা, নিশ্চয়কৈ এনেধৰনেৰে ক্ৰিয়া নাইবা প্ৰতিক্ৰিয়া কৰাটো নহয়। জানিবলৈ (Know to) কিছুমান পদ্ধতি অনুসৰন কৰিব লাগে, কিন্তু বিশ্বাস কেতবোৰ প্ৰৱণতাৰ ওপৰতহে নিৰ্ভৰশীল।

জ্ঞান-বিজ্ঞানত তিনি প্ৰকাৰৰ জ্ঞানৰ বিষয়ে আলোচনা কৰা হৈছে —

(১) প্ৰথমটো শ্ৰেণীবিভাজন অনুসৰি জ্ঞান হৈছে ক্ষমতা; যেতিয়া আমি কওঁ যে মই গীতাৰ (guitar) ক জানো।

(২) দ্বিতীয়টো শ্ৰেণীবিভাজনৰ মতে জ্ঞান হৈছে সম্ভেদ; যেতিয়া আমি কওঁ মই আব্দুল কালামক জানো।

(৩) তৃতীয় অৰ্থত, জ্ঞান হৈছে ক্ৰিয়া; যেতিয়া আমি কওঁ যে গীতাৰ কেনেকৈ বজাৱ লাগে মই জানো।

ৰাইলে জ্ঞানক দুটা প্ৰকাৰত ভাগ কৰিছে — "Knowing How" আৰু "Knowing That"। তেওঁ দ্বাৰা আলোচিত শেষৰ দুটা জ্ঞানৰ প্ৰকাৰৰ সৈতে জড়িত। ৰাইলে তেওঁৰ গ্ৰন্থত "The Concept of Mind" (১৯৪৯) ৰ দ্বিতীয় পাঠ প্ৰৱন্ধ "Knowing How and Knowing That" — অত জ্ঞানৰ শ্ৰেণীবিভাজনৰ এক পুংখানুপুংখ বিশ্লেষণ আগবঢ়াইছে। মোটামোটিকৈ ক'বলৈ হ'লে, "Knowing That" হৈছে বচনাত্মক জ্ঞান,প্ৰকৃত

তথা তথ্যপূৰ্ণ জ্ঞান, যাক বচনৰ ৰূপত প্ৰকাশ কৰিব পাৰি। ই নীতি-নিয়ম আৰু আদৰ্শ প্ৰমাণৰো জ্ঞান, যাক অনুসৰণ কৰি বচনসমূহক প্ৰকাশ কৰা হয়। আনহাতে, "Knowing How" হৈছে কৌশলৰ জ্ঞান। এনে জ্ঞানক ব্যৱহাৰিক ক্ষেত্ৰত দেখিবলৈ পোৱা যায়। "Knowing How" মূলত বিজ্ঞ সম্পাদনৰ এক বিষয়। "Knowing How" ৰ উদাহৰণসমূহৰ কেইটামানক তলত দিয়াৰ দৰে আগবঢ়াব পাৰি —

(১) মই জানো কেনেকৈ এখন গাড়ী চলাব লাগে।

(২) মই জানো কেনেকৈ সাঁতুৰিব লাগে।

(৩) খুহুতীয়ালোকে জানে কেনেকৈ এটা কৌতুক ক'ব লাগে।

আকৌ, "Knowing That" — ৰ কেইটামান উদাহৰণ হৈছে —

(১) মই জানো যে দিল্লী ভাৰতৰ ৰাজধানী।

(২) মই জানো যে উদ্ভিদ জীয়াই থাকিবলৈ সালোক-সংশ্লেষণ আৱশ্যকীয়।

(৩) তেওঁ জানে যে মটৰ গাড়ীৰ ইঞ্জিন চলোৱাত এক বিশেষ মৌলিক নীতি জড়িত হৈ থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সত্য নে অসত্য লিখক ঃ

(ক) জ্ঞান আৰু বিশ্বাস এক আৰু একে।

(খ) ৰাছেলে জ্ঞানক "Knowing How" আৰু "Knowing That" এই দুই ভাগত বিভক্ত কৰিছে।

(গ) "Knowing That"— বচনাত্মক জ্ঞান।

প্ৰশ্ন নং ২ ঃ "The Concept of Mind" — গ্ৰন্থখনৰ লেখক কোন?

প্ৰশ্ন নং ৩ ঃ "Knowing How" — ৰ এটা উদাহৰন দিয়ক।

৩.৪ "Knowing How" আৰু "Knowing That" —জ্ঞানৰ দুটা পৃথক প্ৰকাৰঃ

"Knowing How" আৰু "Knowing That" — ৰ সংজ্ঞাৰ বিষয়ে জনাৰ পাছত এতিয়া আমি জ্ঞানৰ এই দুটা প্ৰকাৰৰ চাৰিওপিনে থকা যুক্তিসমূহৰ ওপৰত ধ্যান নিমগ্ন কৰিব পাৰিম। অভিজ্ঞতাবাদী দাৰ্শনিকসকলৰ মাজত এই দুই প্ৰকাৰৰ জ্ঞানৰ ক্ষেত্ৰত এক বাক বিতৰ্ক আছে। এই যুক্তি তৰ্ক দুটা কেন্দ্ৰস্থ বিষয়ৰ চাৰিওফালে প্ৰদক্ষিন কৰিছে। প্ৰথমটো হৈছে মান বা পৰিমান (degre) ৰ সন্দৰ্ভত, য'ত "Knowing How" "Knowing That" — ৰ পৰা স্বতন্ত্ৰ। আৰু দ্বিতীয়টো হৈছে "Knowing That" ৰ ওপৰত "Knowing How" ৰ প্ৰাধান্যতাৰ

সন্দৰ্ভত। "Knowing How" আৰু "Knowing That" যে পৰস্পৰ নিৰ্ভৰশীলৰ মতটো হৈছে যে কিবা এটা কাম কেনেকৈ কৰিব লাগে তাক জনাটো বচনাত্মক সত্যতাবোৰক জনাৰ দৰে, তাকে কোৱা হয় বৌদ্ধিকতাবাদ (Intellectualism)। আনহাতে, যিটো মতানুসৰি "Knowing How" আৰু "Knowing That" দুটা সম্পূৰ্ণ পৃথক জ্ঞানৰ প্ৰকাৰ আৰু "Knowing How" কোনটো উপায়েৰে "Knowing That" ৰ ওপৰত নিৰ্ভৰশীল নহয়, তাক কোৱা হয় বৌদ্ধিকতাবাদ বিৰোধী মতবাদ (Anti-Intellectualism)। গিলবার্ট ৰাইলে এইটো সমষ্টিৰ অন্তৰ্গত। ৰাইলে বৌদ্ধিকতাবাদীসকলৰ মতামতক সমালোচনা কৰিছে আৰু তাৰ বিৰুদ্ধে নিজা যুক্তি আগবঢ়াইছে।

"Knowing How"— ক "Knowing That" লৈ ৰূপান্তৰ কৰিবলৈ সদায়ে প্ৰচেষ্টা কৰি অহা হৈছে। যেতিয়া প্ৰাচীন দার্শনিকসকল নাইবা তথাকথিত বৌদ্ধিকতাবাদী "Knowing How" ক "Knowing That" লৈ ৰূপান্তৰ কৰিবলৈ দাবী কৰে, ৰাইলে দৃঢ়ভাৱে এই বিষয় বা প্ৰসঙ্গঁক অস্বীকাৰ কৰিছে আৰু পোষণ কৰিছে যে "Knowing How" ক "Knowing That" লৈ ৰূপান্তৰ কৰিব নোৱাৰি। এনে কৰিবলৈ কৰা যিকোনো প্ৰচেষ্টা এক দোষ (fallacy) ৰ সৃষ্টি কৰে, যাক কোৱা হয় "The Intellectualist degend"। ইয়াক প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্য ৰাইলে এজন দবা খেলুৰৈ (chess player) ৰ উদাহৰন দাঙি ধৰিছে। যদি "Knowing How" আৰু "Knowing That" — ক সমান, আৰু "Knowing How" ক "Knowing That" লৈ ৰূপান্তৰ হিচাপে ধৰা যায়, তেতিয়া দবাখেলৰ এজন মহান খেলুৰৈ (Grand master) এজন সাধাৰণক সম-কার্য্যদক্ষতাৰে দবা কেনেকৈ খেলিব লাগে, সেই কথা শিকাবলৈ সমর্থ্য হ'ব। কিন্তু প্ৰকৃততে ই সম্ভৰ নহয়। ৰচনাত্মক জ্ঞানৰ জৰিয়তে অনুসৰণ কৰিবলগীয়া নীতি নিয়মসমূহ তেওঁক কোৱাৰ দ্বাৰা কেৱল কিছুমান বস্তু বা বিষয়ৰ সঠিক ব্যৱহাৰিক জ্ঞানক পৰিবর্ত্তন কৰাটো সম্ভৰ নহয়। এজন ব্যক্তি যিজনে কৌতুক কেনেকৈ ক'ব লাগে জানে, তেওঁৰ কৌতুক কোৱাৰ লগত জড়িত নীতি নিয়মবোৰ জনাৰ কোনো আৱশ্যকতা নাথাকে। আকৌ, সাঁতুৰিব জনা ব্যক্তি এজনৰ বাবে সাঁতোৰৰ নিয়মবোৰ জনাৰ প্ৰয়োজন নাথাকে। সেয়েহে, ৰীতি-নীতি, মূল সূত্ৰ নাইবা আদর্শ প্ৰমাণৰ জ্ঞানে বুদ্ধিজনিত সম্পাদনক আগবঢ়াই নিয়াৰ প্ৰয়োজন নাথাকে। ই প্ৰতিষ্ঠা কৰে যে "Knowing How" ক "Knowing That" লৈ ৰূপান্তৰ কৰিব নোৱাৰি। অৱশ্যে ৰাইলে স্বীকৃতি দিয়ে যে "Knowing How" আৰু "Knowing That" ৰ মাজত বহুতো সাদৃশ্য আছে। কিন্তু উভয়ৰে মাজত বহুতো ভিন্নতাও আছে। সেইকাৰনে, ইহঁতক জ্ঞানৰ দুটা সম্পূৰ্ণ পৃথক প্ৰকাৰ বা উপায় হিচাপে স্বীকাৰ কৰা হয়।

৩.৫ "Knowing That" ৰ সম্পৰ্কে ওপৰত "Knowing How" ঃ

ৰাইলে প্ৰতিষ্ঠা কৰিবলৈ বিচৰা দ্বিতীয় বিষয় বা প্ৰসঙ্গঁটো হৈছে যে "Knowing

How" "Knowing That" অতকৈ প্ৰাথমিক (Primary)। "Knowing That" ৰ পৰা "Knowing How" — ৰ স্বতন্ত্ৰতাক ৰক্ষা কৰাৰ পিছত ৰাইলে প্ৰতিষ্ঠা কৰিব বিচৰা দ্বিতীয় প্ৰসঙ্গটো হৈছে যে "Knowing That" ৰ তুলনাত "Knowing How" বেছি মৌলিক। তেওঁ যুক্তি দৰ্শায় যে, "Knowing How" যাক পৰম্পৰাগত ভাৱে এক নিকৃষ্ট প্ৰক্ৰিয়া হিচাপে দেখা যায়, সি "Knowing That" তকৈ তৰ্কীয়ভাৱে পূৰ্বৰ। আমি যি কৰোঁ, তাৰ জৰিয়তেই ৰচনাত্মক সত্যতাবোৰক প্ৰকৃত ৰূপ দিয়া হয়। উদাহৰণস্বৰূপে ঃ- এজন ব্যক্তিয়ে মটৰ বাইক চলাব জানে এই জ্ঞান বাস্তৱায়িত হ'ব, যেতিয়া তেওঁ সচাঁকৈয়ে বাইক চলায়। এখন বাইক চলোৱাৰ সকলোবোৰ তথ্যসম্পৰ্কীয় জ্ঞান যেনেঃ হেণ্ডেল ধৰা সমতা ৰক্ষা কৰা, ভৰি মাৰি তাক সক্ৰিয় কৰা আদি সকলোৱে অনিবাৰ্য্যভাৱে প্ৰতিষ্ঠা নকৰে যে মানুহজনে বাইক চলাব জানে যেতিয়ালৈকে তেওঁ বাইকখনত নবহে আৰু তেওঁ সকলোবোৰ তথ্যভিত্তিক জ্ঞানক ব্যৱহাৰিক ক্ষেত্ৰত ৰূপায়ন নকৰে। ৰাইলে পোষণ কৰে যে বচনাত্মক জ্ঞানসমূহক ব্যৱহাৰিক ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ এক প্ৰকাৰৰ জ্ঞানৰ আৱশ্যক হয়, যি নিজে ৰচনাত্মক হ'ব নোৱাৰিব। বৌদ্ধিকতাবাদী সকলক সমালোচনা কৰি তেওঁ কয় যে ৰচনাত্মক জ্ঞানৰ ওপৰত সম্পাদন বা ক্ৰিয়াৰ প্ৰাধান্যতাক লক্ষ্য নকৰাকৈয়ে বৌদ্ধিকতাবাদীসকলে তেওঁলোকৰ মতবাদক পূৰ্বেই দখল কৰি থৈছে। ৰাইলে ডাঠি কয় যে 'জনা' (Know) টো এক ইচ্ছামূলক বা ক্ষমতা ক্ৰিয়া। এই কাৰণৰ বাবেই ই কেৱল প্ৰসঙ্গবোৰক সম্বাদ দিয়াই নহয়, বৰঞ্চ কিবা এটা সম্পাদন কৰাৰ ক্ষেত্ৰতো কাম কৰে। 'মই জানো' (I Know) এই অভিব্যক্তিৰ বৰ্ণনাত্মক ব্যৱহাৰতকৈ এক কৰণীয় ব্যৱহাৰহে আছে। অষ্টিন আৰু আয়াৰৰ দৰে বিশ্লেষণাত্মক দাৰ্শনিকসকলকো জ্ঞানৰ সেই একে অৰ্থকে সমৰ্থন কৰা দেখা যায়।

ৰাইলে যুক্তি দৰ্শায় যে এই কথা প্ৰয়োজনীয় নহয় যে আমাৰ বুদ্ধিজনিত অভ্যাসক আমাৰ যুক্তিৰ আভ্যন্তৰীন ব্যৱস্থা নাইবা অনুধ্যায়ী/ প্ৰতিফলন (reflecting) ৰ দ্বাৰা নিয়ন্ত্ৰন কৰা হয়। ৰাইলৰ মতে কেৱল এইটো ধাৰণাৰ ওপৰতে বৌদ্ধিকতাবাদীসকলৰ বিফলতা থকা দেখা যায়। আভ্যন্তৰীন তথ্যসমূহ চিন্তা নকৰাকৈয়ে নীতি-নিয়মবোৰ প্ৰায়ে প্ৰয়োগ কৰা হয়। এজন বাইক চালকৰ উদাহৰণটো পুনৰ উনুকিয়াই ৰাইলে যুক্তি দৰ্শায় যে "One does not revert to the laws of motion before riding a bike, but never the less one is able to propel oneself forward and maintain that motion whilst balalncing". ৰাইলে উল্লেখ কৰা আন এটা আমোদকজনক উদাহৰণ হৈছে চিগাৰেট খোৱা (smoking)। আনিক চিগাৰেটৰ সকলো বিধানমূলক সাৱধানবানী আৰু তাৰ নেতিবাচক পৰিণামবোৰ জনাৰ পাছতো এজন ব্যক্তিয়ে সত্যৰ বচনসমূহত উল্লেখিত যুক্তিবোৰক মানি নচলাকৈয়ে চিগাৰেট খায়। গতিকে, এইটো প্ৰতিষ্ঠিত হয় যে "Knowing How" (ব্যৱহাৰিক জ্ঞান), "Knowing That" (তথ্যভিত্তিক জ্ঞান) ৰ দ্বাৰা প্ৰভাৱান্বিত নহয়, তাৰ পৰিবৰ্ত্তে ই "Knowing That" অতকৈ ই পূৰ্ব।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃশুদ্ধ উত্তৰত (✓) চিহ্ন লগাওঁক

(ক) "Knowing How" সম্পাদন বাস্তৱিক বচনৰ বিষয়ে হয়।

(খ) ৰাইলে্ বোদ্ধিকতাবাদী/বিশ্লেষণাত্মক দাৰ্শনিক সকলক সমালোচনা কৰিছে।


(গ) ৰাইলৰ মতে, "Knowing That"; "Knowing How"অতকৈ পূৰ্বৰ/পাছৰ।

(ঘ) বৌদ্ধিকতাবাদীসকলে কৰা দোষটোক কোৱা হয় প্ৰবৰ্গৰ দোষ/ বৌদ্ধিকতাবাদীৰ আখ্যান।

প্ৰশ্ন নং ৫ ঃ"Knowing How" আৰু "Knowing That" ৰ সন্দৰ্ভত বৌদ্ধিকতাবাদী- সকলৰ মতামত কি?

৩.৬ সমালোচনামূলক মূল্যায়ন

সমসাময়িক বিশ্লেষণাত্মক দৰ্শনত বিভিন্ন দাৰ্শনিকসকলৰ দ্বাৰা "Knowing How" ৰ যে "Knowing That" অতকৈ প্ৰাধান্যতা অধিক Ryle ৰ সেই দাবী সমালোচিত হৈছে। ষ্টেন্লি, ৰ'জফিল্ড আৰু চাক্স আদিৰ দৰে দাৰ্শনিকসকললৈ যুক্তি দিয়ে যে ৰাইলৰ দাবী অৰ্থাৎ "Knowing How" সদায় "Knowing That" ৰ পৰা স্বতন্ত্ৰ আৰু প্ৰথমটো দ্বিতীয়তকৈ অধিক মৌলিক তাক সকলো পৰিস্থিতিতেই শুদ্ধ বুলি গ্ৰহন কৰিব নোৱাৰি। যদি ৰাইলে্ জোৰ দিয়ে যে "Knowing That" ৰ সত্যতা বা বাস্তৱিকতাৰ এক পূৰ্ব ক্ৰিয়াৰ দ্বাৰা পূৰ্ববৰ্ত্তী হোৱাৰ প্ৰয়োজনীয়তা আছে, তেন্তে, "Knowing How" ৰ এনেকুৱা সদৃশ প্ৰয়োজনীয়তা কিয় নাথাকিব তাক প্ৰতিষ্ঠা কৰিবলৈ কোনোধৰনৰ শক্তিশালী কাৰন বা যুক্তি নাথাকিব। 'চক্ৰকদোষ' (infinite regress), যিটোক ৰাইলে্ বৌদ্ধিকতাবাদীসকলৰ ক্ষেত্ৰত দাবী কৰিছে সেই একে দোষ ৰাইলৰ যুক্তিসমূহতো মুকলি হোৱা দেখা যায়।



চিন্তা-চৰ্চাকৰক ঃ ৩.১

ৰাইলৰ জ্ঞানৰ বিশ্লেষণ ৰাছেল্তকৈ কেনেকৈ বেলেগ আলোচনা কৰক।



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি "Knowing How" আৰু "Knowing That"·— হিচাপে ৰাইলৰ জ্ঞানৰ শ্ৰেণীবিভাজনৰ বিষয়ে আলোচনা কৰিলো। এতিয়া, তলত দিয়া দিশকেইটাৰ জৰিয়তে এই অধ্যায়টিৰ পুনৰ নিৰীক্ষন কৰোঁ আহক ঃ-

- জ্ঞান হৈছে ন্যায্য ৰূপে প্ৰমাণিত সত্য বিশ্বাস। জ্ঞান পৰ্য্যাপ্ত ভিত্তিৰ দ্বাৰা ন্যায্যতা প্ৰাপ্ত হ'বই লাগিব।
- গিল্‌বাৰ্ট ৰাইলে তেওঁৰ গ্ৰন্থ "The Concept of Mind" —অত জ্ঞানক "Knowing How" আৰু Knowing That" — এই দুই ভাগত বিভক্ত কৰিছে।
- বৌদ্ধিকতাবাদীসকলে এই দুই প্ৰকাৰৰ জ্ঞানক সমতুল্য ৰূপে দাবী কৰে।
- ৰাইল্‌ক বৌদ্ধিকতাবাদী বিৰোধী আখ্যা দিয়া হয়, কিয়নো তেওঁৰ মতে "Knowing How" আৰু Knowing That" জ্ঞানৰ দুটা পৃথক প্ৰকাৰ।
- "Knowing How" ক Knowing That" লৈ ৰূপান্তৰ কৰাৰ যিকোনো প্ৰচেষ্টাত "The Intellectualist" দোষৰ সৃষ্টি হয়।
- ৰাইলৰ মতে, "Knowing How" তৰ্কীয়ভাৱে Knowing That" ৰ পূৰ্ববৰ্ত্তী। বচনাত্মক সত্যতাবোৰ আমি যি কৰোঁ, তাৰ জৰিয়তে বাস্তৱায়িত হয়।



৩.৮ অধিক জানিবলৈ

১) Ryle. G. (1949). The Concept of Mind. U.K.Chicago university Press.

২) Chakravarty, D.K. (2000). Fundamental Questions of Epistemplogy and Metaphysics. New Delhi. Omsons Publi cation.

৩) Edward Paul (1962). Encyclopedia of Philosophy. N.Y



৩.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰঃ (ক) অসত্য
(খ) অসত্য
(গ) সত্য

২নং প্ৰশ্নৰ উত্তৰঃ গিল্‌বাৰ্ট ৰাইল

৩নং প্ৰশ্নৰ উত্তৰঃ "মই জানো কেনেকৈ এখন মটৰ গাড়ী চলাব লাগে।"

৪নং প্ৰশ্নৰ উত্তৰঃ (ক) সম্পাদন

(খ) বৌদ্ধিকতাবাদী

(গ) অনুবৰ্ত্তী

(ঘ) "The Intellectualist legend"

৫নং প্ৰশ্নৰ উত্তৰঃ বৌদ্ধিকতাবাদীসকলে পোষণ কৰে যে আৰু জ্ঞানৰ প্ৰকাৰ দুটা পৃথক নহয়, বৰঞ্চ জ্ঞানৰ নিৰ্ভৰশীল প্ৰকাৰ আৰু কিবা এটা কৰিবলৈ জনাটো কেৱল তাৰ লগত জড়িত বচনাত্মক সত্যতা জনা।

৩.১০ আৰ্হি প্ৰশ্ন ঃ

ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন১ঃ "Concept of Mind"- এই গ্ৰন্থখনৰ লেখক কোন।

প্ৰশ্ন২ঃ ৰাইলৰ মতে, জ্ঞানৰ প্ৰকাৰ দুটা কি কি?

প্ৰশ্ন৩ঃ "Knowing That " ৰ অৰ্থটো কি?

প্ৰশ্ন ৪ঃ "Knowing How " ৰ অৰ্থটো কি?

প্ৰশ্ন ৫ঃ " Intellectualist Legend " ৰ ভ্ৰান্তিটো কি?

খ) বস্তুধৰ্মী প্ৰশ্ন (১৫০ - ২০০ৰ ভিতৰত উত্তৰ দিব)

প্ৰশ্ন১ঃ উদাহৰণৰ সৈতে "Knowing How" আৰু "Knowing That" ৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিব)

প্ৰশ্ন ১ঃ "Knowing How , Knowing That অতকৈ অধিক মৌলিক। — ৰাইলৰ প্ৰসঙ্গঁত আলোচনা কৰক।

প্ৰশ্ন ২ঃ ৰাইলৰ জ্ঞানৰ শ্ৰেণীবিভাজনৰ বিষয়ে সমালোচনাসহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ জ্ঞানৰ স্বৰূপ আৰু প্ৰকাৰ ঃ পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞান

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪৩ পৰিচয়মূলক জ্ঞান

৪.৪ বৰ্ণনামূলক জ্ঞান

৪.৫ পৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ মাজত পাৰ্থক্য

৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৭ অধিক জানিবলৈ

৪.৮ অগ্ৰগতিৰ খতিয়ান

৪.৯ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জ্ঞানৰ সংজ্ঞা দিবলৈ সক্ষম হ'ব,
- পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনা মূলক জ্ঞান হিচাপে জ্ঞানৰ প্ৰকাৰসমূহক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- সম্বন্ধিত ধাৰণাবোৰৰ সৈতে ইয়াৰ সাদৃশ্যতা ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনা মূলক জ্ঞানৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিবলৈ সক্ষম হ'ব।

৪.২ পৰিচয়

এই অধ্যায়টিত আমি দুই প্ৰকাৰৰ জ্ঞান— "পৰিচয় মূলক জ্ঞান" (Knowledge by acquaintance) আৰু "বৰ্ণনা মূলক জ্ঞান" (Knowledge by description) ৰ বিষয়ে আলোচনা কৰিম। জ্ঞানৰ বিভিন্ন স্তৰসমূহ মনত ৰাখি জ্ঞানক দুটা প্ৰকাৰত বিভক্ত কৰা হৈছে ঃ- পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনা মূলক জ্ঞান। পাশ্চাত্য দৰ্শনত বাৰ্ট্ৰাণ্ড ৰাছেলৰ দ্বাৰা এই পাৰ্থক্যক এক নিৰ্দ্দিষ্ট ৰূপ বা আকাৰ দিয়া হৈছে। প্ৰকৃততে এই বিভাজন জৰ্জ বাৰ্কলিৰ দ্বাৰা উত্থাপিত ভাৱবাদৰ এক সমালোচনাত্মক প্ৰতিক্ৰিয়া ৰূপে উদয় হৈছে। দৰ্শনত জ্ঞানৰ স্বৰূপ আৰু প্ৰকাৰক বিভিন্ন দাৰ্শনিকে বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছিল, যাৰ ফলস্বৰূপে জ্ঞান সম্পৰ্কে বিভিন্ন শ্ৰেণীবিভাজনৰ উল্লেখ পোৱা যায়। দৰ্শনৰ আটাইতকৈ তাৎপৰ্য্যপূৰ্ণ বিভাগ জ্ঞান বিদ্যা

সদায় এনেধৰণৰ স্বৰূপৰ ব্যাখ্যা আৰু জ্ঞানৰ শ্ৰেণীবিভাজনৰ লগত জড়িত। আমি কি উপায়েৰে কিবা এটাক জানিব পাৰো; আমি ইয়াৰ পৰা কেনে প্ৰকাৰৰ জ্ঞান পাব পাৰো? 'মই জানো' (I know) — এই প্ৰকাশৰ অৰ্থ কি? এইবোৰ হৈছে কিছুমান বিষয়, যাৰ সৈতে জ্ঞান-বিজ্ঞান জড়িত হৈ থাকে। জ্ঞানৰ স্বৰূপক ব্যাখ্যা কৰাৰ ফলত আমি দেখোঁ যে জ্ঞান হৈছে জ্ঞাতা (knower) আৰু জ্ঞেয় (known) ৰ মাজৰ এক সম্বন্ধ। দৰ্শন জ্ঞেয়ৰ সমস্যা অথবা জ্ঞানৰ বস্তু বা সত্ত্বাৰ লগত জড়িত। সত্তাই নিজৰ অস্তিত্বৰ বাবে মনৰ ওপৰত নিৰ্ভৰশীল নে মনস্বতন্ত্ৰ ভাৱেই অস্তিত্বশীল এনে প্ৰশ্নৰ উত্তৰ দিবলৈ ই চেষ্টা কৰে। এই সমস্যাৰ উত্তৰ দিওঁতে সত্ত্বা সম্পৰ্কে দুই প্ৰকাৰৰ মতবাদৰ সৃষ্টি হোৱা দেখা যায় — বস্তুবাদ (Realism) আৰু ভাৱবাদ (Idealism)। ৰাছেলৰ জ্ঞানৰ শ্ৰেণীবিভাজন হৈছে বাৰ্কলিৰ ভাৱবাদৰ বিৰোদ্ধে তেওঁৰ সমালোচনাৰ বিকাশৰ এক নিদৰ্শন। বাৰ্কলিৰ ভাৱবাদে বাহ্যিক বস্তুসমূহৰ অস্তিত্বক অস্বীকাৰ কৰিছে আৰু সিহঁতক তেওঁ সীমিত মনৰ ধাৰণালৈ পৰিবৰ্ত্তন কৰিছে, যিয়ে সিহঁতক প্ৰত্যক্ষ কৰে। তেওঁ দাবী কৰে যে বাহ্যিক বস্তুবোৰ হৈছে কেতবোৰ স্থায়ী নীতি অনুসৰি আমাৰ সীমিত মনত ঈশ্বৰৰ দ্বাৰা সৃষ্ট সংবেদন। সেইবাবে ইয়াক আত্মগত ভাৱবাদ (subjective Idealism) বোলা হয়।

ৰাছেলৰ মতে, বাৰ্কলিৰ যুক্তি বস্তুগতভাৱে ভুল, যেতিয়া তেওঁ কয় যে যেতিয়াই আমি কিবা এটাক বোধ কৰোঁ বা ধাৰণা কৰোঁ, সি আমাৰ মনৰ মাজত থাকিবই লাগিব। যিকোনো বস্তুৰেই যেতিয়া কোনো ব্যৱহাৰিক গুৰুত্ব নাথাকে, তেতিয়া আমাৰ বাবে সি বৈধ নহয় এই কথা মানি চলিবলৈ কোনো কাৰণ থাকিব নোৱাৰে। এই কথা স্বীকাৰ কৰিবই লাগিব যে সকলোবোৰ বাস্তৱ বা সত্য, যাৰ তাত্বিক মহত্ব আছে, সি আমাৰ বাবে সমানে তাৎপয্যপূৰ্ণ। ৰাছেলৰ মতে, এইটো অসত্য যে আমি জানিব নোৱাৰো যে সকলোৰেই অস্তিত্ব আছে, যাক আমি নাজানো। জ্ঞানে কিবা এটা বস্তু বা বিষয়ৰ প্ৰত্যক্ষ অভিজ্ঞতাকে কেৱল নুবুজায়। ই পৰিসৰত সম্পূৰ্ণ ব্যাপক। ৰাছেলৰ মতে, "know" — শব্দটোক দুটা অৰ্থত ব্যৱহাৰ কৰা হয়।

(১) প্ৰথম অৰ্থত, "know" শব্দটোৰ অৰ্থ হৈছে বস্তুবোৰৰ প্ৰতি আমাৰ জ্ঞান, সেয়ে ইয়াক কোৱা হয় পৰিচয় মূলক জ্ঞান (knowledge by acquaintance)।

(২) দ্বিতীয় অৰ্থত, ই সেই অৰ্থক নিৰ্দ্দেশ কৰিব পাৰে, যি আমাৰ বিশ্বাস নাইবা প্ৰত্যয় (Conviction) ৰ প্ৰতি প্ৰয়োগ কৰিব পাৰি। শব্দটোৰ এই অৰ্থত আমি কিবা এটা ঘটনাক জানো। এনে প্ৰকাৰৰ জ্ঞানক কোৱা হয় সত্যতাৰ জ্ঞান। এই জ্ঞানক সেয়ে বৰ্ণনা মূলক জ্ঞান (Knowledge by description) ৰূপে ৰাছেলে উল্লেখ কৰিছে।

এই পাৰ্থক্যক ফৰাচী ভাষাত 'cannaitre' আৰু 'savoir' ৰ মাজৰ পাৰ্থক্য বোলা হয়।



অগ্ৰগতি নিৰীক্ষন

প্ৰশ্ন নং১ঃ কোনে জ্ঞানক 'পৰিচয় মূলক' আৰু বৰ্ণনা মূলক' জ্ঞানত শ্ৰেণী বিভাগ কৰিছে?

প্ৰশ্ন নং২ঃ পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনা মূলক জ্ঞানৰ পাৰ্থক্য সত্ত্বা সম্পৰ্কীয় কোনটো মতবাদৰ এক সমালোচনা ৰূপে উদ্ভৱ হৈছে?

৪.৩ পৰিচয় মূলক জ্ঞান

পৰিচয়ৰ মাজেৰে আহৰন কৰা জ্ঞান হৈছে সেই বোৰ য'ত সংবেদনৰ উপায় সমূহৰ জ্ঞান প্ৰত্যক্ষ ভাৱে পোৱা যায়। ইয়াত জ্ঞাতাই কেতবোৰ বস্তু যেনেঃ- ৰঙ, শব্দ, গোন্ধ, কঠিনতা, কোমলতা, সোৱাদ ইত্যাদিৰ প্ৰতি নিৰুপাধিক ভাৱে সচেতন হৈ উঠে। আনহাতে, বৰ্ণনা মূলক জ্ঞানত এক অনুমান বা ব্যাখ্যা নিহিত থাকে। পৰিচয় মূলক জ্ঞান সকলো ধৰণৰ অনুমান আৰু ব্যাখ্যাৰ পৰা মুক্ত। আমাৰ সংবেদনীয় অভিজ্ঞতাৰ দ্বাৰা জ্ঞান লাভ কৰিবলৈ ই এক পদ্ধতি। ৰাছেলে, আগবঢ়োৱা সংজ্ঞা হিচাপে পৰিচয় হৈছে প্ৰতিবেদন নাইবা বৰ্ণনাৰ বিপৰীত। ই কিছুমান বস্তুৰ প্ৰত্যক্ষ আৰু অভ্ৰান্ত বোধ। সত্যতাৰ সকলো জ্ঞান ভেঁটি হিচাপে পৰিচয়ৰ পৰাই আৰম্ভ হয়। আনকি সাৰ্বিকৰ প্ৰত্যেক জ্ঞানো পৰিচয়ৰ বিশেষ বিশেষ বস্তুবোৰৰ পৰা আৰম্ভ হয়। ইয়াত আমি বস্তুবোৰৰ কেতবোৰ খোলোচা বিৱৰণ পাব পাৰো, যাৰ সৈতে আমাৰ প্ৰত্যক্ষ পৰিচয় থাকিব পাৰে।

ৰাছেলৰ মতে, ইন্দ্ৰিয় সংবেদন অতি তাৎপৰ্য্য মূলক বস্তু, যাৰ সৈতে আমি পৰিচিত। এইবোৰ পৰিচয়মূলক জ্ঞানৰ আটাইতকৈ মনোমোহা আৰু পোণপটীয়া উদাহৰণ। কিন্তু, ইন্দ্ৰিয় সংবেদনে আমাক সেইবোৰ বস্তুৰ জ্ঞানৰ যোগান ধৰে, যিবোৰ আমাৰ বৰ্ত্তমান সংবেদনত উপস্থিত থাকে। সেয়ে, যিহেতু এই উপায়েৰে অতীতৰ জ্ঞানক জানিব নোৱাৰি, সেয়ে এই অৰ্থত জ্ঞান সীমাবদ্ধ হৈ পৰে। তেতিয়া ৰাছেলে ইন্দ্ৰিয় সংবেদন অতিক্ৰম কৰি আমি যে স্মৃতি (memory) ৰ সৈতে পৰিচিত হ'ব পাৰো, প্ৰথমে তাক ব্যাখ্যা কৰিবলৈ অগ্ৰসৰ হয়। অতীতত আমাৰ ইন্দ্ৰিয় সংবেদনত যিয়েই উপস্থিত থাকে, সেইবোৰ স্মৃতি ৰূপে মজুত থাকে আৰু আনকি অতীতৰ ঘটনা হ'লেও আমি এইবোৰ স্মৃতিক বৰ্ত্তমানৰ অভিজ্ঞতাৰ ৰূপত যেতিয়াই সিহঁতক স্মৰণ কৰোঁ, তেতিয়া ই প্ৰত্যক্ষ ৰূপে জানিব পাৰো। স্মৃতিৰ দ্বাৰা হোৱা এই অপৰোক্ষ জ্ঞান অতীতৰ লগত জড়িত আমাৰ সকলো জ্ঞানৰ উৎস। পৰিচয়ৰ দ্বিতীয় প্ৰকাৰটো হৈছে অন্তৰ দৃষ্টিমূলক পৰিচয় (acquaintance by introspection)। ই হৈছে আত্ম বিবেচনা শক্তি বা বোধ (self-consciousness), যাক আমি লাভ কৰোঁ তেতিয়া, যেতিয়া ইয়াৰ সৈতে আমাৰ অনুভৱ, ইচ্ছা, আকাংক্ষা, চিন্তা আদিৰ পৰিচয় ঘটে। এনেধৰণৰ পৰিচয়ক আত্ম বিবেচনাশক্তি বা চেতনা বোলা হয়, যিয়ে আমাক আমাৰ মানসিক অৱস্থা সমূহক জানিবলৈ সহায় কৰে।

সেয়ে, ৰাছেলে মত পোষণ কৰে যে আমাৰ বাহ্যিক ইন্দ্ৰিয় বোধে যোগান ধৰা সংবেদন চিন্তা, অনুভৱ, ইচ্ছা আদিৰ দৰে অন্তৰ দৃষ্টিৰ জৰিয়তে লাভ কৰা আন্তৰিক সংবেদন; স্মৃতিৰ জৰিয়তে অতীতৰ অভিজ্ঞতাৰ সৈতে আমাৰ পৰিচয় আদিৰ সৈতে চেতনাত পৰিচয়মূলক জ্ঞানে এক সামগ্ৰিক ৰূপত আমাৰ পৰিচয়ক আবৰি ৰাখে। বিশেষ সংবেদনীয় সামগ্ৰীৰ সৈতে আমাৰ পৰিচয়ক এফলীয়া কৰিও বিশেষৰ মাধ্যমেৰে গঠিত সামান্য নাইবা সাধাৰন ধাৰণাবোৰৰ সৈতেও আমাৰ পৰিচয় আছে। তথাপিও আমাৰ জনাৰ যি পদ্ধতি সি এনেধৰণৰ প্ৰত্যক্ষ পৰিচয়তেই কেৱল সীমাবদ্ধ নহয়। ইয়াৰ উৰ্দ্ধত আন এক প্ৰকাৰৰ জ্ঞান আছে, যাৰ ওপৰত ৰাছেলে অত্যাধিক গুৰুত্ব আৰোপ কৰিছে।



জানি থোৱা ভাল

ভাৰতীয় দৰ্শনৰ অন্তৰ্গত ন্যায় দাৰ্শনিক সম্প্ৰদায়ত জ্ঞানৰ এক সমান্তৰাল বিভাজন দেখিবলৈ পোৱা যায়। 'বৰ্ণনা মূলক জ্ঞান' আৰু 'পৰিচয় মূলক জ্ঞান' ৰ পাৰ্থক্যক ইয়াত 'নিৰ্বিকল্প প্ৰত্যক্ষ' আৰু সবিকল্প প্ৰত্যক্ষ'ৰ মাজৰ পাৰ্থক্য হিচাপে আগবঢ়োৱা হৈছে। ইয়াৰে প্ৰথমটো হৈছে নাম, ৰূপ আৰু কোনো বৈশিষ্ট্যৰ অবিহনে এক প্ৰত্যক্ষ সচেতনতা আৰু আনহাতে, পিছৰটো হৈছে নাম আৰু ৰূপৰ সৈতে সচেতনতা। প্ৰথমটো অৰ্থাৎ নিৰ্বিকল্প প্ৰত্যক্ষ হৈছে পূৰ্ব মীমাংসীত জ্ঞান (Pre-judgemental knowledge) আৰু পিছৰটো অৰ্থাৎ সবিকল্প প্ৰত্যক্ষ হৈছে মীমাংসীত জ্ঞান (judgemental knowledge)

৪.৪ বৰ্ণনা মূলক জ্ঞান

ৰাছেলে ইয়াত আন এক প্ৰকাৰৰ জ্ঞানৰ তাৎপৰ্য্যৰ কথা অংকণ কৰিছে, সেয়া হৈছে বৰ্ণনা মূলক জ্ঞান (Knowledge by description)। আনকি যদিও আমি পৰিচয় মূলক জ্ঞানৰ তাৎপৰ্য্য মূলক শাখাক আহৰণ কৰোঁ, আমি ইন্দ্ৰিয়জ বস্তুবোৰক পোনপটীয়াকৈ জানিবলৈ সক্ষম নহওঁ, তাৰ পৰিবৰ্ত্তে সংবেদনীয় সামগ্ৰীবোৰৰ সৈতে আমাৰ পৰিচয় ঘটে। আগলৈ পৰিচয় মূলক জ্ঞানে অন্তৰ দৃষ্টিৰ জৰিয়তে এজন ব্যক্তিৰ নিজস্ব জ্ঞানৰ যোগান ধৰে, কিন্তু আনৰ মানসিক অৱস্থাৰ জ্ঞান লাভ কৰাৰ পৰা ই আমাক বঞ্চিত কৰে। এনেবোৰ ক্ষেত্ৰত আমি বৰ্ণনা মূলক জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰোঁ, ই হৈছে জ্ঞান দ্বিতীয়টো শৃংখল। এই অৰ্থত জ্ঞানে আমাৰ ন্যায়িক অৱধাৰণ নাইবা আমাৰ বিশ্বাস আৰু দৃঢ় প্ৰত্যয়ক বুজায়। ইয়াক বেলেগ ধৰণেৰে সত্যতাৰ জ্ঞান হিচাপে বৰ্ণনা কৰা হয়। ৰাছেলে এক বিসঙ্গঁতি নথকাৰ ওপৰত জোৰ দিয়াৰ পৰিবৰ্ত্তে এটা

বস্তুৰ নিৰ্দ্দিষ্ট বৰ্ণনাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিছে, যিয়ে এটা বস্তুক বিশেষভাৱে নিৰ্দ্দেশ কৰে। এটা বৰ্ণনা নিৰ্দ্দিষ্ট হয় যেতিয়া ই এটা একক বস্তুক 'এনেধৰণৰ' হিচাপে সংজ্ঞা দিয়াৰ ক্ষেত্ৰত বুজায়। এই অৰ্থত বস্তুটোক আমি বৰ্ণনাৰ দ্বাৰা জানিব পাৰো আৰু কেতবোৰ সাধাৰণ নীতিৰ বলত এই বৰ্ণনাৰ উত্তৰ দি এটা বস্তুৰ অস্তিত্বক আমি পৰিচিত কেতবোৰ বস্তুৰ অস্তিত্ব পৰা অনুমান কৰিব পাৰো। সেয়ে সকলো নামবাচক পদে ঠাইৰ বৰ্ণনাক সাঙুৰি লয়, যি পুনৰ আমাৰ সৈতে পৰিচিত কেতবোৰ বিশেষ সংবেদনীয় সামগ্ৰীৰ পৰা আৰম্ভ হয়।

ৰাছেলৰ মতে, শব্দবোৰ, যিবোৰৰ সৈতে বস্তুবোৰক আমি নিৰ্দ্দেশ কৰো, সেইবোৰৰ লগত আমি পৰিচিত নহয়, তেনেবোৰ শব্দক পৰিচিত বস্তুৰ সৈতে সংযুক্ত কৰাৰ দ্বাৰা সংজ্ঞা প্ৰদান কৰিব পাৰো নাইবা তাক ব্যাখ্যা কৰিব পাৰো। তথাপি, ৰাছেলে ইয়াক জ্ঞানতকৈ অৱবোধ হিচাপেহে ব্যাখ্যা কৰিবলৈ প্ৰস্তাৱ কৰে। ৰাছেলৰ পৰিচয়মূলক মতবাদৰ বিৱৰণটোৱে তেওঁ এজন অভিজ্ঞতাবাদী দাৰ্শনিক ৰূপে অৱতাৰণ কৰাইছে। ৰাছেলৰ পৰিচয় মূলক নীতিটো হৈছে "প্ৰত্যেক বচন, যাক আমি বুজিব পাৰো, সি আমাৰ সৈতে পৰিচিত উপাদানসমূহৰ দ্বাৰা সামগ্ৰিকভাৱে গঠিত হ'বই লাগিব।" তথাপিও, প্ৰায় সকলোবোৰ জ্ঞানৰ ভিত্তি হিচাপে পৰিচিত হোৱাৰ পাছতো আনকি বৰ্ণনামূলক জ্ঞান অতি তাৎপৰ্য্যমূলক, যিহেতু ই আমাক জানিবলৈ সহায় কৰে আৰু নাম, বৈশিষ্ট্য, তাৎপৰ্য্য ইত্যাদি ৰূপে বস্তুৰ সৈতে সম্বন্ধীও বৰ্ণনাৰ লগত এক বিশেষ বস্তুক জানিবলৈ আনকো সহায় কৰে। ই আমাক কেতবোৰ বস্তু বা বিষয় সম্পৰ্কে কিছুমান সত্যতা লাভ কৰিবলৈ সহায় কৰে, যাক আমি কেতিয়াও অভিজ্ঞতাত পাব নোৱাৰো বৰঞ্চ এই সম্পৰ্কে আনৰ দ্বাৰা লাভ কৰা অৱধাৰণাৰ জৰিয়তে ইয়াক জানিব পৰা যায়। উদাহৰণস্বৰূপেঃ- মই কেতিয়াও চীনৰ সুউচ্চ প্ৰাচীৰ দেখা নাই কিন্তু মই সচাঁকৈ বিশ্বাস কৰোঁ যে ই আছে। এই জ্ঞান মই আনৰ কথাৰে জানিব পাৰিলো, যিজনৰ সেই বস্তুটোৰ লগত পৰিচয় আছে। ইয়ে হৈছে পৰিচিতৰ অবিহনে বৰ্ণনাৰ জৰিয়তে লাভ কৰা এক সত্য অৱধাৰণ নাইবা জ্ঞান। যেতিয়া কোনোৱে শব্দ ব্যৱহাৰ কৰি কিবা এটা ব্যাখ্যা কৰে, তেতিয়া শব্দ ব্যৱহাৰৰ লগত সিহঁতে এক অৰ্থও বহন কৰে। এই অৰ্থসমূহক পুনৰ এই শব্দবোৰৰ সৈতে সংযোগ কৰা হয়, পৰিচয় নাইবা প্ৰত্যক্ষ অভিজ্ঞতাৰ জৰিয়তে।

আগলৈ, বৰ্ণনা মূলক জ্ঞানৰ মূখ্য গুৰুত্ব হৈছে ই আমাক আমাৰ ব্যক্তিগত অভিজ্ঞতা আৰু কল্পনাৰ উদ্ধলৈ গতি কৰিবলৈ আৰু আনৰ মানসিক অৱস্থাৰ ব্যাখ্যা কৰিবলৈ অনুমতি দিয়ে। আনৰ মানসিক অৱস্থা, আমাৰ নিজস্ব অনুভূতি আকাংক্ষা আদিক প্ৰত্যক্ষ ভাৱে অভিজ্ঞতাত পোৱাৰ কোনো উপায় নাই। তথাপিও, ইয়াক বৰ্ণনামূলক জ্ঞানৰ জৰিয়তে অনুমান কৰিব পাৰি, যেতিয়া ইয়াক ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰা হয়। এইটো সম্ভৱ হয় কাৰণ বৰ্ণনামূলক জ্ঞান এক প্ৰকাৰ জ্ঞান (judgemental knowledge), যাক ভাষাত প্ৰকাশ কৰা হয়।

সেয়েহে, ৰাছেলে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল আৰু সম তাৎপৰ্য্যপূৰ্ণ ভাৱে জ্ঞানৰ এই দুটা স্তৰৰ কথা বা ব্যাখ্যা আগবঢ়াইছে।



চিন্তা-চৰ্চা কৰক ৪.১

ৰাছেলে কিদৰে বাৰ্কলিৰ আত্মগত ভাৱবাদৰ প্ৰতি এক সমালোচনাত্মক সমিধানৰ ৰূপত তেওঁৰ জ্ঞানৰ শ্ৰেণীবিভাজনক আগবঢ়াইছে?

৪.৫ পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনা মূলক জ্ঞানৰ মাজৰ সম্পৰ্ক

ৰাছেলৰ জ্ঞানৰ শ্ৰেণীবিভাজনক আমাৰ সত্যজ্ঞানৰ ভেঁটি স্বৰূপে পৰিচয়মূলক জ্ঞানৰ ৰূপত প্ৰকাশিত তেওঁ অভিজ্ঞতাবাদী আদৰ্শসমূহৰ বিস্তাৰন হিচাপে বুজিব লাগিব। এই প্ৰক্ৰিয়াত বৰ্ণনামূলক জ্ঞানে দ্বিতীয় স্তৰ হিচাপে স্থান লৈছে। ৰাছেলৰ দ্বাৰা নিৰ্দ্দিষ্টকৃত জ্ঞানৰ এই দুই প্ৰকাৰৰ মাজৰ সম্বন্ধক আমি তলত এনেদৰে আলোচনা কৰিছো —

(১) পৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞান সম্পূৰ্ণ পৃথক দুটা জ্ঞানৰ প্ৰকাৰ নহয়, বৰঞ্চ দুয়োকে জ্ঞানৰ দুটা স্তৰ হিচাপে নামাকৰণ কৰিব পাৰি। প্ৰথমটো সংবেদনীয় সামগ্ৰীসমূহৰ সৈতে এক পৰিচয় আৰু দ্বিতীয়টো নাম বৈশিষ্ট্য আদিযুক্ত কেতবোৰ বস্তু বা বিষয়ৰ জ্ঞান।

(২) পৰিচয় মূলক জ্ঞান সংবেদনীয় সামগ্ৰীৰ প্ৰত্যক্ষ জ্ঞান, আৰু বৰ্ণনা মূলক জ্ঞান পৰোক্ষ ইয়াৰ মাজত অনুমানৰ উপাদান নিহিত হৈ থাকে। ই প্ৰত্যক্ষ জ্ঞান নহয়, কিন্তু সংবেদনীয় সামগ্ৰীবোৰৰ সম্পৰ্কত কিবা এটাক বুজি পোৱা বা বোধজ্ঞান যাৰ সৈতে আমি ইতিমধ্যে পৰিচিত। ই কেৱল এজনৰ অভিজ্ঞতাতে উপস্থিত নাথাকে বৰঞ্চ জ্ঞানৰ এক বচনাত্মক প্ৰকাৰ হে। সেযে, ই পৰিচয় মূলক জ্ঞানৰ পৰা পৃথক।

(৩) পৰিচয় মূলক জ্ঞান হৈছে কেতবোৰ বস্তু, যি অস্তিত্বশীল তাৰ প্ৰত্যক্ষ আৰু অভ্ৰান্ত অনুভৱ বা ধাৰণা। আনহাতে, বৰ্ণনাত্মক জ্ঞানৰ বিষয়বস্তু অনিবাৰ্য্য ভাৱে অস্তিত্বশীল হোৱাৰ প্ৰয়োজন নাই। কিছুমান ক্ষেত্ৰত ই অস্তিত্বশীল নহবওঁ পাৰে।

(৪) এইটো মন কৰিবলগীয়া যে যেতিয়া পৰিচয় মূলক জ্ঞান, প্ৰত্যক্ষ জ্ঞান হোৱাৰ হেতু আন কোনো জ্ঞানৰ ওপৰত নিৰ্ভৰশীল নহয়, তেতিয়া আনহাতে বৰ্ণনা মূলক জ্ঞানে পৰিচয়ৰ ওপৰত নিৰ্ভৰ কৰে। ৰাছেলৰ মতে, "বৰ্ণনাক নিহিত কৰি বচনৰ বিশ্লেষণত মৌলিক নীতিটো হ'লঃ- প্ৰত্যেক বচন, যাক আমি বুজিব পাৰো, সি আমাৰ দ্বাৰা পৰিচিত উপাদানবোৰেৰে সামগ্ৰিকভাৱে গঠিত হ'বই লাগিব।" সেয়েহে বিশেষৰ প্ৰতি যিকোনো নিৰ্দ্দেশেই আমাৰ পৰিচিতৰ সৈতে কেতবোৰ বিশেষৰ নিৰ্দ্দেশক সাঙুৰি লয়। বৰ্ণনাৰ লগত জড়িত সকলো জ্ঞানক পৰিচয়ৰ লগত জড়িত জ্ঞানলৈ পৰিবৰ্ত্তণ কৰিব পাৰি।

(৫) বৰ্ণনামূলক জ্ঞানৰ আটাইতকৈ তাৎপৰ্য্যমূলক বৈশিষ্ট্য এয়ে যে ই আমাক আনৰ মানসিক অৱস্থাক জানিবলৈ অনুমতি দিয়ে। আন লোকৰ অনুভূতি আৰু উদ্বেগ আদিক বৰ্ণনামূলক জ্ঞানৰ জৰিয়তে অনুমান কৰিব পাৰি, যেতিয়া ইয়াক ভাষাৰ মাধ্যমেৰে প্ৰদান কৰা হয়। আনহাতে কিবা বস্তু বা বিষয়ৰ প্ৰত্যক্ষ জ্ঞান হোৱাৰ হেতু পৰিচয়মূলক জ্ঞানে আমাক আমাৰ নিজস্ব অভিজ্ঞতাৰ উৰ্দ্ধলৈ যাবলৈ অনুমতি নিদিয়ে।

ৰাছেলৰ দ্বাৰা আলোচিত এইবোৰেই হৈছে পৰিচয়মূলক জ্ঞান বৰ্ণনামূলক জ্ঞানৰ মাজৰ সাদৃশ্য ও বৈসাদৃশ্যক প্ৰকাশ কৰা কিছুমান গুৰুত্বপূৰ্ণ দিশ।



অগ্ৰগতি নিৰীক্ষন

প্ৰশ্ন নং ৩ঃ শুদ্ধ উত্তৰত (✓) চিন দিয়ক।

(ক) ৰাছেলৰ মতে পৰিচয়মূলক জ্ঞানে আমাক সংবেদনীয় সামগ্ৰী /ইন্দ্ৰিয়জ বস্তুৰ জ্ঞান দিয়ে।

(খ) বৰ্ণনামূলক জ্ঞান প্ৰত্যক্ষ /অনুমোদনমূলক জ্ঞান।

(গ) পৰিচয়মূলক জ্ঞানে আমাক বিশেষৰ/সাৰ্বিকৰ/উভয়ৰে জ্ঞানৰ যোগান ধৰে।

প্ৰশ্ন নং ৪ঃ পৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ মাজত যিকোনো দুটা পাৰ্থক্য উল্লেখ কৰক।



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি ৰাছেলৰ জ্ঞানৰ শ্ৰেণীবিভাজনক 'পৰিচয়মূলক জ্ঞান' আৰু 'বৰ্ণনামূলক জ্ঞান' ৰ ৰূপত আলোচনা কৰিলো। এতিয়া আমি তলত দিয়া প্ৰধান গুণকেইটাৰে ইয়াৰ পুনৰ্নিৰীক্ষন কৰোঁ আহঁক—

- ৰাছেলে দুটা মৌলিক বিষয়ৰ ভিত্তিত জ্ঞানৰ শ্ৰেণীবিভাজন কৰিছে — বস্তুৰ জ্ঞান আৰু সত্যতাৰ জ্ঞান।
- এই শ্ৰেণীবিভাজনটো বাৰ্কলিৰ আত্মগত ভাৱবাদৰ বিপৰীতে তেওঁৰ সমালোচনাত্মক সমিধান যিয়ে সকলো বস্তুকে মনৰ ভাৱ ধাৰণালৈ ৰূপান্তৰ কৰিছে।
- বস্তুৰ জ্ঞান সদায় বৰ্ণনাত্মক জ্ঞানেৰে অগ্ৰসৰ হয়।
- পৰিচয়মূলক জ্ঞান সকলো জ্ঞানৰে ভেঁটি হিচাপে কাম কৰে।
- পৰিচয়মূলক জ্ঞান প্ৰত্যক্ষ জ্ঞান হোৱাৰ পৰিবৰ্ত্তে বৰ্ণনামূলক জ্ঞানক নিঃসৰণ কৰা হয় নাইবা ই অনুমানমূলক জ্ঞান।

- বৰ্ণনামূলক জ্ঞান বচনাত্মক জ্ঞান, যিয়ে কোনো ব্যক্তিৰ বিশ্বাস আৰু পৰম্পৰা আদিক প্ৰকাশ কৰে।
- বৰ্ণনামূলক জ্ঞান ভেঁটি ৰূপে পৰিচয়মূলক জ্ঞানৰ ওপৰত নিৰ্ভৰশীল।

৪.৭ অধিক জানিবলৈ

১) Russell, B. (1984) The Problem of Philosophy. New Delhi; Oxford.

৪.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বাৰ্ট্ৰাণ্ড ৰাছেল

২নং প্ৰশ্নৰ উত্তৰ ঃ জৰ্জ বাৰ্কলিৰ আত্মগত ভাৱবাদ

৩নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সংবেদনীয় সামগ্ৰী

(খ) অনুমানমূলক

(গ) উভয়ে

৪নং প্ৰশ্নৰ উত্তৰ ঃপৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ মাজৰ পাৰ্থক্যক তলত দিয়া ধৰণৰ—

(ক) পৰিচয়মূলক জ্ঞান সংবেদনীয় সামগ্ৰীসমূহৰ প্ৰত্যক্ষ জ্ঞান আনহাতে বৰ্ণনামূলক জ্ঞানত অনুমানৰ উপাদান জড়িত হৈ থাকে। ই প্ৰত্যক্ষ জ্ঞান নহয়, বৰঞ্চ আমি ইতিমধ্যে পৰিচিত সামগ্ৰীসমূহৰ প্ৰসঙ্গঁত কিবা এটা বিষয় বা বস্তুৰ বোধ বা জ্ঞান।

(খ) প্ৰত্যক্ষ জ্ঞান হোৱা হেতু পৰিচয়মূলক জ্ঞানে আন কোনোধৰণৰ জ্ঞানৰ ওপৰত নিৰ্ভৰ নকৰে। কিন্তু বৰ্ণনামূলক জ্ঞান পৰিচয়ৰ ওপৰত নিৰ্ভৰশীল। বৰ্ণনাত্মক জ্ঞানৰ লগত জড়িত সকলো জ্ঞানকে পৰিচয়ৰ লগত জড়িত জ্ঞানৰ লগত জড়িত জ্ঞানলৈ ৰূপান্তৰ কৰিব পৰা যায়।

৪.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ জ্ঞান কি?

প্ৰশ্ন ২ঃ ৰাছেলে জ্ঞানৰ দুটা প্ৰকাৰ উল্লেখ কৰিছে। প্ৰকাৰ দুটা কি কি?

প্ৰশ্ন ৩ঃ কোনজন দাৰ্শনিকৰ ভাৱবাদী মতৰ সমালোচনা ৰূপে ৰাছেলে তেওঁ জ্ঞান সম্পৰ্কীয় আলোচনা আগবঢ়াইছে?

প্ৰশ্ন ৪ঃ বৰ্ণনামূলক জ্ঞানৰ ভেঁটি কি?

প্ৰশ্ন ৫ঃ ভাৰতীয় কোনটো দাৰ্শনিক সম্প্ৰদায়ত জ্ঞানৰ শ্ৰেণীবিভাজনক ৰাছেলৰ সমান্তৰালকৈ আলোচনা কৰা হৈছে?

(খ) চমু প্ৰশ্ন ঃ (১০০-১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ পৰিচয়মূলক জ্ঞান বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ বৰ্ণনামূলক জ্ঞান কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ চমুকৈ পৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ মাজৰ পাৰ্থক্য উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ বৰ্ণনামূলক জ্ঞানৰ আটাইতকৈ তাৎপৰ্য্যমূলক বৈশিষ্ট্যটো লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৩৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ পৰিচয়মূলক জ্ঞান সকলো প্ৰকাৰৰ জ্ঞানৰে ভেঁটি। ৰাছেলৰ প্ৰসঙ্গঁত আলোচনা কৰক।

প্ৰশ্ন ২ঃ বৰ্ণনামূলক জ্ঞানে আনৰ মনৰ অৱস্থাক জানিবলৈ আমাক সহায় কৰে। আলোচনা কৰক।

প্ৰশ্ন ৩ঃ পৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ মাজৰ পাৰ্থক্যসমূহ বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ গেটিয়াৰ সমস্যা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ গেটিয়াৰৰ সমস্যা

৫.৪ গেটিয়াৰ সমস্যাৰ প্রতি সঁহাৰি তথা প্রতিক্রিয়া

৫.৫ অধ্যায়টোৰ পৰা আমি কি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্রগতিৰ খতিয়ান

৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- গেটিয়াৰ সমস্যা কি? তাক জানিব পাৰিব,
- 'গেটিয়াৰ সমস্যা'টোৰ তাৎপর্য্যটোৰ বিষয়ে জানিব পাৰিব,
- 'গেটিয়াৰ সমস্যা'ৰ প্রতি সঁহাৰি জনাই দার্শনিকসকলে কিদৰে প্রতিক্রিয়া প্রকাশ কৰিছে তাক জানিব পাৰিব,
- জ্ঞান সম্বন্ধে এটা সর্বজনগ্রাহ্য সংজ্ঞা দাঙি ধৰিব পাৰিব।

৫.২ পৰিচয়

জ্ঞান সম্বন্ধে এটা সংজ্ঞা দাঙি ধৰাটো জ্ঞানমীমাংসা বা জ্ঞান-বিজ্ঞানৰ এটা মৌলিক সমস্যা। গ্রীক দর্সনত প্লেটোই শৃংখলাবদ্ধভাৱে এই সমস্যাটো সমাধান কৰাৰ প্রথম পদক্ষেপ গ্রহণ কৰিছিল। 'থিয়েটিটাচ্' গ্রন্থত এই সমস্যাটো গ্রহণ কৰি প্লেটোই জ্ঞান সম্বন্ধে গঠন কৰা সংজ্ঞাটো আছিল "true belief accompanied by a rational account is knowledge" (অংশঃ 201 ডি) অর্থাৎ যৌক্তিক প্রমাণ বিজৰিত সত্য বিশ্বাসেই জ্ঞান। প্রেটোই যদিও এই সংজ্ঞাটো গঠন কৰিছিল, তেওঁ ইয়াক গ্রহণ কৰা নাছিল। অৱশ্যে সমসাময়িক দর্শনত দুগৰাকী মহান দার্শনিক এ. জে. আয়াৰ আৰু আৰ. এম. চিজমে প্লেটোই গঠণ কৰা সংজ্ঞাটোৰ প্রণালীবদ্ধতাৰ দিশেৰেই আগবঢ়ায় দুটা পঋথক সংজ্ঞা। পৰৱর্ত্তী সময়ত প্লেটোৰ লগতে আয়াৰ, চিজম আদি দার্শনিকসকলে আগবঢ়োৱা এই আটাইকেইটা সংজ্ঞাকেই জ্ঞানৰ জে.টি.বি. সংজ্ঞাৰূপে আখ্যা দিয়া হয়। অতি সৰল ৰূপত এই জে.টি.বি. সংজ্ঞাটো তলৰ ধৰণে আগবঢ়াব পাৰি। যেনে—

"S ব্যক্তিজনে জানে যে P বচনটো সঁচা" যদি আৰু কেৱল যদি—

১। P বচনটো সঁচা,

২। S য়ে বিশ্বাস কৰে যে P বচনটো সঁচা, আৰু

৩। S য়ে P বচনটো সঁচা বুলি বিশ্বাস কৰাৰ ক্ষেত্ৰত উপযুক্ত প্ৰমাণ আছে।

ইয়াৰ অৰ্থ, যদি

১। P বচনচো "সঁচা",

২। S ব্যক্তিজনে "বিশ্বাস" কৰে যে P বচনটো সঁচা, আৰু

৩। P বচনটো সঁচা বুলি বিশ্বাস কৰাৰ ক্ষেত্ৰত S ব্যক্তিজনৰ উপযুক্ত "প্ৰমাণ" আছে তেন্তে ক'ব পাৰি যে "S ব্যক্তিজনে P বচনটো জানে"।

জ্ঞান সম্বন্ধীয় এই সংজ্ঞাটোত "বিশ্বাস", "সত্যতা" আৰু "প্ৰমানসিদ্ধতা"- এই তিনিটা চৰ্ত নিহিত হৈ থকা হেতুকে, সংজ্ঞাটোক উল্লেখিত তিনিটা চৰ্তৰ প্ৰথম বৰ্ণযুক্ত নাম "জে.টি.বি." (JTB) নামেৰে নামাংকন কৰা হৈছে। উল্লেখ্য যে প্লেটোৰ "থিয়েটিটাচ" প্ৰকাশৰ পৰাই ১৯৬৩ চনৰ জুন মাহত দাৰ্শনিক পত্ৰিকা "Analysis" ৰ ২৩ নং খন্দৰ ১২১-১২৩ পৃষ্ঠাত প্ৰকাশিত এটি প্ৰৱন্ধই উদ্ধৃত সংজ্ঞাটোৰ জ্ঞান-মীমাংসিক একচত্ৰিকা ধংস কৰি পেলায়। অৰ্থাৎ এগৰাকী আমেৰিকান দাৰ্শনিক এড্‌মাণ্ড এল. গেটিয়াৰৰ দ্বাৰা প্ৰকাশিত এটি সংক্ষিপ্ত প্ৰৱন্ধই জে.টি.বি. সংজ্ঞাটোৰ প্ৰতি প্ৰত্যাহ্বান ৰূপে থিয় দিয়ে। প্ৰৱন্ধটোত মাচাচুছেটচ আমহাৰ্টট বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ এমিৰিটাচ গেটিয়াৰে দুটা চিন্তা-জাগৃত প্ৰতিবাদী উদাহৰণ দাঙি ধৰি এয়া দেখুৱাবলৈ চেষ্টা কৰিছে যে কোনো এটা বচনে জে.টি.বি. সংজ্ঞাৰ তিনিওটা চৰ্ত পূৰ্ণ কৰা স্বত্বেও ব্যক্তি এগৰাকীক বচনটো 'জানে' বুলি ক'ব পৰা নাযায়। অৰ্থাৎ গেটিয়াৰে প্ৰৱন্ধটোত মন প্ৰকাশ কৰিছে যে যিহেতু এগৰাকী ব্যক্তিয়ে 'বিশ্বাস' কৰা এটা 'সত্য' বচন সম্বন্ধে উপযুক্ত 'প্ৰমানসিদ্ধতা' থকা সত্বেও ব্যক্তিজনক বচনটো 'জনা' বুলি ক'ব পৰা নাযায়; গতিকে জে.টি.বি. সংজ্ঞাটোৱে জ্ঞান সম্বন্ধে পৰ্য্যাপ্ত চৰ্ত আগবঢ়াবলৈ সক্ষম হোৱা নাই। প্ৰৱন্ধটোত গেটিয়াৰে সেয়েহে প্ৰশ্ন কৰিছে- "Is Justified True Belief Knowledge?" অৰ্থাৎ 'প্ৰমাণসিদ্ধ সঁচা বিশ্বাসেই জ্ঞাননে?'। গেটিয়াৰে প্ৰকাশ কৰা প্ৰৱন্ধটোত উত্থাপিত এই প্ৰশ্নটোৱে সৃষ্টি কৰা সমস্যাটোৱে পৰৱৰ্তী সময়ত দৰ্শন জগতত 'গেটিয়াৰৰ সমস্যা' ৰূপে জনাজাত হৈ পৰে।

৫.৩ গেটিয়াৰ সমস্যা

দৰ্শন জগতত আধুনিক দাৰ্শনিক সমালোচকসকলৰ অসন্তুষ্টিতা স্বতেও অধিকাংশ সমসাময়িক দাৰ্শনিকে জে.টি.বি. সংজ্ঞাটোক আদৰ্শ সংজ্ঞাৰূপেই গ্ৰহণ কৰা দেখা যায়, কিয়নো জ্ঞানৰ প্ৰকৃতি সম্বন্ধীয় যিকোনো আলোচনাৰ ক্ষেত্ৰত এই সংজ্ঞাটোৱেই বাট দেখুৱায়। কিন্তু, গেটিয়াৰৰ উদাহৰণ দুটাই এই সমস্যাৰ উদ্ৰেক ঘটায় যে জে.টি.বি. সংজ্ঞাই উদ্ধৃত কৰা চৰ্তকেইটাই জ্ঞানৰ সংজ্ঞা দাঙি ধৰাৰ ক্ষেত্ৰত পৰ্য্যাপ্তনে? গেটিয়াৰে আগবঢ়োৱা উদাহৰণ দুটা সেয়েহে এই

ক্ষেত্রত আলোচনা কৰাটো যুগুত। তেখেতে আগবঢ়োৱা উদাহৰণ দুটা সংক্ষিপ্তভাৱে তলৰ ধৰণে দাঙি ধৰিব পাৰি—

উদাহৰণ ১

জনচ্ আৰু স্মিথ নামৰ দুজন বন্ধুৱে এটা কোম্পানীৰ একেটা চাকৰিৰ বাবে সাক্ষাৎকাৰ দিবলৈ গ'ল। সাক্ষাৎকাৰ অনুস্থিত হোৱাৰ পিছত স্মিথে তলৰ বচনটো বিশ্বাসতে ল'লে যে-

(d) জনচ্য়েই সেই মানুহজন যিয়ে চাকৰিটো পাব আৰু জনচ্ৰ পকেটত দহটা মূদ্রা আছে।

ওপৰোক্ত বচনটো বিশ্বাসত লোৱাৰ ক্ষেত্রত স্মিথৰ ভিত্তি আছিল-

(১) কোম্পানীটোৰ মেনেজাৰজনে স্মিথক আশ্বাস দিছিল যে জনচ্য়েই চাকৰিটো পাব, আৰু

(২) দহ মিনিত পূর্বে স্মিথে জনচ্ৰ পকেটত দহটা মূদ্রা থকা কথাটোত নিশ্চয়তা লাভ কৰিছিল।

স্মিথে সেয়েহে (d) বচনটোৰ পৰা নি্ত তলৰ (e) বচনটো গ্রহম কৰিলে যে-

(e) যিজন ব্যক্তিয়ে চাকৰিটো পাব, তেওঁৰ পকেটত দহটা মূদ্রা আছে।

ওপৰোক্ত (d) বচনটোৰ ওপৰত ভিক্তি কৰিয়েই স্মিথে যিহেতু (e) বচনটো গ্রহণ কৰিলে, গতিকে কোৱা হৈছে যে (e) বচনটো বিশ্বাস কৰাৰ ক্ষেত্রত স্মিথৰ পর্য্যাপ্ত (Justification) প্রমাণ আছে। কিন্তু, পৰবর্তী পর্য্যায়ত গেটিয়াৰে তেখেতৰ উদাহৰণটোত আন দুটা চর্ত আৰোপ কৰিলে যে-

(৩) স্মিথৰ অজ্ঞাতে, জনচ্ৰ স্থানত স্মিথেই চাকৰিটো পালে, আৰু

(৪) স্মিথৰ অজ্ঞাতে, স্মিথৰ নিজৰ পকেটতে দহটা মূদ্রা আছে।

এই দুই চর্ত আৰোপ কৰি গেটিয়াৰে যুক্তি দর্শালে যে (e) বচনটো সম্পর্কে স্মিথৰ বিশ্বাসক কেতিয়াও জ্ঞান বুলি ক'বপৰা নাযায় বা স্মিথক (e) বচনটো 'জনা' বুলি ক'ব নোৱাৰি যদিওবা

ক) স্মিথে (e) বচনটোত বিশ্বাসী,

খ) (e) বচনটো সঁচা, তথা

গ) (e) বচনটো বিশ্বাসৰ ক্ষেত্রত স্মিথৰ উপযুক্ত প্রমান (Justification) আছে।

কাৰণ স্মিথৰ পকেটত থকা ১০ টা মূদ্রাৰ উপস্থিতিয়েহে (e) বচনটোক সত্য প্রতিপন্ন কৰে যিটো বিষয় সম্পর্কে স্মিথ অজ্ঞ; অন্যহাতে স্মিথে বিশ্বাস কৰিছিল যে (e) বচনটো সঁচা কিয়ানো জনচ্ৰ পকেটত ১০ টা মূদ্রা আছোক তেওঁ চাকৰিটো পাব বুলি ভুলভাৱে বিশ্বাস কৰিছিল।

উদাহৰণ ২

স্মিথৰ স্মৃতিয়ে যিমান দূৰলৈ ঢুকি পায় সেই অনুসৰি স্মিথৰ মনত পৰে যে তেওঁৰ বন্ধু জনচে অতীতৰ সকলো সময়ত যেতিয়াই গাড়ীৰ গৰাকী হয়, এখন ফর্ডৰেই গৰাকী হয় আৰু জনচে স্মিথক এখন ফর্ড গাড়ীতেই ফুৰাবলৈ লৈ যায়। এই কথাৰ ওপৰত ভিক্তি কৰিয়েই স্মিথে বিশ্বাসত ল'লে যে-

(F) জনচ্ এখন ফর্ড গাড়ীৰ গৰাকী।

এইফালে স্মিথৰ আন এগৰাকী বন্ধু ব্রাউন নিৰুদ্দিষ্ট আৰু ব্রাউন ক'ত আছে সেই সম্পর্কে স্মিথ অজ্ঞ। তথাপিও ব্রাউনৰ অৱস্থান সম্পর্কে তিনিখন ঠাই নির্বাচন কৰি স্মিথে তলৰ বচন তিনিটা গঠন কৰিলে-

(g) হয় জনচ্ এখন ফর্ডৰ গৰাকী অথবা ব্রাউন বষ্টনত আছে;

(h) হয় জনচ্ এখন ফর্ডৰ গৰাকী অথবা ব্রাউন বার্চিলোনাত আছে; আৰু

(i) হয় জনচ্ এখন ফর্ডৰ গৰাকী অথবা ব্রাউন ব্রেচ্ট-লিট' ভচ্কত আছে;

ওপৰোক্ত তিনিওটা বচনেই (f) বচনটোৰ পৰাই নিসৃত। কল্পনা কৰা হ'ল যে স্মিথে এই তিনিওটা বচন (f) ৰ পৰা নিসৃত হোৱাটো অনুভৱ কৰে আৰু (f) বচনটোৰ ওপৰত ভিত্তি কৰি এই তিনিওটা বচনেই গ্রহণ কৰে। তিনিওটা বচনেই স্মিথে (f) বচনটোৰ পৰাই অনুমান কৰিছে যিটো বচন বিশ্বাস কৰাৰ ক্ষেত্রত স্মিথৰ উপযুক্ত ভিত্তি আছে। গতিকে ক'ব পাৰি যে ওপৰোক্ত তিনিওটা বচনেই বিশ্বাস কৰাৰ ক্ষেত্রত স্মিথৰ উপযুক্ত প্রমাণ (Justification) আছে। কিন্তু স্মিথে অৱশ্যেই নাজানে তেওঁৰ বন্ধু ব্রাউন প্রকৃততে ক'ত আছে।

এতিয়া দুটা আন আন চর্ত কল্পনা কৰা হ'ল-

১। জনচ্ প্রকৃততে এখন ফর্ডৰ গৰাকী নহয় আৰু বর্তমান সময়ত তেওঁ এখন ভাড়ালৈ লোৱা গাড়ীহে চলাই আছে; আৰু

২। স্মিথৰ অজ্ঞাতে কাকতালীয়ভাৱে ব্রাউন বার্চিলোনাত আছে।

এই দুই চর্ত গ্রহন কৰি গেটিয়াৱে যুক্তি দর্শাইছে যে যদিওৱা উপৰোক্ত (h) বচনটো সত্য, স্মিথে (h) বচনটো বিশ্বাস কৰে তথা (h) বচনটো বিশ্বাস কৰাৰ ক্ষেত্রত স্মিথৰ উপযুক্ত প্রমাণ (Justification) আছে, তথাপিও স্মিথে প্রকৃততে (h) বচনটো নাজানে, কিয়নো স্মিথে (h) বচনটোৰ পূর্বগ অংশটোৰ সত্যতাৰ আধাৰতহে (h) ক সত্য বুলি গ্রহণ কৰে; কিন্তু (h) বচনটো প্রকৃতার্থত সত্য হৈছে (h) বচনটোৰ অনুগ অংঘটোৰ সত্যতাৰ বাবেহে যিটো তথ্য সম্পর্কে স্মিথ সম্পূর্ণ অজ্ঞ।

গতিকে, ওপৰোক্ত উদাহৰণ দুটাৰ আধাৰত গেটিয়াৱে এয়া দেখুৱাবলৈ চেষ্টা কৰিছে যে জে.টি.বি. সংজ্ঞাৰ তিনিওটা চর্ত পূর্ণ কৰা স্বত্বেও ১ম উদাৰহণত স্মিথক (e) বচনটো আৰু ২য় উদাহৰণত (h) বচনটো 'জনা' বুলি ক'ব নোৱাৰি। ইয়াৰ অর্থ এয়েই যে জ্ঞানৰ সংজ্ঞা নিৰূপণৰ ক্ষেত্রত জে.টি.বি. মতবাদে দাঙি ধৰা চর্চ তিনিটা পর্য্যাপ্ত চর্ত হ'ব নোৱাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জে.টি.বি. মতবাদ বুলিলে কি বুজে?

প্রশ্ন নং ২ ঃ গেটিয়াৰ সমস্যা বুলিলে কি বুজে?

৫.৪ গেটিয়াৰ সমস্যাৰ প্ৰতি সহাঁৰি তথা প্ৰতিক্ৰিয়া

গেটিয়াৰে প্ৰক্ষেপ কৰা উদাৰহণ দুটাই জ্ঞানৰ জে.টি.বি. সংজ্ঞাৰ প্ৰতি যি ভাবুকিৰ সৃষ্টি কৰিলে, সেই সমস্যা সমাধানৰ অৰ্থে বিভিন্ন দাৰ্শনিকে ১৯৬৩ চনৰ পৰৱৰ্তী সময়ত বিভিন্ন ধৰণে 'গেটিয়াৰৰ সমস্যা'টো সমাধানৰ বাবে আগবাঢ়ি আহে। কিছুসংখ্যক দাৰ্শনিকে জে.টি.বি. সংজ্ঞাই উল্লেখ কৰা চৰ্ত তিনিটাৰ সৈতে এটা চতুৰ্থ চৰ্ত সংলগ্নৰে গেটিয়াৰৰ সমস্যাটো সমাধানৰ চেষ্টা কৰাৰ বিপৰীতে আন কিছুসংখ্যকে তেওঁলোকৰ নিজৰ দৃষ্টিভংগীৰে গেটিয়াৰ সমস্যাৰ সমাধানৰ প্ৰয়াস কৰা পৰিলক্ষিত হয়।

উদাহৰণস্বৰূপে, নৰমেন মেলকল্মে তেখেতৰ ''Knowledge and Belief'' প্ৰৱন্ধত 'সৱল' আৰু 'দুৰ্বল' নামেৰে দুই প্ৰকাৰৰ জ্ঞানৰ বিভাজনেৰে জে.টি.বি. সংজ্ঞাটোক ৰক্ষণাবেক্ষণ দিবলৈ প্ৰয়াস কৰা দেখা যায়। মেলকল্মৰ মতে কোনো এগৰাকী ব্যক্তিয়ে যেতিয়া P বচনটো জানো বুলি দাবী কৰে আৰু P বচনটো মিছা বুলি প্ৰতিপন্ন কৰিব পৰা কোনো প্ৰমান (evidence) লক্ষ্য নকৰে, তেতিয়া সেই ব্যক্তিজনে P বচনটোক 'সৱল' অৰ্থত জনা বুলি গন্য কৰিব পাৰে। ইয়াৰ বিপৰীতে যেতিয়া ব্যক্তিজনে P বচনটোক সত্য বুলি দাবী কৰিও তেওঁৰ দাবীৰ অগ্ৰাহ্যতাৰ সম্ভৱনাক নস্যাৎ নকৰে, তেতিয়া ব্যক্তিজনৰ P বচনটোক জনা বুলি কৰা দাবীক 'দূৰ্বল' অৰ্থৰ জ্ঞান বুলি অভিহিত কৰিব পাৰি। মেলকল্মে এনে দূৰ্বল প্ৰকাৰৰ জ্ঞানৰ উদ্ধৃতিৰে জে.টি.বি. সংজ্ঞাটোক ৰক্ষণাবেক্ষণ দিবলৈ প্ৰয়াক কৰিছে। অৱশ্যে, একেখন কাকততে মেলকল্মে এয়াও উল্লেখ কৰিছে যে ''Being confident is a necessary condition of knowing'' অৰ্থাৎ কোনো বিষয়ক 'জানো' বুলি কৰা দাবীৰ এটা অনিবাৰ্য্য চৰ্ত হৈছে বিষয়টো সম্পৰ্কে জ্ঞাতা 'নিশ্চিত' হ'ব লাগিব।

অন্যহাতে, কেইথ লেহৰাৰ আৰু থমাচ্ প্ৰেক্সন নামৰ দাৰ্শনিক দুজনে আকৌ ১৯৬৯ চনত যুটীয়াভাৱে প্ৰকাশ কৰে ''Knowledge:Undefeated Justified True Belief'' নামৰ প্ৰৱন্ধ এটা। গেটিয়াৰ সমস্যা সমাধান কল্পে জ্ঞানৰ সংজ্ঞা নিৰূপনৰ জটিলতা আঁতৰাবলৈ এওঁলোকে সংযেজিত কৰিব বিছাৰিলে এটা চতুৰ্থ চৰ্ত যাক ''JTB+G'' সম্বোধিত সংজ্ঞা বুলি অভিহিত কৰবি পাৰি। এই কাকতখনত এওঁলোকে জে.টি.বি. সংজ্ঞাৰ সৈতে সংযোজিত কৰিব বিচৰা চৰ্তটো হৈছে 'পৰাস্তকৰণ চৰ্ত' 'defeasibility condition)। সেই অনুসৰি এওঁলোকৰ গৱেষনাই নিৰ্ধাৰণ কৰা চতুৰ্থটো চৰ্তৰ সংযোগত নিৰ্ণিত হোৱা সংজ্ঞাটো হৈছে 'জ্ঞান হৈছে অপৰাজিত প্ৰমানেৰে সিদ্ধ সঁচা বিশ্বাস' (Knowledge is undefeated justified true belief)। অৰ্থাৎ কোনো এটা প্ৰমানসিদ্ধ সঁচা বিশ্বাসক জ্ঞান হিচাপে অভিহিত কৰিব পৰা যাব, যদি আৰু কেৱল যদি জ্ঞাতাৰ বিশ্বাসক অপ্ৰমান কৰিব পৰা কোনো সত্য বিষয় জ্ঞাতাৰ জ্ঞাত নহয়।

এলভিন গোল্ডমেন নামৰ দাৰ্শনিক এগৰাকীয়ে আকৌ ১৯৬৭ চনত তেখেতঁৰ প্ৰবন্ধ ''A Causal Theory of Knowing'' ত কাৰণিক চৰ্ত' (Causal Condition) ৰ প্ৰস্তাৱ আগবঢ়ায়ে। গোল্ডমেনে ভাৱিছিল যে কোনো এটা বচন সম্বন্ধে জ্ঞান লাভৰ ক্ষেত্ৰত 'বচনটোৰ

সত্যতা' আৰু 'জ্ঞাতাই বচনটোক সত্য বুলি বিশ্বাস কৰা'ৰ মাজত 'কাৰণিক সম্বন্ধ'ৰ অনুপস্থিতিয়েই গেটিয়াৰ সমস্যাৰ কাৰণ। গেটিয়াৰৰ চৰ্তটো উদাহৰণৰ প্ৰসংগ টানি আনি গোল্ডমেনে উল্লেখ কৰিছে যে এই উদাহৰণটোত (h) বচনটোৰ সত্যতাৰ মুল ভিত্তি হৈছে 'ব্ৰাউন বাৰ্চিলোনাত থকা'টো; কিন্তু (h) বচনটো সত্য বুলি বিশ্বাস কৰাৰ ক্ষেত্ৰত স্মিথৰ ভিত্তি সেয়া নাছিল। অন্যকথাত, (h) বচনটো সত্য বুলি স্মিথৰ যি বিশ্বাস, তাৰ সৈতে 'ব্ৰাউন বাৰ্চিলোনাত থকা' কথাটোৰ কোনো কাৰণিক সম্পৰ্ক নাই। গোল্ডমেনৰ মতে, জ্ঞান সম্পৰ্কীয় পৰম্পৰাগত বিশ্লেষণটোৰ সৈতে এই 'কাৰণিক সম্পৰ্ক'ৰ সংগঠন নিত্যান্তই আৱশ্যকীয়। কিন্তু 'যুক্তিযুক্ত' তথা 'অযুক্তিযুক্ত' কাৰ্য্যকাৰণিক সম্পৰ্কৰ পাৰ্থক্য নিৰূপনত জটিলতা অনুভৱ কৰি তেখেতে পৰৱৰ্তী সময়ত আন এখন কাকত প্ৰকাশ কৰে। "What is Justified Belief?" শীৰ্ষক ১৯৭৯ চনত প্ৰকাশিত গোল্ডমেনৰ এই কাকতখনে প্ৰকৃতাৰ্থত 'জ্ঞানমীমাংসিক প্ৰমানসিদ্ধতা' (epistemic justification) সম্পৰ্কে এটা মতবাদহে আগবঢ়ায় যি পৰৱৰ্তী সময়ত 'পদ্ধতিগত বিশ্বস্ততাবাদ' (Process Reliabilism) বুলি জনাজাত হৈ পৰে। অমাৰ্জিত পৰিভাষাত ক'বলৈ হ'লে এই মতবাদটোৱে এনে এক দৃষ্টীভংগী দাঙি ধৰে যে এটা বিশ্বাসক প্ৰমানসিদ্ধ বুলি ক'ব পৰা যায় তেতিয়া, যেতিয়া সেই বিশ্বাসটো এটা 'বিশ্বস্ত জ্ঞান পদ্ধতি'ৰ দ্বাৰা উৎপাদিত হয়। সেই অনুসাৰে, 'নিগমনাত্মক পদ্ধতি'ক যদি এটা বিশ্বস্ত জ্ঞান পদ্ধতি বুলি গন্য কৰিব পাৰি। কিন্তু, 'আকাংশাযুক্ত চিন্তা' (Wishful thinking) ক যিহেতু বিশ্বস্ত জ্ঞান পদ্ধতি বুলি গন্য কৰিব পৰা নাযায়, গতিকে এনে চিন্তাৰ দ্বাৰা কষ্ট বিশ্বাস এটাক প্ৰমানসিদ্ধৰূপে গন্য কৰিব পৰা নাযায়। অৱশ্যে তেখেতৰ এনে বিশ্লেষনেও যে আন কেতবোৰ সমস্যাৰ মুখামুখী হৈছিল, সেয়া তেখেতৰ সেই একেখন কাকতৰে শেষ অংশত পৰিস্ফুত হৈ পৰিছে।

এগৰাকী প্ৰখ্যাত আমেৰিকান দাৰ্শনিক ৰবাৰ্ট নজিকয়েও পৰম্পৰাগত সংজ্ঞাটোত নিহিত 'সত্য' আৰু 'বিশ্বাস' চৰ্ত দুটাৰ সৈতে আন আন দুটা চৰ্তৰ সংযোজনেৰে তলৰ ধৰণে ক্ষানৰ এটা সংজ্ঞা আগবঢ়োৱাৰ প্ৰয়াস কৰা দেখা যায়। যেনে—

'S যে জানে যে P' যদি আৰু কেৱল যদি, ১) P সত্য, ২) S যে P ক বিশ্বাস কৰে, ৩) যদি P মিছা, S যে P ক বিশ্বাস নকৰে, ৪) যদি P সত্য, S যে বিশ্বাস কৰে যে P।

অৱশ্যে নজিকে তেখেতৰ সংজ্ঞাৰ ৩য় আৰু ৪র্থ টো চৰ্তৰ মাজত কেতবোৰ ত্ৰুটি লক্ষ্য কৰি এই দুই চৰ্তক কিছু পৰিমার্জিত ৰূপত উপস্থাপন কৰিছে।

গেটিয়াৰৰ সমালোচনাৰ প্ৰতিক্ৰিয়া স্বৰূপে চিজমেয় তেওঁৰ ১৯৮৯ চনৰ লিখনিত জ্ঞানৰ ৪র্থ চৰ্ত সম্বলিত এটি সংজ্ঞা আগবঢ়ায়। চিজমে কৈছে,

"h বচনটো S ব্যক্তিজনে জানে" = সংজ্ঞা (১) h সঁচা; (২) S য়ে h ক গ্ৰহন কৰে; (৩) h বচনটো S ৰ বাবে সুস্পষ্ট বা প্ৰমানিত (evident): আৰু (৪) S ৰ বাবে যদি h বচনটো ত্ৰুটিপূৰ্ণ ভাৱে প্ৰমানিত, তেন্তে h বচনটো এনে কেতবোৰ বচনৰ সংযোজনে নিৰ্ধাৰণ বা নিসৃত কৰে যিবোৰ বচন S ৰ বাবে সুস্পষ্ট, কিন্তু ত্ৰুটিপূৰ্ণ ভাৱে প্ৰমানিত নহয়।

গতিকে, এয়া লক্ষনীয় যে সময়ে সময়ে দার্শনিকসকলে কেতবোৰ আৱশ্যকীয় আৰু পর্য্যাপ্ত চর্তৰ সংহতিৰে অথবা তেওঁলোকৰ নিজস্ব দৃষ্টীভংগীৰে জে.টি.বি. সংজ্ঞাটোৰ প্রতিৰক্ষাৰ প্রয়াস কৰিছে। কিন্তু, ইমানৰ পিচতো দার্শনিক সকলৰ প্রয়াসৰ বিপৰীতে কেতবোৰ নতুন নতুন গেটিয়াৰ ধর্মী উদাহৰণে তেওঁলোকৰ প্রয়াসক ব্যর্থ কৰি তুলিছে। গেটিয়াৰৰ সমস্যাৰ অভ্যুত্থানৰ পৰৱর্তী সময়চোৱাত দর্শন জগতত এই সমস্যাটো সন্দর্ভত যি পৰিৱেশৰ সূচনা হৈছিল তাৰ এক আভাস তলত দাঙি ধৰা হ'ল—

গেটিয়াৰৰ প্রৱন্ধটোত উপস্থাপিত তেখেতৰ দুয়োটা উদাহৰণেই তলৰ "ন্যার্য্যতাসূচক তত্ব" (Principle of Justification) টোৰ ওপৰত আধাৰিত। এই তত্বটো হৈছে—

"কোনো এটা P বচনৰ ক্ষেত্রত, যদি S ব্যক্তিজনে P বচনটো প্রমানসিদ্ধভাৱে বিশ্বাস কৰিবলৈ সক্ষম হয়, আৰু P বচনটোৱে Q বচনটোক নিসৃত কৰে, তথা S ব্যক্তিজনে Q বচনটো P বচনটোৰ পৰা নিসৰণ কৰাৰ উপৰি Q বচনটোক P ৰ পৰা নিসৰিত হোৱা হেতুকে গ্রহণ কৰে; তেন্তে S য়ে Q বচনটোকো প্রমানসিদ্ধতাৰে বিশ্বাস কৰিব পাৰে।" (গেটিয়াৰ, ১৯৬৩, পৃষ্ঠা, ১২১)

কিন্তু, আই. থেলবার্গ নামৰ দার্শনিক এগৰাকীয়ে ১৯৬৯ চনত এই তত্বটোৰ বিৰুদ্ধাচৰণ কৰে আৰু দাবী কৰে যে গেটিয়াৰৰ উদাহৰণ দুটা জে.টি.বি. সংজ্ঞাটোক খণ্ডন কৰাৰ বাবে পর্য্যাপ্ত নহয়। থেলবার্গে যুক্তি দর্শাইছে যে গেটিয়াৰৰ ১ম টো উদাহৰণত স্মিথৰ সাক্ষ্য বা প্রমান দুটা আছিল তলত উল্লেখিত 'অসম্বন্ধিত' অকক বচন দুটা—

(ক) 'জনচ্য়েই চাকৰিটো পাব', আৰু

(খ) 'জনচ্ৰ পকেটত দহটা মূদ্রা আছে'।

কিন্তু, গেটিয়াৰে (ক) আৰু (খ) বচন দুটাৰ সাক্ষ্য বা প্রমানৰ আধাৰত এই দুটা বচনৰ সংযোজনত সৃষ্ট (d) (অর্থাৎ 'জনচ্য়েই সেই মানুহজন যিয়ে চাকৰিটো পাব আৰু জনচ্ৰ পকেটত দহটা মূদ্রা আছে') বচনটো প্রমানসিদ্ধভাৱে বিশ্বাসযোগ্য বুলি তাৎক্ষনিক সিদ্ধান্ত গ্রহন কৰিছে। ইয়াৰোপৰি, গেটিয়াৰে যুক্তি দর্শাইছে যে যিহেতু (d) বচনটো স্মিথৰ বাবে এটা প্রমানসিদ্ধ বিশ্বাস, এতেকে (d) বচনটোৰ পৰা নিসৃত (e) বচনটোও স্মিথৰ বাবে এটা প্রমানসিদ্ধ বিশ্বাস। কিন্তু থেলবার্গয়ে যুক্তি দর্শাইছে যে কোনো এটা বচনক গ্রহণ কৰাৰ বাবে যি ভিক্তি বা প্রমান, সেই প্রমান প্রদত্ত বচনটোৱে নিসৃত কৰা আন এটা বচনৰ প্রামান্যতাৰ ভিক্তি হ'ব নোৱাৰে। অন্যকথাত, গেটিয়াৰ উদ্ধৃত "ন্যার্য্যতাসূচক তত্ব"টো অযৌক্তিক। সর্বোপৰি, (e) বচনটো যদিও বিভিন্ন ব্যক্তিবিশেষৰ ক্ষেত্রত সত্য হোৱাতো সম্ভৱ, (d) বচনটো সত্য হ'ব যদি আৰু কেৱল যদি স্মিথে চাকৰিটো লাভ কৰে তথা স্মিথৰ পকেটত দহটা মূদ্রা থাকে। গতিকে, গেটিয়াৰে তেখেতৰ উদাহৰণ দুটা আধাৰত জে.টি.বি. সংজ্ঞাটোক অগ্রাহ্য কৰিব বিচৰাটো গ্রহণযোগ্য হ'ব নোৱাৰে, কিয়নো থেলবার্গৰ মতে গেটিয়াৰৰ ২য় টো উদাহৰণো ১ম উদাহৰণটোৰ দৰেই অবিশ্বস্ত বা সন্দেহজনক।

জি. মেয়ার্চ আৰু কেন্নেথ ষ্টার্ন নামৰ দার্শনিক দুগৰাকীয়েও ১৯৭৩ চনত গেটিয়াৰৰ "ন্যার্য্যতাসূচক তত্ব"টোৰ সমালোচনাত মুখৰ হৈ কৈছে যে এই তত্বটোৱে ভূলভাৱে প্রমাতাক বংশানুক্রমিক গুনৰূপে অভিহিত কৰিছে। ১৯৭৮ চনত কেথাৰিন লয়ী নামৰ দার্শনিকগৰাকীয়ে আকৌ যুক্তি দর্শাইছে যে গেটিয়াৰৰ উদাহৰণ দুটা পৰম্পৰাগত জ্ঞানৰ সংজ্ঞাটোৰ বিৰূদ্ধে গ্রহনযোগ্য উদাহৰণেই নহয়, কিয়নো এই উদাহৰণ দুটাৰ ভিত্তিস্বৰূপ "ন্যার্য্যতাসূচক তত্ব"টোৱেই ভুল আৰু ই ভুল য'ত P বচনটো মিছা হয়।

অৱশ্যে, ৰিচার্ড ফেল্ডমেন নামৰ প্রখ্যাত দার্শনিক এগৰাকীয়ে মেয়াৰ আৰু ষ্টার্নৰ দৃষ্টিভংগীক অগ্রাহ্য কৰে। তেওঁৰ মতে এটা সত্য বচনেও যে অইন এটা বচনক প্রমানসিদ্ধৰূপে প্রতিস্থা কৰিব নোৱাৰে, সেয়া দেখুওৱাটো সম্ভৱ। গতিকে তেখেতে মন্তব্য কৰে যে মেয়াৰ-ষ্টার্ন উদ্ধৃত চর্তটোৰ পৰিপূর্ণতাইয়ো গেটিয়াৰৰ সমস্যাৰ দৰে অসুবিধা আতঁৰাবলৈ সক্ষম নহয়। গেটিয়াৰ সমস্যা প্রসংগত উত্থাপিত 'নগট-হাবিট উদাহৰণ'টোৰ কিছু সংশোধন কৰি ফেল্ডমেনে এয়া দেখুৱাবলৈ সক্ষম হৈছে যে—

"Even if a proposition can be justified for a person only if his evidence is true, or only if he knows it to be true, there are still counter-examples to the justified true belief analysis of knowledge of the Gettier sort." (Feldman, 1987, p. 266)

১৯৬৩ চনত মাইকেল ক্লার্ক আৰু ১৯৮৬ চনত জে.এল. পলক নামৰ দার্শনিক দুগৰাকীয়েও ফেল্ডমেনৰ দৰেই মত প্রকাশ কৰা দেখা যায়। ক্লার্কে যুক্তি দর্শাইছে যে কোনো এটা বিশ্বাস জ্ঞানৰ স্তৰলৈ উন্নীত হ'বলৈ হ'লে সেই বিশ্বসটো এক বা একাধিক কাৰণ (Ground) ৰ ওপৰত ভিত্তিশীল হ'ব লাগে; এনে ক্ষেত্রত সেই কাৰণটো বা কাৰণবোৰ পূনৰ অইন এইন কাৰণৰ ওপৰত নির্ভর্শীল হ'বলগীয়াও হ'ব পাৰে। যদি দেখা যায় যে প্রদত্ত বিশ্বাসটোৰ ভিত্তিস্বৰূপ এই কাৰণসমূহৰ কোনো এটা বা একাধিক কাৰণ মিছা হয়, তেন্তে সেই প্রদত্ত বিশ্বাসটোক কোনো ক্ষেত্রতেই জ্ঞান বুলি অভিহিত কৰিব পৰা নাযায়। গতিকে, ক্লার্কে মন্তব্য কৰিলে যে কোনো এটা বিশ্বাস জ্ঞানৰ স্তৰলৈ উন্নীত হ'বলৈ হ'লে সেই বিশ্বাসটোৰ ভিত্তিস্বৰূপ কাৰণসমূহৰ প্রতিটোৱেই সত্য হোৱাটো বাঞ্চনীয়; আৰু তেতিয়াহে প্রদত্ত বিশ্বাসটোক "পূর্ণৰূপে ভিত্তিশীল" (Fully Grounded) বুলি গ্রহণ কৰিব পাৰি। গতিকে , ক্লার্কৰ মতে জে.টি.বি. সংজ্ঞাৰ পূণৰ নির্মানৰ বাবে এটা চতুর্থ চর্ত আৰোপ কৰাটো অনিবার্য্য আৰু এই চতুর্থ চর্তটো হৈছে "S য়ে বিশ্বাস কৰা P বচনটো পূর্ণৰূপে ভিত্তিশীল"। ক্লার্কৰ দৃষ্টিত সেয়েহে ক'ব পাৰি যে—

'S ব্যক্তিজনে জানে যে P বচনটো সঁচা' যদি আৰু কেৱল যদি,

(ক) P সঁচা,

(খ) S য়ে বিশ্বাস কৰে যে P সঁচা,

(গ) S ৰ বাবে P বচনটো প্রমানসিদ্ধ, আৰু

(ঘ) S য়ে বিশ্বাস কৰা P বচনটো পূর্ণৰূপে ভিত্তিশীল।

ওপৰোক্ত এই চাৰিটা চর্তই একেলগে P বচনটোক জনাৰ বাবে প্রয়োজনীয় আৰু পর্য্যাপ্ত চর্ত বুলি ক্লার্কয়ে মন্তব্য কৰিছে। তেখেতে সেয়েহে কৈছে যে কোনো ঘটনাৰ ক্ষেত্রত যদি এই চাৰিওটা চর্ত মানি চলা হয়, তেন্তে সেই ঘটনাটোক এটা জ্ঞানৰ উদাহৰণৰূপে গন্য কৰিব পাৰি।

কিন্তু দূর্ভাগ্যজনক যে ১৯৬৪ চনত জন টার্ক সউন্দৰ আৰু নাৰায়ণ চম্পাৰট নামে দুগৰাকী দার্শনিকে ক্লার্কৰ মতক অগ্রাহ্য কৰে। গেটিয়াৰৰ ২য় টো উদাহৰণৰ কিছু পৰিবর্তন সাধন কৰি তেওঁলোকে দেখুৱায় যে ক্লার্ক উল্লেখিত চর্তসমূহৰ পূর্ণতাপ্রাপ্তিয়েও এটা ঘটনাক জ্ঞানৰ পর্য্যায়লৈ লৈ যাবলৈ অসমর্থ হ'ব পাৰে। তাৰোপৰি, অইন এটা উদাহৰণৰ সহায়েৰে তেওঁলোকে এয়াও দেখুৱাবলৈ সক্ষম হৈছে যে পূর্ণৰূপে ভিত্তিশীল নোহোৱাকৈও এটা বিশ্বাসে জ্ঞানৰ স্তৰলৈ উন্নীত হ'ব পাৰে। গতিকে তেওঁলোকে মন্তব্য আগবঢ়ালে যে জ্ঞান সম্বন্ধে ক্লার্কয়ে আগবঢ়োৱা সংজ্ঞাটোক এফালে যিদৰে 'অতি দুর্বল' বুলি গন্য কৰিব পাৰি, আনফালে 'অতি কঠোৰ' বুলিও ক'ব পাৰি।

গতিকে, এয়া লক্ষনীয় যে গেটিয়াৰ সমস্যা সমাধানৰ দিশত এগৰাকী দার্শনিকৰ প্রয়াস অইন এগৰাকী দার্শনিকৰ দ্বাৰা প্রত্যাখিত হৈছে। ইয়েই স্পষ্ট কৰে যে জ্ঞানমীমাংসাৰ ইতিহাসত এইপর্য্যন্ত 'গেটিয়াৰ সমস্যা'ৰ সমাধান কৰিবলৈ সক্ষম হোৱা কোনো দার্শনিক বিছাৰি পোৱা নাযায়। কোনোৱা দার্শনিকে যদি কোনো গেটিয়াৰ সদৃশ পৰিঘটনা সম্বলিত উদাহৰণত নিহিত সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছেও, তেনে প্রচেষ্টা পূণৰ প্রত্যাখিত হৈছে অইন অইন উদাহৰণৰ দ্বাৰা। ফলস্বৰূপে সৃষ্টি হৈছে জ্ঞান সম্বন্ধে নতুন সংজ্ঞাৰ অভাৱ। সেয়েহে এই আলোচনাত গেটিয়াৰ সমস্যা সমাধানৰ এনে প্রচেষ্টাক একাষৰীয়া কৰি এইয়া চাবলৈ প্রয়াস কৰা হৈছে যে এই সমস্যাটোক অইন ধৰণে বিশ্লেষণ কৰিব পাৰি নে নোৱাৰি।

ষ্টিফেন হেঠাৰিংটন নামৰ প্রখ্যাত দার্শনিক এগৰাকীয়ে যুক্তি আগবঢ়াইছে যে যদিও গেটিয়াৰ সমস্যা সম্পর্কে প্রচলিত বাখ্যাক আদর্শ (standard) বাখ্যা বুলি গন্য কৰা হয়, এই বাখ্যা পিছে বাধ্যতামূলক নহয় আৰু সত্য বাখ্যাও হ'ব নোৱাৰে। তেখেতে অৱশ্যে কৈছে যে জ্ঞানক যদি যিকোনো ক্ষেত্রতেই অভ্রান্ত (Infallible) হ'ব লাগিব বুলি মানি লোৱা হয়, তেন্তে ইয়াত কোনো বিবাদ থাকিব নোৱাৰে যে গেটিয়াৰৰ উদাহৰ্ দুটাত জ্ঞান অনুপস্থিত; কিন্তু, এই কথা যদি গ্রহণ কৰা হয় যে জ্ঞান সকলো ক্ষেত্রত অভ্রান্ত হোৱাটো জৰুৰী নহয়, তেন্তে এই উদাহৰণ কেইটাত জ্ঞান নিহিত হৈ আছে বুলি ক'ব পৰা যায়, যদিওবা সেই জ্ঞান সম্ভাব্য (Fallible) জ্ঞান। টেন্ট ডোহার্টিৰ পৰিভাষাত এনে সম্ভাব্য জ্ঞানক তলৰ ধৰণে বাখ্যা কৰিব পাৰি—

"S য়ে সম্ভৰ জানে যে P" = সংজ্ঞা, (i) S য়ে জানে যে P, কিন্তু (ii) P বচনটো জ্ঞানমীমাংসিক দৃষ্টিকোনৰ পৰা অসত্য হোৱাটো সম্ভৱ।

জিয়ানবো কাওঁ নামৰ আন এগৰাকী দার্শনিকে আকৌ মন্তব্য কৰিছে যে গেটিয়াৰৰ উদাহৰণ দুটাক সকলো দৃষ্টিভংগীৰেই তাৎপর্য্যপূর্ণ বুলি গ্রহণ কৰিব পৰা নাযায়। তেখেতে যুক্তি দর্শাইছে যে জে.টি.বি. সংজ্ঞাটো এটা প্রয়োজনীয় সংজ্ঞাও নহয় অথবা সকলো প্রকাৰৰ জ্ঞানক

সামৰি ল'ব পৰা সংজ্ঞাও নহয়। বৰং এই সংজ্ঞাটো হৈছে অভিজ্ঞতাৰ সৈতে বিজড়িত বাচনিক জ্ঞান সম্বন্ধীয় এটা সংজ্ঞাহে; গতিকে এই সংজ্ঞাটোৰ তাৎপর্য্যও কেৱল অভিজ্ঞতালব্ধ বাচনিক জ্ঞানৰ মাজতেই সীমাবদ্ধ। ইয়াৰোপৰি তেখেতে দেখুৱাই দিছে যে 'প্রাসংগিক' contextual) আৰু 'অ-প্রাসংগিক' (non-contextual) জ্ঞানৰ মাজত এটা প্রয়োজনীয় পার্থক্য আছে; অর্থাৎ প্রাসংগিক জ্ঞানৰ ক্ষেত্রত যেতিয়াই সেই জ্ঞানৰ সৈতে জড়িত জ্ঞাতাৰ প্রসংগ বা ভিত্তিসমূহ পৰিবর্ত্তিত হয়, ইয়াৰ সত্যমূল্য পৰিবর্তনশীল হোৱাটো স্বাভাৱিক। কাওঁয়ে মন্তব্য কৰিছে যে গেটিয়াৰে জ্ঞানৰ উদ্ধৃত এই দুই প্রকাৰৰ পার্থক্য অনুভৱ কৰিবলৈ অসমর্থ হৈছে আৰু সেয়েহে তেখেতে তেখেতৰ উদাহৰণ দুটাৰ মাজত এই দুই প্রকাৰৰ জ্ঞানৰ সমাহাৰেৰে বিভ্রান্তিৰ সৃষ্টি কৰিছে।

গতিকে, লক্ষ্য কৰিব পাৰি যে জ্ঞানমীমাংসাৰ ইতিহাসত উপৰোক্ত ধৰণৰ ব্যাখ্যাৰ দ্বাৰাও কিছু সংখ্যক দার্শনিকে গেটিয়াৰ সমস্যাৰ মুখামুখি হ'বলৈ প্রয়াস কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ঃ ৩ গেটিয়াৰৰ উদাহৰণ দুটাৰ ভিত্তিস্বৰূপ তত্ত্বটো কি?

.....

.....

প্রশ্ন নং ঃ ৪ গেটিয়াৰৰ পৰবর্তী সময়ৰ দার্শনিক সকলে আগবঢ়োৱা আন যিকোনো দুটা সংজ্ঞা আগবঢ়াওক

.....

.....

প্রশ্ন নং ঃ ৫ মাইকেল ক্লার্কৰ সংজ্ঞাত নিহিত "পূর্ণৰূপে ভিত্তিশীল" ধাৰণাটোৰ অর্থ লিখক।

.....

.....

প্রশ্ন নং ঃ ৬ গেটিয়াৰৰ উদাহৰণ দুটাৰ সম্পর্কত ষ্টিফেন হেঠাৰিংটনৰ দৃষ্টিভংগী কি?

.....

.....

প্রশ্ন নং ঃ ৭ গেটিয়াৰৰ উদাহৰণ দুটা প্রসংগত জিয়ানবো কাওঁয়ে আগবঢ়োৱা দুটা সমালোচনা লিখক।

.....

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলো

- গেটিয়াৰ সমস্যাটো মুলতঃ জ্ঞানৰ জে.টি.বি. সংজ্ঞাৰ সৈতে জড়িত এটা সমস্যা।
- প্লেটোৰ 'থিয়েটিটাচ্' গ্ৰন্থই মূলতঃ 'জ্ঞান কি ?' এই প্ৰশ্নটোৰ উত্তৰ দিয়াৰ প্ৰয়াস কৰে বাবে এই সমস্যাটোক 'থিয়েটিটাচ্ৰ সমস্যা' বুলি কোৱা হয়।
- জ্ঞানৰ যিটো সংজ্ঞাই "বিশ্বাস", "সত্যতা" আৰু "প্ৰমানসিদ্ধতা" চৰ্ত তিনিটাক প্ৰয়োজনীয় আৰু পৰ্য্যাপ্ত চৰ্ত বুলি গন্য কৰে সেই সংজ্ঞাটোকেই জে.টি.বি. সংজ্ঞা বুলি কোৱা হয়। এই সংজ্ঞাটোৰ মতে, 'জ্ঞান প্ৰমানসিদ্ধ সঁচা বিশ্বাস'। "Is Justified True Belief Knowledge?" শীৰ্ষক প্ৰবন্ধটোৰ দ্বাৰাই গেটিয়াৰে ১৯৬৩ চনলৈ কাৰ্য্যকৰী হৈ থকা জে.টি.বি. সংজ্ঞাটোৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰে।
- সমসাময়িক সময়ত জে.টি.বি. সংজ্ঞাটোক জ্ঞান সম্বন্ধীয় এটা আদৰ্শ সংজ্ঞাৰূপে জনা যায়। এই সংজ্ঞাটোকে জ্ঞানৰ পৰম্পৰাগত সংজ্ঞা বা জ্ঞান সম্বন্ধীয় ত্ৰিমাত্ৰিক মতবাদ বুলি কোৱা হয়।
- 'গেটিয়াৰ সমস্যা' সম্পৰ্কে মূলত দুই ধৰণৰ প্ৰতিক্ৰিয়া লক্ষনীয়। ইয়াৰে প্ৰথমটো প্ৰতিক্ৰিয়াত দাৰ্শনিকসকলে জে.টি.বি. সংজ্ঞাই উল্লেখ কৰা চৰ্ত তিনিটাৰ সৈতে এটা চতুৰ্থ চৰ্ত সংলগ্নৰে গেটিয়াৰৰ সমস্যাটো সমাধান কৰাৰ চেষ্টা কৰাৰ বিপৰীতে দ্বীতিয়টো প্ৰতিক্ৰিয়াত দাৰ্শনিকসকলে জ্ঞানৰ পৰম্পৰাগত সংজ্ঞাটোৰ এক বা একাধিক চৰ্তৰ পৰিবৰ্তন সাধন কৰা দেখা যায়। অৱশ্যে, ষ্টিফেন হেঠাৰিংটনৰ দৰে কিছুসংখ্যক দাৰ্শনিকে গেটিয়াৰৰ উদাহৰণ কেইটাৰ অনাদৰ্শিক বা অগতানুগতিক ব্যাখ্যাৰ মাধ্যমেৰেও সমস্যাটো সমাধানৰ প্ৰয়াস কৰা দেখা যায়।
- নৰমেন মেল্কল্মে 'দুৰ্বল' প্ৰকাৰৰ জ্ঞানৰ উদ্ধৃতিৰে জে.টি.বি সংজ্ঞাটোক গেটিয়াৰৰ আক্ৰমনৰ পৰা ৰক্ষা কৰিব বিচাৰিছে। মেল্কল্মৰ মতে 'দুৰ্বল' পাৰকাৰৰ জ্ঞান হৈছে সেইটো য'ত এজন ব্যক্তিয়ে P বচনটোক সত্য বুলি দাবী কৰিও তেওঁৰ দাবীৰ অগ্ৰাহ্যতাৰ সম্ভাৱনাক নস্যাৎ নকৰে।
- 'গেটিয়াৰ সমস্যা'ৰ প্ৰতিক্ৰিয়া স্বৰূপে কেইথ লেহৰাৰ আৰু থমাচ্ পেক্সন নামৰ দাৰ্শনিক দুজনে জ্ঞানক 'অপৰাজিত প্ৰমানসিদ্ধ সঁচা বিশ্বাস' বুলি সংজ্ঞা দিছে।
- জে.টি.বি. সংজ্ঞাৰ সৈতে 'কাৰণিক চৰ্ত' (Causal Condition) ৰ সংযোজনেৰে গোল্ডমেনে 'গেটিয়াৰ সমস্যা' সমাধানৰ প্ৰথম প্ৰয়াস কৰে যদিও তেখেতৰ পৰবৰ্তী প্ৰচেষ্টাত এই সমস্যাটো সমাধানৰ বাবে 'বিশ্বস্ততা'ক এটা চৰ্ত ৰূপে গন্য কৰাটো পৰিলক্ষিত হয়।
- গেটিয়াৰৰ আক্ৰমনৰ প্ৰত্যুত্তৰ স্বৰূপে চিজমেয় তেখেতৰ পৰবৰ্তী লিখনিত জ্ঞানৰ ৪র্থ চৰ্ত আৰোপত গুৰুত্ব প্ৰদান কৰে।

- গেটিয়াৰৰ দুয়োটা উদাহৰণেই "ন্যায্যতাসূচক তত্ত্ব" (Principle of Justification) টোৰ ওপৰত নির্ভৰশীল। এই তত্ত্বটো অনুসৰি কোনো এটা বচনৰ গ্রহণযোগ্যতাৰ 'ভিত্তি'টো প্রদত্ত বচনটোৰে নিসৃত কৰা অন্য এটা বচনৰো ভিত্তি হ'ব পাৰে। কিন্তু, থেলবার্গ নামৰ দার্শনিক এগৰাকীয়ে এই তত্ত্বটোক অগ্রাহ্য কৰি কৈছে যে এটা বচনৰ গ্রহনযোগ্যতাৰ 'ভিত্তি'টো প্রদত্ত বচনটোৰে নিসৃত কৰা অন্য কোনো বচনৰ ভিত্তি হ'ব নোৱাৰে। এনে এটা দৃষ্টীভংগীয়েই জি.মেয়ার্চ আৰু কেন্নেথ ষ্টার্নয়েও গ্রহন কৰিছে।
- জে.টি.বি. সংজ্ঞাটোক পূণৰ নির্মান কৰিবলৈ গৈ মাইকেল ক্লার্কয়েও জে.টি.বি. সংজ্ঞাটোৰ চর্ত তিনিটাৰ সৈতে এটা চতুর্থ চর্তৰ সংযোজন ঘটাইছে। তেখেতৰ এই চতুর্থ চর্তটো হৈছে "S য়ে বিশ্বাস কৰা P বচনটো পূর্ণৰূপে ভিত্তিশীল"।
- জন টার্ক সউন্দৰ আৰু নাৰায়ণ চম্পাৰট নামে দুগৰাকী দার্শনিকে ক্লার্কৰ সংজ্ঞাটোক প্রত্যাখ্যান কৰে।

৫.৬ অধিক জানিবলৈ

1) Cao, J (2006). A Critique to the Significance of Gettier Counter-Examples. Frontiers of Philosophy in China, Vol. 1 (No. 4), pp. 675-687.

2) Chisholm, R.M. (1987). Knowledge as Justified True Belief. In P.K. 3) Moser, & A.v. Nat, Human Knowledge (pp. 266-269). New York, USA: Oxford University Press, Inc.

4) Chisholm, R.M. (1989/1994). Theory of Knowledge (3rd ed.). New Delhi, India: Prentice Hall of India Private Limited.

5) Clark, M. (1963). Knowledge and Grounds: A Comment on Mr. Gettier's Paper. Analysis, Vol. 24 (No. 2), pp. 46-48.

6) Dougherty. T. (2011). Fallibilism. In S. Bernecker, & D. Pritchard (Eds.),

7) The Routledge Companion to Epistemology (pp.131-143). London, UK: Routledge.

8) Reldman, R. (1987). An Alleged Defect in Gettier Counter-Examples. In P.K. Moser, & A. v. Nat, Human Knowledge: Classical and Contemporary Approaches (pp. 265-266). Now Your, USA: Oxford University Press.

9) Gettier, E.L. (1963). Is justified True belief knowledge? Analysis, Vol. 23 (No. 6), pp. 121-123.

10) Goldman, A. I. (1967). A Causal Theory of knowing. The Journal of Philosophy, Vol. 64 (No. 12), pp.357-372.

11) Goldman, A. I. (1979/2006) What is Justified belief? Is S. Bernecker, Reading Epistemology: Selected Texts with Interactive Commentary (pp.31-40). Malden, USA: Blackwell Publishing.

12) Hetherington, S. (2011). The Gettier Problem. In S. Bernecker, & D. Pritchard, The Routledge Companion to Epistemology (pp-119-130). London, UK: Routledge.

13) Lehrer, K., & Paxson (Jr), T. (1969). Knowledge: Undefeated Justified True Belief. The Journal of Philosophy, Vol. 66 (No. 8), pp. 225-237.

14) Saunders, J.T., & Champawat, No. (1964). Mr. Clark's Definition of 'Knowledge'. Analysis, Vol. 25 (No. 1), pp. 8-9.

15) Sturgeon, S. (1993). The Gettier Problem. Analysis, Vol. 53 (No. 3), pp-156-164.

16) Thalberg, I. (1969). In Defense of Justified True Belief. The Journal of Philosophy, Vol. 66 (No. 22), pp. 794-803.

৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রঃ উত্তৰঃ জ্ঞানমীমাংসাৰ যিটো সূত্রই 'প্রমাণসিদ্ধ সঁচা বিশ্বাস'কে জ্ঞান বুলি অভিহিত কৰে তাকেই জ্ঞানৰ জে.টি.বি. সূত্র বুলি জনা যায়।

২ নং প্রঃ উত্তৰঃ "Is justified True belief knowledge?" শীর্ষক প্রবন্ধত জ্ঞানৰ জে.টি.বি. সংজ্ঞা সম্পর্কে গেটিয়াৰে যিটো সমস্যা উত্থাপন কৰিছে তাকেই "গেটিয়াৰৰ সমস্যা" ৰূপে জনা যায়।

৩ নং প্রঃ উত্তৰঃ গেটিয়াৰৰ উদাহৰণ দুটাৰ ভিত্তিস্বৰূপ তত্ত্বটো হৈছে—

"for any proposition P, if S is justified in believing P, and P entails Q, and S deduces Q from P and accepts Q as a result of this deduction, then S is justified in believing Q." (Gettier, 1963, p. 121)

৪ নং প্রঃ উত্তৰঃ গেটিয়াৰৰ পৰৱর্তী কালৰ দুগৰাকী দার্শনিকে আগবঢ়োৱা তলৰ সংজ্ঞা দুটা উল্লেখ কৰিব পাৰি-

প্রথম, থমাচ্ পেক্সন আৰু কেইথ লেহৰাৰে কৈছে যে "জ্ঞান হৈছে প্রমাণসিদ্ধ সঁচা বিশ্বাস" আৰু দ্বিতীয়তে; আৰু.এম.চিজময়ে জ্ঞানৰ সংজ্ঞা দিবলৈ গৈ কৈছে-

"h বচনটো S ব্যক্তিজনে জানে" = সংজ্ঞা (১) h সঁচা; (২) S য়ে h ক গ্রহন কৰে; (৩) h বচনটো S ৰ বাবে সুস্পষ্ট বা প্রমানিত (evident): আৰু (৪) S ৰ বাবে যদি h বচনটো ত্রুটিপূর্ণ ভাৱে প্রমানিত, তেন্তে h বচনটো এনে কেতবোৰ বচনৰ সংযোজনে নির্ধাৰণ বা

নিসৃত কৰে যিবোৰ বচন S ৰ বাবে সুস্পষ্ট, কিন্তু ত্রুটিপূর্ণ ভাৱে প্রমানিত নহয়।

(প্রশ্নটোৰ উত্তৰ দিবলৈ শিক্ষার্থী সকলে এইন যিকোনো দুটা সংজ্ঞাও আগবঢ়াব পাৰে।)

৫ নং প্রঃ উত্তৰঃ মাইকেল ক্লার্কৰ সংজ্ঞাত নিহিত "পূর্ণৰূপে ভিত্তিশীল" ধাৰণাটোৰ অর্থ হৈছে জ্ঞানৰূপে প্রতিষ্ঠা কৰিব বিচৰা কোনো বিশ্বাস যিবোৰ আন আন বিশ্বাসৰ ওপৰত নির্ভৰশীল হৈ থাকে, সেই বিশ্বাসসমূহৰ প্রতিটোৱেই যেতিয়া সত্য হয় তেতিয়া জ্ঞানৰূপে প্রতিষ্ঠা কৰিব বিচৰা প্রদত্ত বিশ্বাসটোক "পূর্ণৰূপে ভিত্তিশীল" বুলি ক'ব পাৰি।

৬ নং প্রঃ উত্তৰঃ ষ্টিফেন হেথাৰিংটনে যুক্তি দর্শাইছে যে যদিও গেটিয়াৰ সমস্যা সম্পর্কে প্রচলিত ব্যাখ্যাক আদর্শ ব্যাখ্যা বুলি গন্য কৰা হয়, এই ব্যাখ্যা পিছে বাধ্যতামুলক নহয় আৰু সত্য ব্যাখ্যাও হ'ব নোৱাৰে। তেখেতে অৱশ্যে কৈছে যে জ্ঞানক যদি যিকোনো ক্ষেত্রতেই অভ্রান্ত (Infallible) হ'ব লাগিব বুলি মানি লোৱা হয়, তেন্তে ইয়াত কোনো বিবাদ থাকিব নোৱাৰে যে গেটিয়াৰৰ উদাহৰণ দুটাত জ্ঞান অনুপস্থিত; কিন্তু, এই কথা যদি গ্রহন কৰা হয় যে জ্ঞান সকলো ক্ষেত্রত অভ্রান্ত হোৱাটো জৰুৰী নহয়, তেন্তে এই উদাহৰণ কেইটাত জ্ঞান নিহিত হৈ আছে বুলি ক'ব পৰা যায়, যদিওবা সেই জ্ঞান সম্ভাব্য (Fallible) জ্ঞান।

৭ নং প্রঃ উত্তৰঃ গেটিয়াৰৰ উদাহৰণ দুটাৰ প্রসংগত জিয়ানবো কাওঁৰে আগবঢ়োৱা দুটা সমালোচনা হৈছে-

(ক) জে.টি.বি. সংজ্ঞাটো এটা প্রয়েজনীয় সংজ্ঞাও নহয় অথবা সকলো প্রকাৰৰ জ্ঞানক সামৰি ল'ব পৰা সংজ্ঞাও নহয়। বৰং এই সংজ্ঞাটো হৈছে অভিজ্ঞতাৰ সৈতে বিজড়িত বাচনিক জ্ঞান সম্বন্ধীয় এটা সংজ্ঞাহে; গতিকে এই সংজ্ঞাটোৰ তাৎপর্য্যও কেৱল অভিজ্ঞতালব্ধ বাচনিক জ্ঞানৰ মাজতেই সীমাবদ্ধ।

(খ) 'প্রাসংগিক' আৰু 'অপ্রাসংগিক' জ্ঞানৰ মাজত এটা প্রয়োজনীয় পার্থক্য আছে; অর্থাৎ প্রাসংগিক জ্ঞানৰ ক্ষেত্রত ইয়াৰ সত্যমূল্য পৰিবর্তনশীল হোৱাটো স্বাভাৱিক যেতিয়াই সেই জ্ঞানৰ সৈতে জড়িত জ্ঞাতাৰ প্রসংগ বা ভিত্তিসমূহ পৰিবর্ত্তিত হয়। কাওঁয়ে মন্তব্য কৰিছে যে গেটিয়াৰে জ্ঞানৰ উদ্ধৃত এই দুই প্রকাৰৰ পার্থক্য অনুভৱ কৰিবলৈ অসমর্থ হৈছে আৰু সেয়েহে তেখেতে তেখেতৰ উদাহৰণ দুটাৰ মাজত এই দুই প্রকাৰৰ জ্ঞানৰ সমাহাৰেৰে বিভ্রান্তিৰ সৃষ্টি কৰিছে।

৫.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ 'JTB' সম্পূর্ণ অর্থ লিখক।

প্রশ্ন ২ ঃ 'JTB' সংজ্ঞাটোক কোনে প্রত্যাহ্বান জনাইছে?

প্রশ্ন ৩ ঃ কোন চনত গেটিয়াৰৰ "Is justified True belief knowledge?" শীর্ষক প্রৱন্ধটো প্রকাশ হয়?

প্রশ্ন ৪ ঃ কোনখন পত্রিকা (journal) ত গেটিয়াৰৰ "Is justified True belief knowledge?" প্রৱন্ধটো প্রকাশিত হয়?

প্রশ্ন ৫ ঃ প্লেটোই JTB সংজ্ঞাটো গ্রহণ কৰিছিলনে?

প্রশ্ন ৬ ঃ প্লেটোৰ কোনখন ডায়লগত জ্ঞানৰ সংজ্ঞা সম্বন্ধীয় সমস্যাটো আলোচিত হৈছে?

প্রশ্ন ৭ ঃ কোনজন দার্শনিকে JTB সংজ্ঞাৰ সৈতে "কাৰণিক চর্ত"ৰ সংযোজনৰ প্রস্তাৱ দিছিল?

প্রশ্ন ৮ ঃ কোনটো প্রৱন্ধত "কাৰণিক চর্ত"ৰ প্রস্তাৱ উত্থাপিত হৈছিল?

প্রশ্ন ৯ ঃ 'সৱল' আৰু 'দুর্বল' প্রকাৰৰ জ্ঞানৰ বিভাজন কোনে কৰিছিল?

প্রশ্ন ১০ ঃ জ্ঞানৰ চতুর্থ চর্ত সংযোজনৰ ধাৰা অনুকৰণ কৰা দুগৰাকী চিন্তাবিদৰ নাম লিখা।

(খ) চমু প্রশ্ন (৩০০-৩৫০ শব্দৰ ভিতৰত উত্তৰ দিয়া)

প্রশ্ন ১ ঃ গেটিয়াৰৰ উদাহৰণ দুটাৰ যিকোনো এটা উল্লেখ কৰা।

প্রশ্ন ২ ঃ 'গেটিয়াৰ সমস্যা'ৰ যিকোনো দুটা সহাঁৰি বা প্রতিক্রিয়া চমুকৈ লিখা।

প্রশ্ন ৩ ঃ 'গেটিয়াৰ সমস্যা'ৰ ওপৰত এটি চমু টোকা লিখা।

(খ) চমু প্রশ্ন (৩০০-৩৫০ শব্দৰ ভিতৰত উত্তৰ দিয়া)

প্রশ্ন ১ ঃ প্রমানসিদ্ধ সঁচা বিশ্বাসেই জ্ঞান হয়নে? 'গেটিয়াৰ সমস্যা'ৰ সৈতে সংগতি ৰাখি উত্তৰ দিয়া।

প্রশ্ন ২ ঃ গেটিয়াৰৰ পৰৱর্তীকালৰ দার্শনিকসকলে কিদৰে গেটিয়াৰৰ প্রতি সহাঁৰি বা প্রতিক্রিয়া প্রকাশ কৰিছে? চমুকৈ ব্যাখ্যা কৰা।

প্রশ্ন ৩ ঃ 'গেটিয়াৰ সমস্যা' সমাধানৰ দিশত উপস্থাপিত 'চতুর্থ চর্তৰ প্রস্থাৱনা' (Fourth condition approach) বুলিলে কি বুজা? চমুকৈ ব্যাখ্যা কৰা।

*** **** ***

অধ্যায় ৬ঃ অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধ জ্ঞান

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ অভিজ্ঞতাপূর্ব অৱধাৰণ

৬.৪ অভিজ্ঞতালব্ধ অৱধাৰণ

৬.৫ অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধৰ মাজৰ পার্থক্য

৬.৬ বিশ্লেষণাত্মক অভিজ্ঞতাপূর্ব আৰু সংশ্লেষণাত্মক অভিজ্ঞতালব্ধ

৬.৬.১. কাণ্টৰ মতামত

৬.৬.২. কাণ্ট বিৰোধী মতামত সমূহ

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধ জ্ঞানৰ সংজ্ঞা দিবলৈ সক্ষম হ'ব
- অৱধাৰণাৰ দুই গুৰুত্বপূর্ণ প্রকাৰৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- অভিজ্ঞতাপূর্ব অৱধাৰণাৰ বৈশিষ্ট্যৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- 'দৃঢ় - সার্বিকতা' (Strict universality) ক বুজিবলৈ সক্ষম হ'ব
- বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক উক্তিক জানিবলৈ সক্ষম হ'ব
- অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধ উক্তিৰ মাজৰ পার্থক্যক বুজিবলৈ সক্ষম হ'ব
- অভিজ্ঞতাপূর্ব আৰু বিশ্লেষণাত্মক বচন আৰু অভিজ্ঞতালব্ধ আৰু সংশ্লেষণাত্মক বচন কিদৰে অনুৰূপ, তাক বুজিবলৈ সক্ষম হ'ব
- গণিতশাস্ত্র সংশ্লেষণাত্মক, অভিজ্ঞতাপূর্ব, নে সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব তাক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব অৱধাৰণ সম্ভৱ নে তাক জানিবলৈ সক্ষম হ'ব।

৬.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনালোকক দার্শনিক শব্দ 'অভিজ্ঞতাপূর্ব' (a- priori) আৰু 'অভিজ্ঞতালব্ধ' (a- posteriori) ৰ সংজ্ঞাৰ লগতে দুয়োৰে মাজৰ পার্থক্যসমূহৰ লগত পৰিচয় কৰাব। আৰম্ভনীতে এই কথা ক'ব পাৰি যে — লেটিন বাকাংশ্য "a- priori ৰ অর্থ " from what comes before" অর্থাৎ "আগেয়ে অহা" আৰু "a- posteriori" ৰ অর্থ "from what comes after", অর্থাৎ "যি পিছত আহে"। ইয়াত কোনো সন্দেহ নাই যে 'a- priori' আৰু 'a- posteriori ' জার্মান দার্শনিক ইমানুৱেল কাণ্ট (১৭২৮-১৮০৮) ৰ দ্বাৰা জনাজাত হোৱা দুটা দার্শনিক শব্দ। Kant য়ে তেওঁৰ "Crilique of Pure Reasons" (প্রথম প্রকাশ ১৭৮১ চন, ২য় সংস্কৰণ ১৭৮৭), (যি দর্শনৰ ইতিহাসত আটাইতকৈ প্রভাৱ সম্পন্ন কর্মৰাজিৰ এটা) অত 'a- priori' আৰু 'a- posteriori' অর্থাৎ 'অভিজ্ঞতাপূর্ব আৰু 'অভিজ্ঞতালব্ধ' বচন নাইবা অৱধাৰণ নাইবা উক্তিৰ ওপৰত নির্ভৰ কৰিছে। এই দুটা শব্দৰ যুক্তিত "ইন্দ্রিয় পর্য্যবেক্ষনৰ ওপৰত নির্ভৰশীল সিদ্ধান্ত" ৰ পৰা "প্রথম প্রতিজ্ঞা বচনৰ পৰা লাভ কৰা অনিবার্য্য সিদ্ধান্ত "ক পৃথক কৰিবলৈ ব্যৱহাৰ কৰা হৈছে, যি ইন্দ্রিয় পর্য্যবেক্ষনৰ পূর্বে আহিবই লাগিব। জ্ঞান নাইবা এই দুটা প্রকাৰৰ এই হিচাপে ব্যাখ্যা কৰিব পৰা যায় যে অভিজ্ঞতাপূর্ব জ্ঞান নাইবা যুক্তি অভিজ্ঞতা স্বতন্ত্র, যিদৰে গণিতশাস্ত্রৰ ক্ষেত্রত (৭+৫=১২), স্বতঃসত্য ("সকলো আবিয়ৈ অবিবাহিত") আৰু বিশুদ্ধ বুদ্ধিৰ পৰা নিগমন (যেনেঃ তাত্বিক প্রমাণ) আৰু অভিজ্ঞতালব্ধ জ্ঞান অভিজ্ঞতা নাইবা অভিজ্ঞতামূলক প্রমাণৰ ওপৰত নির্ভৰশীল, যিদৰে বিজ্ঞান আৰু ব্যক্তি-জ্ঞানৰ ক্ষেত্রত হয়। ইয়াত এই কথা উল্লেখনীয় যে বিশেষ পদ 'Knowledge' অর্থাৎ 'জ্ঞান' (উদাহৰণ স্বৰূপে "অভিজ্ঞতাপূর্ব জ্ঞান") ক ৰূপান্তৰ কৰিবলৈ বিশেষণ হিচাপে 'অভিজ্ঞতাপূর্ব' (a- priori) আৰু 'অভিজ্ঞতালব্ধ' (a- posteriori) শব্দ দুটাক প্রাথমিকভাৱে ব্যৱহাৰ কৰা হয়। তথাপিও, 'অভিজ্ঞতাপূর্ব' (a- priori) শব্দটোক কেতিয়াবা আন বিশেষ্য পদ, যেনেঃ- 'সত্য' (truth) ক ৰূপান্তৰ কৰিবলৈ ব্যৱহাৰ কৰা হয়। দার্শনিকসকলে 'a- priori' হোৱাৰ গুণৰ ক্ষেত্রত (প্রায় ঠিককৈ) নির্দ্দেশ কৰিবলৈ 'apriority' আৰু 'aprioricity' ক বিশেষ্য হিচাপেও ব্যৱহাৰ কৰিব পাৰে। চমুকৈ, 'a- priori' আৰু 'a- posteriori' শব্দ দুটাক প্রাথমিকভাৱে ভিত্তিবোৰক নির্দ্দেশ কৰিবলৈ ব্যৱহাৰ কৰা হয়, যাৰ ওপৰত এটা বচনক জনা যায়।

৬.৩ অভিজ্ঞতাপূর্ব অৱধাৰণ

সমসাময়িক দর্শনত 'a- priori' ধাৰণাটো অতি গুৰুত্বপূর্ণ আৰু সমালোচনাত্মক সমস্যাবোৰৰ মাজৰ এটা। 'a- priori' অৱধাৰণ নাইবা উক্তিৰ ক্ষেত্রত বিভিন্ন বিশ্লেষণ আৰু বিবাদৰ আবির্ভাৱ হৈছে। সেইবাবে এই পাঠটো আৰম্ভ হৈছে তলত উল্লেখিত প্রশ্নবোৰৰ সৈতে

— 'a- priori' অৱধাৰণ কি? 'a- priori' শব্দটো দ্বি-অর্থক নেকি? 'a- priori' অৱধাৰণৰ বৈশিষ্ট্যবোৰ কি কি? এই সন্ধিস্থলত এই কথা উল্লেখ কৰিব পাৰি যে দর্শনত 'a- priori' শব্দটোক নিগমণাত্মক যুক্তিক নির্দ্দেশ কৰিবলৈ ব্যৱহাৰ কৰা হয়। আনকি 'a- priori' শব্দটোক সাধাৰণ ধাৰণা, ভাৰ নাইবা প্রত্যয় আৰু বিশেষ উক্তি নাইবা অৱধাৰণৰ ক্ষেত্রত প্রাথমিকভাৱে প্রয়োগ কৰা হয়। যথোচিতৰূপে ক'বলৈ হ'লে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে 'a- priori' শব্দটো এটা লেটিন শব্দ, যাৰ অর্থ 'যি আগত আহে' (what comes before), সি নির্দ্দেশ কৰে 'যি অভিজ্ঞতাৰ পূর্বে আহে' ক। তথাপি, 'a- priori' শব্দটো বেমেজালি যুক্তি, কাৰণ এটা 'a- priori' বচন তলত দিয়াবোৰৰ যিকোনো এটা হ'ব পাৰে ঃ-

(ক) এটা বচনক আমি জন্মৰে পৰাই জানো,

(খ) যেতিয়াই আমি সঙ্গঁত প্রত্যয় বা ধাৰণাক আহৰণ কৰোঁ, তেতিয়াই আমি এটা বচনক জানো বা জানিব পাৰো। উদাহৰণ স্বৰূপে ঃ- এবাৰ আমি ৰঙা আৰু নীলাৰ ধাৰণাটো আহৰণ কৰোঁ, আমি জানিব পাৰো যে কোনো বস্তু সকলোতে ৰঙা আৰু নীলা একে সময়তে হ'ব নোৱাৰে।


(গ) ইয়াক সত্য বুলি জনাৰ অবিহনে আমি এটা বচনক বুজিব নোৱাৰো।

(ঘ) ইন্দ্রিয় অভিজ্ঞতাৰ মাজেৰে আমি এটা বচনক শিকিব নোৱাৰো।

সেয়ে, এটা বচনক অভিজ্ঞতাপূর্ব (a- priori) বুলিব পাৰি, যেতিয়া ই যিকোনো অভিজ্ঞতাৰ পৰা স্বতন্ত্র হয়। ই প্রকাশ কৰে যে এটা প্রদত্ত বচনক অভিজ্ঞতাপূর্ব হিচাপে জানিব পৰা যায়, যদিহে ইয়াক যিকোনো অভিজ্ঞতা স্বতন্ত্র ৰূপে জানিব পৰা যায় (ভাষাক শিকাৰ অভিজ্ঞতাতকৈ, য'ত বচনটোক প্রকাশ কৰা হয়) চমুকৈ, অভিজ্ঞতাপূর্ব জ্ঞান যুক্তি বা বুদ্ধিৰ পৰাই কেৱল আহে, অভিজ্ঞতাৰ পৰা নহয়। উদাহৰণস্বৰূপে ঃ- "সকলো পোৱালী মুর্গী চৰাই" — এই উক্তিটো এটা অভিজ্ঞতাপূর্ব সত্যতা বা উক্তি, যিহেতু বাস্তৱ পোৱালী মুর্গী চোৱাৰ প্রয়োজনীয়তাৰ অবিহনেই "সকলো পোৱালী মুর্গী চৰাই" — উক্তিটো সত্য। ঠিক সেইদৰে, গাণিতীয় সমানুপাত ৪০ যোগ ৫ (৪০+৫), ৪৫ ৰ সমান হৈছে উদাহৰণস্বৰূপে অভিজ্ঞতাপূর্ব জ্ঞানৰ এক উদাহৰণ; যিহেতু, সত্য হ'বলৈ সিহঁতৰ বাস্তৱ জগতৰ কোনো প্রমাণৰ আৱশ্যকতা নাই। এই সম্বাদ (৪০+৫ = ৪৫)ক প্রত্যক্ষ অভিজ্ঞতাৰ অবিহনেই জানিব পাৰি, আপোনালোকে ৪৫ টা বস্তুক সজাই আৰু সিহঁতক গণনা নকৰাকৈয়ে এক অমুর্ত্তি ধাৰণা হিচাপে এই সমস্যাটোক গণনা নাইবা অনুমান কৰিব পাৰে। Kant ৰ মতে, অনিবার্য্যতা (necessity) আৰু দৃঢ় সার্বিকতা (strict universality) হৈছে অভিজ্ঞতাপূর্ব অৱধাৰণাৰ দুটা বৈশিষ্ট্য। এই দুটা বৈশিষ্ট্য অপৃথক আৰু অবিভাজ্য। দৃঢ় সার্বিকতাৰ দ্বাৰা Kant য়ে "সকলো সম্ভাৱনীয় জগতত সত্য" ক বুজাইছে। উদাহৰণ স্বৰূপে ঃ- —"৫+৭=১২" যে এক সার্বিক আৰু অনিবার্য্য বচন, তাক কোনেওঁ নুই কৰিব নোৱাৰে। ভাষাৰ দর্শন আৰু গণিতৰ দর্শনত অভিজ্ঞতাপূর্ব অৱধাৰণ হৈছে সি, যাৰ সত্যতাক জগতৰ সৈতে যিকোনো অভিজ্ঞতাৰ পূর্বেই জানিব পৰা যায়।

৬.৪ অভিজ্ঞতা লব্ধ অৱধাৰণ


'a- posteriori' শব্দটো 'a- priori' শব্দৰ বিপৰীত ৰূপ। 'a- priori' ৰ একেটা অর্থতে 'a- posteriori' শব্দটোক সাধাৰণ ধাৰণা ভাৱ নাইবা প্রত্যয় আৰু বিশেষ অৱধাৰণ, উক্তি নাইবা বচনৰ ক্ষেত্রত প্রয়োগ কৰা হয়। আনকি দর্শনত 'a- posteriori' শব্দটোক আগমনাত্মক অনুমান বা যুক্তিক নির্দ্দেশ কৰিবলৈও ব্যৱহাৰ কৰা হয়। আমি পূর্বে উল্লেখ কৰিছো যে 'a- posteriori' শব্দটো এক লেটিন শব্দ, যাৰ অর্থ 'যি পিছত আহে' (from what comes after) আৰু ই নির্দ্দেশ কৰে যে অভিজ্ঞতাৰ পাছত কি আহে। 'a- posteriori' ৰ অর্থ হৈছে "অভিজ্ঞতাৰ ওপৰত নির্ভৰশীল", ইন্দ্রিয়সমূহৰ অভিজ্ঞতা অর্থাৎ পাচঁটা ইন্দ্রিয় আৰু সম্ভৱ অন্তৰ দৃষ্টি। সেয়ে, কিবা এটা, যাক 'a- posteriori' (অভিজ্ঞতালব্ধ) বুলি জনা যায়, তাক তর্কবিজ্ঞানৰ ওপৰত ভিত্তিশীল ৰূপে জনা যায়, যি অভিজ্ঞতাৰ পৰা নিঃসৃত হয়। যুক্তি বা বুদ্ধিক এক 'a- posteriori' উক্তিত জড়িত কৰিব পৰা যায়, কিন্তু সেই যুক্তি বা বুদ্ধিক এক অমুর্ত সত্যতাৰ পৰা নিঃসৃত কৰাৰ পৰিবর্ত্তে এক অভিজ্ঞতামূলক ধাৰণা বা অনুমানৰ পৰা হে নিঃসৃত হয়। সেয়ে, 'a- posteriori' জ্ঞানক অভিজ্ঞতামূলক বুলি কোৱা হয়, যিহেতু ইয়াক জগতৰ অভিজ্ঞতাৰ পৰা নিঃসৰন কৰা হয়। উদাহৰণ হিচাপেঃ জন্মৰ তাৰিখ, গৃহসমূহৰ কক্ষপথ ইত্যাদি। ইয়াত এই কথা মনত ৰাখিবলগীয়া যে 'a- posteriori' জ্ঞানক প্রায়ে সত্য, আৰু সত্য হ'ব পাৰে বুলি ধৰি লোৱা হয়, কিন্তু ই অভ্রান্ত নহয়। যদিও আপোনালোকৰ জন্মৰ তাৰিখক 'a- posteriori' (অভিজ্ঞতালব্ধ) বুলি জনা যায়, আপোনালোকে যুক্তি দর্শাব নোৱাৰে যে আপোনাৰ জন্মৰ তাৰিখটো অভিজ্ঞতামূলক ভাৱে আহৰণ কৰা জ্ঞান হয় জন্মৰ নথি (যেনেঃ জন্ম প্রমান পত্র), সাক্ষীৰ কথা (যেনে ঃ আপোনাৰ মাতৃ) নহয় নিজৰ জন্মৰ কথা মনত ৰখাৰ কেতবোৰ উদ্ভট সামর্থ্যতা আদিৰ অবিহনে যিকোনো বিশেষ দিনত ঘটিছিল । ইয়াৰ অর্থ এয়ে যে কেতবোৰ বস্তু বা বিষয়ে এই জ্ঞানক ভুল বুলি প্রমানিত কৰিব পাৰে; জন্মৰ নথিপত্র ভুলকৈ ছপা হ'ব পাৰে আনে কোৱা কথা অসত্য হ'ব পাৰে নাইবা আপোনাৰ উদ্ভট পুনৰ সংগ্রহ সঠিক নহবঁও পাৰে নাইবা আনকি কাল্পনিকও হ'ব পাৰে।



চিন্তা-চর্চা কৰক ঃ৬.১

(ক) 'a- priori' আৰু 'a- posteriori' অৱধাৰণৰ বিষয়ে কি জানে লিখক।

(খ) 'a- posteriori' অৱধাৰণ অভ্রান্ত হয়নে? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি প্রদর্শন কৰক।



অগ্রগতি নিৰীক্ষন

› ¶ŸðÑ১ঃ তলত দিয়া বক্তব্য সমূহ সত্য নে অসত্য উল্লেখ কৰক ঃ-

(ক) দর্শনত 'a- priori' শব্দটোক নিগমণাত্মক অনুমানক নির্দ্দেশ কৰিবলৈ ব্যৱহাৰ কৰা হৈছে। (সত্য/অসত্য)

(খ) দর্শনত 'a- posteriori' শব্দটোক আগমণাত্মক অনুমানক নির্দ্দেশ কৰিবলৈ ব্যৱহাৰ কৰা হৈছে। (সত্য/অসত্য)

প্রশ্ন নং ২ঃ (ক) 'a- posteriori' শব্দৰ অর্থ 'যুক্তিৰ ওপৰত প্রতিষ্ঠিত'/ 'অভিজ্ঞতাৰ ওপৰত প্রতিষ্ঠিত'।

প্রশ্ন নং ৩ঃ (ক)————— আৰু ————————অভিজ্ঞতাপূর্ব অৱধাৰণাৰ দুটা বৈশিষ্ট্য।

প্রশ্ন নং ৪ঃ "Crilique of Pure Reasons" গ্রন্থখনৰ লিখক কোন?

৬.৫ a- priori আৰু a- posteriori ৰ মাজৰ পার্থক্য

'a- priori' আৰু 'a- posteriori' ধাৰণা দুটাৰ বিষয়ে ইতিমধ্যে আমি এক চমু আভাস লাভ কৰিছো। এতিয়া ইহঁতৰ মাজত এক তুলনা কৰোঁ আহঁক। আমি ভাৱো যে 'অভিজ্ঞতামূলক জ্ঞান'ক প্রায়ে 'অভিজ্ঞতাপূর্ব জ্ঞান'ৰ সৈতে তুলনা কৰা হয়, যি জ্ঞানক কেৱল বুদ্ধিৰ ভিত্তিত সত্য ৰূপে জনা যায়, যিদৰে গাণিতীয়, অভিজ্ঞতামূলক জ্ঞান অধিকভাৱে অসত্য হ'ব পাৰে, যিহেতু ই এক অভিজ্ঞতাৰ ব্যাখ্যা ওপৰত নির্ভৰ কৰে।

অভিজ্ঞতাপূর্ব বা বিশ্লেষণাত্মক আৰু অভিজ্ঞতালব্ধ বা সংশ্লেষণাত্মকৰ পার্থক্য বচনৰ উপাদানৰ ওপৰত ভিত্তিশীল। যদি এটা বচন জ্ঞানসম্বন্ধীয় বিষয় নাইবা জ্ঞানৰ সৈতে সংযুক্ত নহয়, ইয়াক কোৱা হয় বিশ্লেষণাত্মক। আনহাতে, যেতিয়া এটা বচন জ্ঞানৰ বিষয় বা জ্ঞানৰ লগত সংযুক্ত হয়, তেতিয়া তাক কোৱা হয় সংশ্লেষণাত্মক (synthetic)।

বেছিভাগ দার্শনিকে মানি লৈছে যে বিশ্লেষণাত্মক= অভিজ্ঞতাপূর্ব আৰু সংশ্লেষণাত্মক= অভিজ্ঞতালব্ধ। তেওঁলোকৰ বাবে 'a- priori' আৰু 'a- posteriori' মাজৰ পার্থক্যৰ জ্ঞানৰ উৎসৰ লগত সম্পর্ক আছে। অভিজ্ঞতাপূর্ব (a- priori) বচন সমূহ বিশুদ্ধ বুদ্ধি বা বিশুদ্ধ বোধশক্তিৰ পৰা উদ্ভৱ হয়। সেইবাবে সিহঁত যিকোনো অভিজ্ঞতাৰ পৰা স্বতন্ত্রভাৱে বৈধ। আনহাতে, অভিজ্ঞতালব্ধ (a- posteriori) বচনসমূহক জগতৰ অভিজ্ঞতাৰ পৰা নিঃসৃত কৰা হয়। এইটো হৈছে কাৰণ কিয় অভিজ্ঞতালব্ধ বচনবোৰৰ সিহঁতৰ বৈধতাৰ বাবে অভিজ্ঞতাৰ আৱশ্যক হয়। চমুকৈ এই কথা ক'ব পাৰি যে কিবা এটাক 'a- priori' বুলি জনা মানে বিশুদ্ধ ভাৱে বুদ্ধিৰ জৰিয়তে জনা; আনহাতে যেতিয়া কিবা এটাক 'a- posteriori' বুলি জনা হয়,

তেতিয়া তাক অভিজ্ঞতামূলক প্ৰমাণৰ জৰিয়তে নিৰ্দ্ধাৰণ কৰা হয়। অভিজ্ঞতাপূৰ্ব বচনবোৰ বিশ্লেষণাত্মক, সংশ্লেষণাত্মক নহয়। অভিজ্ঞতালব্ধ বচনবোৰ অ-বিশ্লেষণাত্মক। অভিজ্ঞতালব্ধ বচনবোৰ সকলো সংশ্লেষণাত্মক। সংশ্লেষণাত্মক নাইবা অভিজ্ঞতালব্ধ বচনসমূহ হৈছে সেইবোৰ বচন, যিবোৰ অভিজ্ঞতাৰ মাজেৰে সম্ভৱ হয়। এটা বচন, যি জ্ঞেয় (knowable), সি অভিজ্ঞতালব্ধ আৰু তাক অভিজ্ঞতাৰ ভিত্তিত জানিব পৰা যায়। উদাহৰণ স্বৰূপে ঃ- "সকলো আবিয়ৈ ল'ৰা অবিবাহিত" বচনটো 'a- priori' আৰু "এতিয়া বাহিৰত বৰষুণ দি আছে" — বচনটো 'a- posteriori' । এইয়াই হৈছে চমুকৈ 'a- priori' আৰু 'a- posteriori' ৰ মাজত থকা পাৰ্থক্য।

৬.৬ বিশ্লেষণাত্মক অভিজ্ঞতাপূৰ্ব আৰু সংশ্লেষণাত্মক অভিজ্ঞতালব্ধ

অভিজ্ঞতাপূৰ্ব অৱধাৰণসমূহ সাৰ্বিক (universal) আৰু অনিবাৰ্য্য (necessary) আৰু সকলো অভিজ্ঞতাপূৰ্ব অৱধাৰণেই বিশ্লেষণাত্মক। বিশ্লেষণাত্মক উক্তিবোৰ অভিজ্ঞতাপূৰ্ব। ঠিক সেইদৰে, অভিজ্ঞতালব্ধ বচনসমূহ সংশ্লেষণাত্মক। জ্ঞানৰ মতবাদত যেতিয়া আমি 'a- priori' আৰু 'a- posteriori' ৰ বিষয়টোৰ লগত সম্পৰ্কলৈ আহো, আমি অৱশ্যে ইয়াত কেৱল সেইবোৰ উক্তিকহে গ্ৰহণ কৰোঁ, যিবোৰ বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক। কেনেকৈ 'a- priori' আৰু বিশ্লেষণাত্মক বচন আৰু 'a- posteriori' আৰু সংশ্লেষণাত্মক বচনবোৰ অনুৰূপ হয়, সেই সম্পৰ্কে বহলাই আলোচনা কৰোহঁক। গণিতশাস্ত্ৰৰ পৰা তলৰ উদাহৰণটো ধৰা হওঁক ঃ '৫+৭' একেলগে '১২' ৰ সমানক এক অভিজ্ঞতাপূৰ্ব অৱধাৰণ বুলিব পাৰি। একে ধৰণেৰে, গণিতশাস্ত্ৰ বিশ্লেষণাত্মক আৰু অভিজ্ঞতাপূৰ্ব, কাৰণ "৫+৭=১২" সাৰ্বিক আৰু অনিবাৰ্য্য। প্লেট'নিয়ান মতবাদে স্বীকাৰ কৰে যে গণিতশাস্ত্ৰ অভিজ্ঞতাপূৰ্ব। প্লেট'ৰে ভাবিছিল যে এটা গাণিতীয় বচন অনিবাৰ্য্য। উদাহৰণ '২+২=৪' — যৌক্তিক বা বৌদ্ধিক হোৱাৰ লগতে অনিবাৰ্য্যও। 'দুয়ে দুয়ে মিলি হয় চাৰি' কেৱল বাস্তৱেই নহয়, বৰঞ্চ ই অনিবাৰ্য্যও কাৰণ ই কেৱল এয়ে নহয় যে দুয়ে দুয়ে মিলি চাৰি হয়, বৰঞ্চ সিহঁতৰ ফলাফল চাৰি হ'বই। সেইবাবে, সি যে নহয় এই কথা অচিন্তনীয়। অন্য ভাষাত ইয়াৰ বিপৰীত অকল্পনীয়; উদাহৰণ স্বৰূপে ঃ- ২+২=৫ — ই অচিন্তনীয় নাইবা বিশ্বাসৰ উৰ্দ্ধত। প্লেট'ৰ মতে "a methematical proposition is necessarily true, its truth is known without verification by experience" (এটা গাণিতীয় বচন অনিবাৰ্য্যভাৱে সত্য ইয়াৰ সত্যতাক অভিজ্ঞতাৰ দ্বাৰা প্ৰমাণিকৰন নকৰাকৈয়ে জানিব পাৰি। উদাহৰণ স্বৰূপে ঃ- "এটা সমদ্বিবাহু ত্ৰিভুজৰ ভূমি সংলগ্ন কোন দুটা সমান" — এক অনিবাৰ্য্য বচন। এই বচনটো অনিবাৰ্য্য, যিহেতু আমি ইয়াক মুঠতে কোনোধৰণৰ অভিজ্ঞতা নোহোৱাকৈয়ে জানো, যদিহে আমি চতুৰ হওঁ। গতিকে আমি প্লেট'ৰ কথাৰে সামৰণি মাৰিব পাৰো যে গাণিতীয় জ্ঞান অন্তৰ্জাত আৰু গাণিতীয় উক্তিসমূহ অনিবাৰ্য্য।

প্লেট'ৰ মতবাদ অনুসৰি, গাণিতীয় বস্তুবোৰ অতি বাস্তৱ আৰু আমাৰ পৰা স্বতন্ত্ৰভাৱে

অস্তিত্বশীল। উদাহৰণ স্বৰূপে ঃ- "কৰিমে ফলৰ ৰস ভাল পায়" — সত্য। ইয়াত 'কৰিম' শব্দটোৱে সেই নামেৰে বুজোৱা ব্যক্তিজনক নির্দ্দেশ কৰিছে, 'ফলৰ ৰসে' বস্তুক নির্দ্দেশ কৰিছে আৰু 'ভালপায়' য়ে 'কৰিম' আৰু 'ফলৰ ৰস' ৰ মাজত থকা এক বিশেষ সম্পর্কক নির্দ্দেশ কৰিছে। ই নিঃসৃত হৈছে এই সত্যৰ পৰা যে 'কৰিম অস্তিত্বশীল'। যদি 'কৰিম' ৰ অস্তিত্ব নাই, তেন্তে 'কৰিমে ফলৰ ৰস ভালপায়' বচনটোও সত্য হ'ব নোৱাৰে। আন কথাত যদি কৰিম অস্তিত্বশীল নহয়, তেন্তে "কৰিমে ফলৰ ৰস ভাল পায়" অসত্য হ'ব। সমভাৱে, গাণিতীয়ভাৱে সত্য বচন যেনে ঃ- '৭+৫=১২' আৰু '৭' অস্তিত্বশীল হ'বলৈ '৭' সংখ্যাটোৰ আৱশ্যক, অন্যথা সেই বচনটো সত্য হ'ব নোৱাৰে। নির্দ্দিষ্ট মান বিশিষ্ট শব্দার্থত এটা বস্তুক সত্য বচন ('কৰিম', '৭') অত অস্তিত্বশীল একক শব্দৰ দ্বাৰা নির্দ্দেশ কৰা হয়। নির্দ্দিষ্ট মানৰ শব্দার্থত একেদৰেই গাণিতীয় বস্তুবোৰ অস্তিত্বশীল। আনকি গাণিতীয় বস্তুবোৰ দেশ আৰু কালৰ বাহিৰত অৱস্থান কৰে। দেশ আৰু কালত ইন্দ্রিয়গ্রাহ্য বস্তু, যেনে কমলা, কুকুৰ, ইত্যাদিৰ বিপৰীতে গাণিতীয় বস্তুবোৰ যেনে '২৫' সংখ্যাটোক ক'তো পোৱা নাযায়। সেইবোৰ দেশ আৰু কাল বর্হিভুত। সিহঁত কাল বর্হিভুত, সিহঁত সার্বিক আৰু অনিবার্য্য। সিহঁতৰ সার্বিকতা আৰু অনিবার্য্যতাৰ অভিজ্ঞতাৰ বিষয় নহয়, ৰৰঞ্চ সিহঁতক চিন্তাৰ মাজেৰেহে জানিব পাৰি। সিহঁত কেৱল বুদ্ধিতে নিহিত থাকে, সেয়ে, সিহঁতৰ অস্তিত্বক কেতিয়াও সন্দেহ কৰিব নোৱাৰি। আনকি বিজ্ঞানৰ সত্যতাক সন্দেহ কৰিব পাৰি, কিন্তু '২+২' দৰে গণিতশাস্ত্রৰ সত্যতাক সন্দেহ কৰিব নোৱাৰি। গাণিতীয় বস্তুবোৰ বাস্তৰ আৰু বুদ্ধিগত। নেতিবাচক অর্থত গাণিতীয় বস্তুবোৰ ইন্দ্রিয়গ্রাহ্য নহয়। মুঠৰ ওপৰত গাণিতীয় বস্তুবোৰক আমি স্বজ্ঞাৰ দ্বাৰা আহৰণ কৰিব পাৰো নাইবা মনৰ চকুৰে এই গাণিতীয় সত্যতাবোৰক দেখা পাওঁ। গতিকে অভিজ্ঞতামূলক জ্ঞানৰ বিপৰীতে যিবোৰ ইন্দ্রিয় অভিজ্ঞতাৰ ওপৰত ভিত্তিশীল উদহৰণ স্বৰূপেঃ- শুনা, দেখা ইত্যাদি, গাণিতীয় জ্ঞান স্বজ্ঞাজনিত। ইয়াত কোনো সন্দেহ নাই যে গাণিতশাস্ত্র অভিজ্ঞতাৰ এক প্রকাৰ, যি ইন্দ্রিয় সংবেদনৰ পৰা স্বতন্ত্র। এই অর্থত, গণিতশাস্ত্র অভিজ্ঞতাপূর্ব (a- priori)। কিন্তু Kant য়ে গণিতশাস্ত্রক সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব (synthetic a- priori) বুলি ভাৱিছিল। আৰু শেষত Kant এই সিদ্ধান্তলৈ আহে যে গণিতশাস্ত্র সংশ্লেষণাত্মক আৰু অভিজ্ঞতাপূর্ব আৰু সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব বচন সম্ভৱ।

৬.৬.১ কাণ্টৰ মতামত

Kant য়েই হৈছে সেইজন দার্শনিক, যিজনে গণিতশাস্ত্রক বিশ্লেষণাত্মক হিচাপে স্বীকৃতি প্রদান কৰিবলৈ অস্বীকাৰ কৰিছিল। Kant য়ে তেওঁৰ "Crilique of Pure Reasons" গ্রন্থত বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক অৱধাৰণাৰ মাজত এক পার্থক্যৰ পৰিচয় দাঙি ধৰিছে। তেওঁ কয়, "সকলো অৱধাৰণা য'ত বিধেয়ৰ লগত এটা উদ্দেশ্যৰ সম্বন্ধক ভৱা হয় (মই কেৱল সদর্থক অৱধাৰণাকহে লক্ষ্য ৰাখিছো, নঞার্থক অৱধাৰণাৰ পিছৰ প্রয়োগ সহজে কৰিব পৰা যায়), এই সম্বন্ধ দুটা ভিন্ন উপায়েৰে সম্ভৱ হয়। হয় বিধেয় B, উদ্দেশ্য A, অত নিহিত থাকে;

নহয় B, A ৰ বাহিৰত অৱস্থান কৰে যদিও প্ৰকৃত ই তাৰ সৈতে সম্বন্ধিত হৈ থাকে। এটা ক্ষেত্ৰত মই অৱধাৰণাক বিশ্লেষণাত্মক, আৰু আন এক ক্ষেত্ৰত সংশ্লেষণাত্মক বুলি নামাকৰণ কৰিছো" (Kant, ১৯৮২,৪৮ (A৬-৭))। Kant য়ে বিশ্বাস কৰিছিল যে সকলো বিশ্লেষণাত্মক অৱধাৰণাত বিধেয়টো গোপনীয়ভাৱে উদ্দেশ্যত নিহিত থাকে। উদাহৰণ স্বৰূপেঃ- 'সকলো আবিয়ৈ ল'ৰা অবিবাহিত' — এটা বিশ্লেষণাত্মক অৱধাৰণ। এই অৱধাৰণটোত বিধেয় পদ 'অবিবাহিত' উদ্দেশ্যপদ 'আবিয়ৈ' এনেভাৱে নিহিত হৈ আছে যে 'অবিবাহিত' শব্দৰ অর্থ 'আবিয়ৈ' শব্দৰ অর্থৰ সৈতে একে। বিশ্লেষণাত্মক অৱধাৰণবোৰ তৰ্কীয় সম্বন্ধ বিষয়ক, সেয়েহে এটা বিশ্লেষণাত্মক অৱধাৰণাক নুই কৰাটো বিৰোধীতাক সাব্যস্ত কৰাহে হ'ব। ইয়াৰ বিপৰীতে, এটা সংশ্লেষণাত্মক অৱধাৰণা হৈছে সি, য'ত বিধেয় পদটো উদ্দেশ্য পদৰ মাজত নিহিত নাথাকে। সংশ্লেষণাত্মক অৱধাৰণৰ অস্বীকাৰ তৰ্কীয় বিৰোধ নহয়। এটা সংশ্লেষণাত্মক অৱধাৰণক অভিজ্ঞতাৰ জৰিয়তে জানিব পাৰি। উদাহৰণ স্বৰূপেঃ- "সকলো বস্তুৰেই ভপ আছে।"

Kant য়ে 'a- priori' আৰু 'a- posteriori' ৰ মাজত পার্থক্য নির্ণয় কৰিছে। Kant য়ে দাবী কৰে যে 'a- priori' অৱধাৰণাবোৰ জগতৰ সৈতে থকা যিকোনো অভিজ্ঞতাৰ পৰা স্বতন্ত্ৰ। আনহাতে, 'a- posteriori' অৱধাৰণাৰ সত্যতা জগতৰ অভিজ্ঞতাৰ দ্বাৰা নিৰাবৰণ কৰা হয়। গতিকে, Kant য়ে বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক আৰু অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধৰ মাজত এক চাৰি তৰপীয়া পার্থক্য আগবঢ়াইছে। এই দুটা পার্থক্যই চাৰিটা সম্ভৱনাক ৰচনা কৰিছে — বিশ্লেষণাত্মক অভিজ্ঞতাপূর্ব, বিশ্লেষণাত্মক অভিজ্ঞতালব্ধ, সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব আৰু সংশ্লেষণাত্মক অভিজ্ঞতালব্ধ অৱধাৰণ। এইবোৰৰ মাজত বিশ্লেষণাত্মক অভিজ্ঞতাপূর্ব আৰু সংশ্লেষণাত্মক অভিজ্ঞতালব্ধক সকলোৱেই গ্ৰহণ কৰিছে। সকলোৱেই সমর্থন কৰিছে যে যিহেতু বিশ্লেষণে অভিজ্ঞতাপূর্বক বুজায়, সেয়ে বিশ্লেষণাত্মক অভিজ্ঞতালব্ধ অৱধাৰণ থাকিব নোৱাৰে। অর্থাৎ বিশ্লেষণে নির্দ্দেশ কৰে যে অৱধাৰণৰ সত্যতা অভিজ্ঞতামূলক পৰিস্থিতিৰ পৰা স্বতন্ত্ৰ। সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব অৱধাৰণ বিবাদপূর্ণ। কিন্তু Kant য়ে দাবী কৰে যে কেতবোৰ সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব অৱধাৰণ আছে। উদাহৰণ স্বৰূপে ঃ- ৭+৫=১২ এটা সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব অৱধাৰণ। ই অভিজ্ঞতাপূর্ব কিয়নো ই অনিবার্য্য। তেওঁ বিশ্বাস কৰিছিল যে ই এটা অনিবার্য্যভাৱে সত্য অৱধাৰণ, যিহেতু কোনো ধৰণৰ অভিজ্ঞতাৰ দ্বাৰা ইয়াৰ মিথ্যাত্ব প্ৰমান কৰিব নোৱাৰি। তথাপিও Kant য়ে চিন্তা কৰা নাছিল যে প্ৰত্যেক অনিবার্য্য সত্যই বিশ্লেষণাত্মক। তেওঁ শক্তিশালী দাবী কৰিছে যে গণিতশাস্ত্ৰ সংশ্লেষণাত্মক। Kant ৰ মতে বিধেয় "=১২" "৭+৫=১২ " — এই উক্তিটোত বিধেয় "৭+৫" অত নিহিত নাথাকে। Kant ৰ ভাষাত "We might,indeed,of first supposethatthe proposition 7+5=12 is a merely analytic proposition, and follows by the principle of contrdiction from the concept of a sum of 7 and 5 a single number of contradiction..... by the mere analysis of them and

without the aid of intuition, discover what (the number is that) is the secen." (ibid, 52-53 (B15-16).

৬.৬.২ কাণ্ট বিৰোধী মতামত সমূহ

Kant য়ে আগবঢ়োৱা ব্যাখ্যাটো স্পষ্টকৈ ইমান বেছি ভাল নাইবা সঠিক নহয়। বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক অৱধাৰণৰ মাজত পার্থক্য আনিবলৈ কৰা তেওঁৰ প্রচেষ্টা এটা সময়ত অস্পষ্ট হৈ পৰিছে। আনকি, কিছুমানে দোষাৰোপ কৰে যে সিহঁত বিসঙ্গতিপূর্ণ আৰু দ্বিঅর্থক। আমি ভাৱো যে Kant ৰ যুক্তিসমূহে এই কথা দেখুওৱাবলৈ অপৰাগ হৈছে যে এহাতে কোনোধৰণ গাণিতীয় বিশ্লেষণাত্মক বচন নাই, আৰু আনহাতে সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব আৰু বিশ্লেষণাত্মক অভিজ্ঞতালব্ধ উক্তি বা উক্তিসমূহ আছে। সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব অৱধাৰণ যে আছে, সেই দাবীক কেৱল অভিজ্ঞতাবাদী দার্শনিকসকলেই নহয়, ৰৱঞ্চ গণিতশাস্ত্রত তর্কবিদসকলৰ দ্বাৰা আৰু নিয়ম পৰায়ণ লোকসকলৰ দ্বাৰাও প্রত্যাখিত হৈছে। W.V.O.Quine য়ে 'এটা বস্তুৰ প্রসাৰতা বা বিস্তৃতি আছে' ৰ দৰে Kant ৰ বিশ্লেষণাত্মক, সত্যতাৰ উদাহৰণক খণ্ডণ কৰিছে। Quine ৰ মতে এই অনুমান এক উপৰুৱা তর্কীয় বিশেষ। অভিজ্ঞতাবাদী দার্শনিকবিশেষকৈ ডেভিদ হিউম আৰু তর্কীয় অভিজ্ঞতাবাদী (logical einpiricists) নাইবা তর্কীয় প্রত্যক্ষবাদীসকল আৰু তেওঁলোকৰ অনুগামীসকলে এই দাবী প্রত্যাখ্যান কৰে যে যিকোনো ৰূপত যিকোনো সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব অৱধাৰণ থাকে। সমানে গণিতশাস্ত্রত নিয়ম পৰায়ণ সকলে বিশেষকৈ হিলবার্ট, ফ্রিজী আৰু অন্যান্যসকলেও এই দাবী প্রত্যাখ্যান কৰিছে। সেয়েহে অৱধাৰণ কেৱল দুই প্রকাৰৰেই আছে বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক। বিশ্লেষণাত্মক অৱধাৰণবোৰ অভিজ্ঞতাপূর্ব আৰু সংশ্লেষণাত্মক অৱধাৰণবোৰ অভিজ্ঞতালব্ধ।



চিন্তা-চর্চা কৰক ঃ৬.২

(ক) প্রেট'বাদৰ পৰাই গণিতশাস্ত্র অভিজ্ঞতাপূর্ব— উদাহৰণসহ ব্যাখ্যা কৰক।

(খ) সংশ্লেষণাত্মক অৱধাৰণৰ ওপৰত এখন ৰচনা প্রস্তুত কৰক।



অগ্রগতি নিৰীক্ষন

প্রশ্ন নং ৫ঃ (ক)'৫+৭' একেলগে ১২ ৰ সমান' এই উক্তিটোক অভিজ্ঞতাপূর্ব / অভিজ্ঞতালব্ধ অৱধাৰণ বুলি ক'ব পাৰি।

(খ) 'এতিয়া বাহিৰত বৰষুণ দি আছে' এটা a- priori/ a- posteriori অৱধাৰণ।

প্রশ্ন নং ৬ঃ

(ক) Kant ভৱা নাই যে প্রত্যেক অনিবার্য্য সত্যতাই .....।

(খ) Kant য়ে ভাবিছিল যে গণিতশাস্ত্র .....।

(গ) 'বস্তুৰ বিস্তৃতি আছে' ৰ দৰে Kant ৰ বিশ্লেষণাত্মক সত্যতাৰ নিজা উদাহৰণক..... য়ে খণ্ডন কৰিছিল।



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই আলোচনাটিৰ জৰিয়তে গণিতবিদ্যা কেনেকৈ আৰু কিমান ভিন্ন উপায়েৰে বিশ্লেষণাত্মক আৰু অভিজ্ঞতাপূর্ব হ'ব পাৰে, তাক চাবলৈ আমি প্রয়াস কৰিছো। অৱশ্যে এই সন্ধান আৰম্ভ হৈছে অভিজ্ঞতাপূর্ব আৰু বিশ্লেষণাত্মক অৱধাৰণ নো কি — সেই সন্দর্ভত এক পূর্বানুমানৰ সৈতে। এইটো নুই কৰিব নোৱাৰি যে বিশ্লেষণাত্মক = অভিজ্ঞতাপূর্ব (আমি ওপৰত উল্লেখ কৰাৰ দৰে)।
- এটা উক্তি /অৱধাৰণ অভিজ্ঞতাপূর্ব বচন যাৰ সত্যতা আৰু অসত্যতাক কোনো অভিজ্ঞতামূলক পর্য্যবেক্ষনৰ আপীলৰ অবিহনেই জ্ঞেয় (knowable)।
- সমানে, এটা বিশ্লেষণাত্মক উক্তি হৈছে এক বচন যি অভিজ্ঞতামূলক ভাৱে অখণ্ডনীয় বা অনিবার্য্য। গণিতশাস্ত্রৰ বিশ্লেষণাত্মক উক্তিসমূহক অর্থপূর্ণ হিচাপে গণনা কৰা হয় কিয়নো সিহঁতে বিভিন্ন উপায়েৰে বিজ্ঞানৰ পৰিসৰক গঠন কৰে।
- অভিজ্ঞতামূলক বিজ্ঞানৰ সংশ্লেষণাত্মক উক্তিবোৰ জগতৰ সৈতে জড়িত যিহেতু সিহঁতে ইয়াক বর্ণনাও কৰে আৰু ব্যাখ্যাও কৰে। কিন্তু গণিতশাস্ত্রই জগতক বর্ণনাও নকৰে আৰু তাক ব্যাখ্যাও নকৰে। ই জগতৰ সাধাৰণ সাংগঠনিক ইয়াৰ সু-গঢ়িত বচন বা বাক্যত প্রকাশ কৰে। গণিতশাস্ত্রই বিশেষৰ লগতে ধাৰণা বা প্রত্যয়েৰে গঠিত জগতখনক পর্বানুমান কৰে। তর্কবিজ্ঞানৰ দৰে গণিতশাস্ত্রৰ পৰিসৰো চিন্তাৰ নিয়ম। তর্কবিজ্ঞান আৰু গণিতশাস্ত্রই আবিষ্কাৰ কৰা সত্যতাসমূহ সার্বিক আৰু অনিবার্য্যভাৱে বৈধ সত্যতা। উদাহৰণ স্বৰূপে ঃ- ২+২=৪ আমাৰ ধাৰণাত সার্বিকভাৱে সত্য।
- আমাৰ ধাৰণাগত কল্পনাত অনিবার্য্য সত্যতাবোৰক অভিজ্ঞতাপূর্ব আৰু বিশ্লেষণাত্মক বোলা হয়। এটা অৱধাৰণক অভিজ্ঞতাপূর্ব হিচাপে জানিব পৰা যায়, কেৱল তেতিয়া যদিহে ই অনিবার্য্য হয়। সেই নীতি যাৰ দ্বাৰা এক বিশ্লেষণাত্মক অৱধাৰণক নির্দ্ধাৰণ কৰা হয়, সি অনিবার্য্য ও সার্বিক।
- গণিতশাস্ত্রীয় অৱধাৰণা উদাহৰণ স্বৰূপে ৭+৫=১২ এক সত্য অৱধাৰণ। এই উক্তিটো সত্য আৰু স্পষ্টভাৱে এনেদৰে সত্য যে ইন্দ্রিয় অভিজ্ঞতাৰ দ্বাৰা মিথ্যাত্ব প্রমানক চেৰাই গৈ ইয়াক স্থাপন কৰা হৈছে। সম্ভাৱনামূলকভাৱে এটা গাণিতীয় অৱধাৰণক মুঠতে মিথ্যা প্রমান কৰিব নোৱাৰি, কাৰণ ই এক অনিবার্য্য সত্য। অনিবার্য্যতা আৰু সার্বিকতাৰ হেতু

গাণিতীয় অৱধাৰণসমূহ নিশ্চিতভাৱে অভিজ্ঞতাপূর্ব আৰু বিশ্লেষণাত্মক। গতিকে থুলমুলকৈ ক'ব পাৰি যে গণিতশাস্ত্ৰ অভিজ্ঞতাপূর্ব আৰু বিশ্লেষণাত্মক আৰু অভিজ্ঞতামূলক বিজ্ঞানৰ অৱধাৰণসমূহ অভিজ্ঞতালব্ধ আৰু সংশ্লেষণাত্মক।

৬.৮ অধিক জানিবলৈ

১) Ahmed Hasen. A. (2015). "Is Arithmetic A-Priori ? An obser vation", in S. Debnath, B. Bagchi and S. Mishra (eds.) Mod ern Trends in Social and Basic Sciences, Readers Service, Kolkata, pp. 1212-1220.

২) Frege, G. (1918). 'The Thought: A Logical Enquiry', trans. A. Quinton and M. Quinton, Reprinted in Klemke (1968)

৩) Frege, G. (1952). "On Sense and Reference," In Transtalion from the Philosophical Writtings of gottlob Frege, trans, Peter geach and Max Black, Basil Blackwell, Oxford, Reprinted, 1977.

৪) Hardy, G. N. (1929), "Mathematical Proof", included ib Mind 38.

৫) Kant, I. (1982). Critique of Pure Reason, trans. N. K. Smith Machmillan, London.

৬) Masih, Y. (1994). A Critical History of Western Philosophy, Motilal Banarasidass, Delhi.

৭) Stace, W. T. (1920). A Critical History of Greek Philosophy, Machmillan India Ltd., Reprinted, 2005.

৬.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ

(ক) সত্য।

(খ) সত্য।

২ নং প্ৰশ্নৰ উত্তৰঃ 'অভিজ্ঞতাৰ ওপৰত ভিত্তিশীল"।

৩ নং প্ৰশ্নৰ উত্তৰঃ অনিবাৰ্য্যতা, সাৰ্বিকতা।

৪ নং প্ৰশ্নৰ উত্তৰঃ ইমানুৱেল কাণ্ট

৫ নং প্ৰশ্নৰ উত্তৰঃ

(ক) অভিজ্ঞতাপূর্ব

(খ) অভিজ্ঞতালব্ধ

৬ নং প্রশ্নৰ উত্তৰঃ

(ক) বিশ্লেষণাত্মক

(খ) সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব

(গ) W.V.O.Quine [Willard Van Orman Guide]



৬.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ-

প্রশ্ন ১ঃ a- priori বচনৰ এটা উদাহৰণ দিয়ক।

প্রশ্ন ২ঃ বিশ্লেষণাত্মক বচনৰ এটা উদাহৰণ দিয়ক।

প্রশ্ন ৩ঃ অভিজ্ঞতালব্ধ (a- posteriori) অৱধাৰণৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৪ঃ Kant ৰ মতে বিশ্লেষণাত্মক বচন কি?

প্রশ্ন ৫ঃ Kant ৰ মতে সংশ্লেষণাত্মক বচনৰ সংজ্ঞা দিয়ক

প্রশ্ন ৬ঃ দৃঢ় সার্বিকতা (Strict Universality) ৰ দ্বাৰা কি বুজে?

প্রশ্ন ৭ঃ এটা a- priori অৱধাৰণাৰ দুটা বৈশিষ্ট্য কি কি?

প্রশ্ন ৮ঃ অৱধাৰণৰ চাৰিটা সম্ভাৱনীয়তা কি কি?

প্রশ্ন ৯ঃ সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব অৱধাৰণক কোনে সমর্থন কৰিছে?

প্রশ্ন ১০ঃ"সকলো বিশ্লেষণাত্মক অৱধাৰণতে বিধেয় পদ প্রত্যক্ষ ৰূপে আৰু সম্পূর্ণৰূপে উদ্দেশ্য পদত নিহিত থাকে।" —এই কথাষাৰ কোনে কৈছিল?

(খ) চমু প্রশ্ন (১০০-১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ অভিজ্ঞতাপূর্ব (a- priori) বচনৰ কি? অভিজ্ঞতাপূর্ব বচনৰ এটা উদাহৰণ দিয়ক)।

প্রশ্ন ২ঃ অভিজ্ঞতালব্ধ বচনৰ সংজ্ঞা দিয়ক। ইয়াৰ এক উদাহৰণ দাঙি ধৰক।

প্রশ্ন ৩ঃ 'a- priori' আৰু 'a- posteriori' — অৱধাৰণৰ মাজত পার্থক্য নির্ণয় কৰক।

প্রশ্ন ৪ঃ " গাণিতীয় বচন সমূহ সদায় সংশ্লেষণাত্মক" কাণ্টৰ সন্দর্ভত ব্যাখ্যা কৰক।

প্রশ্ন ৫ঃ " এটা গাণিতীয় উক্তি অনিবার্য্যভাৱে সত্য" — প্লেট'ৰ পৰিপ্রেক্ষিতত চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৬ঃ " গাণিতীয় বস্তুবোৰ অস্তিত্বশীল" — এই উক্তিৰ সত্যাসত্য প্রমাণ কৰক।

প্রশ্ন ৭ঃ সংশ্লেষণাত্মক অৱধাৰণ কি? উদাহৰণ দিয়ক।

প্রশ্ন ৮ঃ উদাহৰণ সহ অভিজ্ঞতাপূর্ব সংশ্লেষণাত্মক অৱধাৰণক ব্যাখ্যা কৰক।

প্রশ্ন ৯ঃ বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক অৱধাৰণৰ মাজত এক তুলনামূলক আলোচনা আগবঢ়াওক।

প্রশ্ন ১০ঃ " অভিজ্ঞতাপূর্ব অৱধাৰণসমূহ সার্বিক আৰু অনিবার্য্য" — চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৩৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ " অভিজ্ঞতাপূর্ব " ধাৰণাটোক ব্যাখ্যা কৰি বহলাই আলোচনা কৰক।

প্রশ্ন ২ঃ উদাহৰণেৰে সৈতে 'অভিজ্ঞতালব্ধ' জ্ঞানৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ অভিজ্ঞতা পূর্ব অৱধাৰণ কি? "a- priori" শব্দটো কিদৰে বিসংগতিপূর্ণ হয়? — আলোচনা কৰক।

প্রশ্ন ৪ঃ কাণ্টৰ সন্দর্ভত বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক বচনক ব্যাখ্যা কৰক।

প্রশ্ন ৫ঃ প্লেটীয় মতবাদ গণিতশাস্ত্র যে অভিজ্ঞতাপূর্ব তাক ব্যাখ্যা কৰক।

প্রশ্ন ৬ঃ Kant য়ে কিদৰে 'অভিজ্ঞতাপূর্ব' আৰু 'অভিজ্ঞতালব্ধ' আৰু 'বিশ্লেষণাত্মক' আৰু 'সংশ্লেষণাত্মক' ৰ মাজত প্রভেদ আনিছে? উদাহৰণেৰে সৈতে ব্যাখ্যা কৰক।

প্রশ্ন ৭ঃ সংশ্লেষণাত্মক অভিজ্ঞতাপূর্ব অৱধাৰণৰ ওপৰত Kant ৰ মতামত সম্পর্কে এক সমালোচনাত্মক আলোচনা আগবঢ়াওক।

প্রশ্ন ৮ঃ উদাহৰণসহ 'a- priori' আৰু 'a- posteriori' জ্ঞানক ব্যাখ্যা কৰক।

প্রশ্ন ৯ঃ কাণ্টৰ মত "গণিতশাস্ত্র সংশ্লেষণাত্মক" ক উল্লেখ কৰি মন্তব্য আগবঢ়াওক।

প্রশ্ন ১০ঃ 'অভিজ্ঞতাপূর্ব জ্ঞান' বুলিলে কি বুজে? অভিজ্ঞতাপূর্ব আৰু অভিজ্ঞতালব্ধৰ মাজত পার্থক্য নির্ণয় কৰক।

*** ***** ***

অধ্যায়- ৭ঃ জ্ঞান তত্ত্ব ঃ বুদ্ধিবাদ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ জ্ঞানৰ মূল আৰু উৎপত্তি
৭.৪ জ্ঞান তত্ত্ব
৭.৫ বুদ্ধিবাদ
৭.৫.১ বিভিন্ন দার্শনিকৰ মতামত
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্রগতিৰ খতিয়ান
৭.১১ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জ্ঞানোৎপত্তি সম্পর্কীয় মতবাদৰ লগত জড়িত বিভিন্ন দার্শনিকৰ নাম জানিব পাৰিব,
- জ্ঞানৰ উৎস আৰু উৎপত্তি সম্পর্কে থকা বুদ্ধিবাদ ব্যাখ্যা কৰিব পাৰিব,
- বুদ্ধিবাদৰ লগত জড়িত দার্শনিকৰ বিভিন্ন মতসমূহৰ আলোচনা কৰিব পাৰিব,
- জ্ঞানোৎপত্তিৰ উৎস হিচাপে বুদ্ধিৰ গুণ আৰু দোষসমূহ উল্লেখ কৰিব পাৰিব।

৭.২ পৰিচয়

দর্শনৰ যিটো বিশেষ শাখাই জ্ঞানৰ স্বৰূপ, উৎস, যথার্থতা, সীমাবদ্ধতা আদিৰ বিষয়ে অধ্যয়ন কৰে তাক জ্ঞানমীমাংসা (Epistemology) বুলি জনা যায়। এয়াই হ'ল জ্ঞান তত্ত্ব বা জ্ঞানৰ মতবাদ। জ্ঞানমীমাংসাৰ অপৰিহার্য্য প্রশ্নসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰিঃ

(১) জ্ঞানৰ স্বৰূপ কি ? ঃ এই প্রশ্নটোৱে কোনো এটা কথা কেনেদৰে জনা যায় তাৰ বিষয়ে আলোচনা কৰে। কেনেকৈ আমি কোনো এটা কথা জনা বা জ্ঞান লাভ কৰা আৰু কোনো এটা কথা নজনা বা জ্ঞান লাভ নকৰাৰ মাজত পার্থক্য নির্ণয় কৰিব পাৰোঁ।

(২) আমি কেনেকৈ জ্ঞান লাভ কৰিব পাৰোঁ ? ঃ এই প্রশ্নটোৰ দ্বাৰা আমি আমাৰ জ্ঞানৰ মূল আৰু উৎস সম্পর্কে জানিবলৈ চেষ্টা কৰোঁ। বৈধ জ্ঞান লাভৰ শ্রেষ্ঠ আৰু সর্বাধিক সুৰক্ষিত উপায় কি জানিবলৈ আমি কেনেকৈ মনৰ স্বাভাৱিক বুদ্ধিবৃত্তি বা ইন্দ্রিয় প্রয়োগ কৰোঁ ?

(৩) জ্ঞানৰ পৰিধি বা সীমাবদ্ধতা কি ? ঃ এই প্ৰশ্নটোৰ সহায়ত জানিবলৈ চেষ্টা কৰিব পাৰোঁ যে আমাৰ জ্ঞান অৰ্জনৰ ক্ষেত্ৰত কোনো নিৰ্ধাৰিত সীমাবদ্ধতা আছে নেকি ? উদাহৰণস্বৰূপে, এনে কোনো বস্তু আছে নেকি যিবোৰ আমাৰ বাবে অজ্ঞেয় বা জ্ঞানৰ উৰ্দ্ধত ? নে এয়াও সম্ভৱ যে আমি যিমান জানো বুলি ভাবো প্ৰকৃততে নাজানো ?

এই গোটটোত জ্ঞান মীমাংসাৰ দ্বিতীয়টো প্ৰশ্ন অৰ্থাৎ আমি কেনেকৈ জ্ঞান অৰ্জন কৰোঁ তাৰ বিষয়ে আলোচনা কৰা হৈছে।

৭.৩ জ্ঞানৰ মূল আৰু উৎস

কোনো বস্তু জনাৰ বা কোনো বিষয়ে জ্ঞান লাভ কৰাৰ বিভিন্ন উপায় আছে। প্ৰত্যক্ষৰ দ্বাৰা আমি আমাৰ জগতৰ অভিজ্ঞতাজনিত ঘটনাসমূহৰ জ্ঞান লাভ কৰিব পাৰোঁ। ইয়াৰ সৰ্বোৎকৃষ্ট উদাহৰণ হ'ল বিজ্ঞান। বিজ্ঞানে অভিজ্ঞতাৰ সহায়ত বিভিন্ন তথ্য আহৰণ কৰে। আমাৰ দৈনন্দিন জ্ঞানসমূহবোৰ বেছিভাগ ইন্দ্ৰিয়ৰ দ্বাৰাই লাভ হয়। যেনেঃ দেখা, শুনা, গোন্ধ পোৱা, স্পৰ্শ, স্বাদ আদি জ্ঞানসমূহ ইন্দ্ৰিয় লব্ধ। কিন্তু জ্ঞান কেৱল ইন্দ্ৰিয়ৰ দ্বাৰাই লাভ কৰিব নোৱাৰি। সকলো প্ৰকাৰৰ জ্ঞানৰ বাবে যুক্তিৰ প্ৰয়োজন। বিজ্ঞানীসকলে ইন্দ্ৰিয়ৰ দ্বাৰা আহৰণ কৰা তথ্যসমূহো সত্য প্ৰতিষ্ঠাৰ পূৰ্বে যুক্তি বা বুদ্ধিৰ সহায়ত বিশ্লেষণ কৰা হয়। বিশেষকৈ বিমূৰ্ত্ত জ্ঞানৰ ক্ষেত্ৰত বুদ্ধিয়েই প্ৰধান ভৰসা। কিছুমান দাৰ্শনিকৰ মতে 'স্মৃতি'ও জ্ঞান লাভৰ এক উৎস। স্মৃতিৰ সহায়তো আমি কিছুমান বস্তুৰ জ্ঞান লাভ কৰিব পাৰোঁ। শব্দ প্ৰমাণৰ জৰিয়তে জ্ঞান লাভ কৰিব পাৰি। দৰ্শনত আপ্ত ব্যক্তিৰ বা আপ্ত গ্ৰন্থৰ বাণী প্ৰামাণ্য সত্য বুলি বিবেচিত হয়।

৭.৪ জ্ঞানৰ মতবাদসমূহ

জ্ঞানৰ উৎপত্তি সম্পৰ্কে প্ৰধানকৈ চাৰিটা মতবাদ পোৱা যায়—

(১) বুদ্ধিবাদ ঃ এই মতবাদ অনুসৰি বুদ্ধিয়েই জ্ঞানৰ প্ৰধান তথা একমাত্ৰ উৎস। ৰেণে ডেকার্ট, স্পিনোজা আৰু লেইব্‌নিজ হ'ল বুদ্ধিবাদৰ প্ৰধান প্ৰবক্তা।

(২) অভিজ্ঞতাবাদ ঃ এই মতবাদ অনুসৰি ইন্দ্ৰিয় অভিজ্ঞতাই জ্ঞান লাভৰ একমাত্ৰ উৎস। অভিজ্ঞতাবাদৰ জনক হ'ল জন ল'ক। ল'কৰ উপৰিও এই মতবাদৰ প্ৰধান পৃষ্ঠপোষক হ'ল ডেভিদ হিউম আৰু জৰ্জ বাৰ্কলে।

(৩) বিচাৰবাদ ঃ বিচাৰবাদৰ পৃষ্ঠপোষক হ'ল ইমানুৱেল কান্ট। কান্টৰ মতে বুদ্ধি আৰু অভিজ্ঞতাৰ সংযোজনৰ ফলতে জ্ঞানৰ উৎপত্তি হয়।

(৪) স্বজ্ঞাবাদ বা অন্তর্জ্ঞান বাদ ঃ এই মতবাদ অনুসৰি স্বজ্ঞা বা অন্তর্জ্ঞানেই জ্ঞান লাভৰ উৎস। হেন্‌ৰি বাৰ্গছঁ (Henry Bergson) হ'ল স্বজ্ঞাবাদৰ প্ৰধান পুৰোধা।

৭.৫ বুদ্ধিবাদ

জ্ঞানোৎপত্তি সম্পর্কীয় বুদ্ধিবাদৰ মতে যুক্তি বা বুদ্ধিয়েই জ্ঞানৰ প্ৰধান তথা একমাত্ৰ উৎস। বুদ্ধিবাদে ইন্দ্ৰিয় অভিজ্ঞতাক জ্ঞান লাভৰ উৎস হিচাপে অগ্ৰাহ্য কৰে। ছক্ৰেটিছ আৰু প্লেটোৰ দৰ্শনত আমি সৰ্ব-প্ৰথম বুদ্ধিবাদৰ আভাস পাওঁ। তেওঁলোকৰ মতে যথাৰ্থ জ্ঞানৰ উৎস হ'ল 'যুক্তি'। ছক্ৰেটিছ আৰু প্লেটো আদি দাৰ্শনিক সকলে নিৰ্দিষ্ট মতবাদ প্ৰতিষ্ঠা নকৰিলেও বুদ্ধিকেই অভ্ৰান্ত জ্ঞানৰ আধাৰ ৰূপে স্বীকাৰ কৰে। তেওঁলোকে জ্ঞানক চিন্তাশক্তি আৰু যুক্তিৰ ঐক্য বুলি বিবেচনা কৰে। সোতৰশ আৰু ওঠৰশ শতিকাৰ দাৰ্শনিকসকলেও পৰৱৰ্তীকালত জ্ঞানৰ জগতত বুদ্ধিৰ অনিবাৰ্য্য ভূমিকা প্ৰমাণ কৰিবলৈ নিজস্ব মতবাদ প্ৰতিষ্ঠা কৰে। জ্ঞান লাভৰ ক্ষেত্ৰত অভিজ্ঞতাৰ গুৰুত্ব কিমান তাৰ ওপৰত নিৰ্ভৰ কৰি বেলেগ বেলেগ বুদ্ধিবাদী দাৰ্শনিকে বেলেগ বেলেগ ব্যাখ্যা আগবঢ়াইছে। কিছুমান বুদ্ধিবাদী দাৰ্শনিকৰ মতে যথাৰ্থ জ্ঞান লাভৰ ক্ষেত্ৰত ইন্দ্ৰিয় অভিজ্ঞতাৰ কোনো অৱদান নাই; ইন্দ্ৰিয় অভিজ্ঞতাই আমাক কোনো জ্ঞান দিব নোৱাৰে। আনহাতে কিছুসংখ্যক বুদ্ধিবাদী দাৰ্শনিকে অভিজ্ঞতালব্ধ জ্ঞানক কিঞ্চিৎ মূল্য দিছে। তেওঁলোকৰ মতে অভিজ্ঞতাৰ পৰা কিছুমান জ্ঞান সম্ভৱ হ'লেও এই জ্ঞান বিভ্ৰান্তিকৰ জ্ঞান। কিন্তু সকলো বুদ্ধিবাদী দাৰ্শনিক এক কথাত একমত যে বুদ্ধি বা যুক্তিৰ পৰা পোৱা জ্ঞান হ'ল নিশ্চিত আৰু শুদ্ধ জ্ঞান। বুদ্ধিবাদক অভিজ্ঞতাপূৰ্ব জ্ঞানৰ মতবাদ বুলিও কোৱা হয় কাৰণ এই মতবাদ অনুসৰি জ্ঞান অভিজ্ঞতাপূৰ্ব বা অভিজ্ঞতা স্বতন্ত্ৰ।

৭.৫.১ বিভিন্ন দাৰ্শনিকৰ মতামত

ৰেণে ডেকার্ট (১৫৯৬-১৬৫০) ঃ-

আধুনিক পাশ্চাত্য দৰ্শনৰ জনক বুলি খ্যাত ৰেণে ডেকার্ট বুদ্ধিবাদৰো প্ৰধান হোতা। ডেকার্ট এগৰাকী ফৰাছী দাৰ্শনিক তথা গণিতজ্ঞ। ডেকার্ট যিহেতু এগৰাকী গণিতজ্ঞ আছিল, সেয়ে তেওঁৰ মতে গাণিতিক পদ্ধতি অনুসৰণ কৰিয়েই দৰ্শনৰ ক্ষেত্ৰতো যথাৰ্থ জ্ঞান লাভ কৰা সম্ভৱ। এনে পদ্ধতিসমূহত কেতবোৰ স্বতঃসিদ্ধ সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰি নিগমণ পদ্ধতিৰ সহায়ত সিদ্ধান্ত নিৰ্ণয় কৰা হয়।

ডেকার্টৰ মতে আমাৰ মনত তিনি প্ৰকাৰৰ ধাৰণা থাকে ঃ আগন্তুক ধাৰণা (Adventitious Idea), কৃত্ৰিম বা কাল্পনিক ধাৰণা (Factitious Idea) আৰু অন্তৰ্জাত ধাৰণা (Innate Idea), বাহ্যিক বস্তুৰ লগত হোৱা ইন্দ্ৰিয় সংস্পৰ্শৰ ফলত যি ধাৰণাৰ উৎপত্তি হয় তাক আগন্তুক ধাৰণা বুলি কোৱা হয়। এই ধাৰণা স্পষ্ট আৰু পৰিস্ফুট নহয়। বাহ্যিক বস্তুৰ ওপৰত নিৰ্ভৰ নকৰাকৈ আমাৰ মনে বিভিন্ন ধাৰণাক সংযুক্ত কৰি এক নতুন ধাৰণা সাজি লয়, তাকে কৃত্ৰিম ধাৰণা বোলে। এই কৃত্ৰিম ধাৰণাও স্পষ্ট আৰু সন্দেহমুক্ত নহয়। কিন্তু অন্তৰ্জাত ধাৰণা স্পষ্ট আৰু স্বতঃসিদ্ধ। অন্তৰ্জাত ধাৰণাসমূহ

জন্মৰ সময়তে ঈশ্বৰে মানুহৰ মনত ৰোপন কৰে।

ডেকার্টৰ মতে বুদ্ধি বা যুক্তিৰ স্পষ্ট ছাঁপৰ পৰা জ্ঞানৰ উদ্ভৱ হয়। ডেকার্টে ইয়াক স্বজ্ঞা বা অন্তর্জ্ঞান (Intuition) বুলি কৈছে। বুদ্ধি জ্ঞান লাভৰ স্বাভাৱিক উৎস। তেওঁৰ মতে স্বজ্ঞা হ'ল যুক্তি প্রদত্ত স্বতঃসিদ্ধ সত্যৰ নিঃসন্দেহ তথা প্রত্যক্ষ উপলব্ধি। সকলো অভিজ্ঞতা অর্জনৰ পূর্বেই জন্মৰ সময়ত ঈশ্বৰে অন্তর্জাত ধাৰণাসমূহ মানুহৰ মনত ৰোপন কৰিছে। অন্তর্জাত ধাৰণাসমূহ স্বতঃসিদ্ধ। কার্য্যকাৰণ সম্বন্ধ, অসীমতা, নিত্যতা, পূর্ণতা বা ঈশ্বৰৰ ধাৰণা আদি অন্তর্জাত ধাৰণা। এই ধাৰণাসমূহ স্পষ্ট আৰু পৰিস্ফুট আৰু এই স্পষ্টতা আৰু পৰিস্ফুটতাই হ'ল সত্যতা নির্ণয়ৰ মাপকাঠি। গণিতত কেতবোৰ স্বতঃসিদ্ধ সূত্রৰ ওপৰত নির্ভৰ কৰি নিগমণ পদ্ধতিৰ সহায়ত সিদ্ধান্ত নির্ণয় কৰা হয়। দর্শনৰ ক্ষেত্রতো যদি একে পদ্ধতি অৱলম্বন কৰা হয় তেন্তে দার্শনিক সত্যও গণিতৰ দৰে সুনিশ্চিত হ'ব। এইদৰে ডেকার্টে দর্শনত গাণিতিক পদ্ধতি অনুসৰণ কৰে। সেয়েহে পলছনে (Paulson) ডেকার্টৰ দর্শনক 'গাণিতিক বুদ্ধিবাদ' (Mathematical Rationalism) বুলি অভিহিত কৰে।

ডেকার্টৰ মতে নিশ্চয়তা হ'ল সত্যতাৰ ভিত্তি। সেয়েহে তেওঁ ইন্দ্রিয় অভিজ্ঞতাৰ পৰা লাভ কৰা জ্ঞান অগ্রাহ্য কৰে। ডেকার্টৰ লক্ষ্য আছিল এটা নিঃসংশয় মূলনীতিত উপনীত হোৱা। ডেকার্টে বিশ্বসংসাৰৰ সকলোবোৰ বস্তুকেই সন্দেহ কৰিবলৈ ধৰিলে। সকলো বস্তুকে সন্দেহ কৰিব পাৰি কিন্তু সংশয় কৰা আত্মাক সন্দেহ কৰিব নোৱাৰি। সংশয় কৰা মানে হ'ল ভবা আৰু ভবা মানে হ'ল অস্তিত্ব থকা। 'মই ভাবো, সেইকাৰণে মই আঁছো' (Cogito Ergo Sum)।

ডেকার্টে আত্মাৰ অস্তিত্ব প্রতিষ্ঠিত কৰিবলৈ বাহ্যিক জগতৰ অস্তিত্ব স্বীকাৰ কৰে। মানুহৰ অন্তর্জাত ধাৰণা সমূহৰ ভিতৰত আটাইতকৈ প্রয়োজনীয় অন্তর্জাত ধাৰণা হ'ল ঈশ্বৰৰ ধাৰণা। ডেকার্টে ঈশ্বৰৰ এই ধাৰণাৰ পৰা ঈশ্বৰৰ অস্তিত্বক প্রমাণ কৰে। ঈশ্বৰৰ ধাৰণাই হ'ল অসীম অস্তিত্বৰ ধাৰণা। কিন্তু মানুহৰ অস্তিত্ব সসীম হেতু ই অসীমৰ ধাৰণা সৃষ্টি কৰিব নোৱাৰে। সসীম অস্তিত্ব সমূহক একেলগ কৰিও ঈশ্বৰৰ অসীম অস্তিত্বৰ ধাৰণাক উৎপন্ন কৰিব নোৱাৰি, কিয়নো সসীম অস্তিত্বৰ সমষ্টিও সসীম। সেয়েহে অসীম অস্তিত্বৰ ধাৰণা প্রমাণ কৰিবলৈ এক অসীম অস্তিত্বেৰেই প্রয়োজন। আৰু সেয়া ঈশ্বৰ নিজেই। এইদৰে ডেকার্টে ঈশ্বৰৰ অস্তিত্ব মানি লৈছে। ঈশ্বৰৰ অস্তিত্বৰ সত্যতাৰ ওপৰত নির্ভৰ কৰি ডেকার্টে বাহ্যজগতৰ অস্তিত্বও প্রমাণ কৰে। ঈশ্বৰ সত্য আৰু দয়াশীল, ঈশ্বৰে আমাক প্রতাৰণা কৰিব নোৱাৰে। সেয়েহে আমি বুদ্ধি আৰু যুক্তিত পোৱা বাহ্যজগতৰ অস্তিত্ব আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং১ঃ তলত দিয়াবোৰৰ শুদ্ধ /অশুদ্ধ নির্ণয় কৰক।

(ক) দর্শনৰ যিটো শাখাই জ্ঞানোৎপত্তিৰ মূলতত্ত্ব আলোচনা কৰে তাক তত্ত্ববিদ্যা বুলি কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

(খ)প্লেটোৰ দর্শনক যৌক্তিক বুলি দাবী কৰিব নোৱাৰি। (শুদ্ধ/অশুদ্ধ)

(গ) অভিজ্ঞতা পূর্বমানে হ'ল 'জ্ঞান হ'ল অভিজ্ঞতা লব্ধ'। (শুদ্ধ/অশুদ্ধ)

(ঘ) অন্তর্জাত ধাৰণাসমূহ ঈশ্বৰে জন্মৰ সময়ত মানুহৰ মনত ৰোপন কৰা ধাৰণা। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং২ঃ ডেকার্টৰ মতে তিনি প্রকাৰৰ ধাৰণা কি কি?

.....

.....

.....

প্রশ্ন নং৩ঃ ডেকার্টৰ মতে সত্যতাৰ ভিত্তি কি?

.....

বেনেডিক্ত স্পিনোজা (১৬৩২-১৬৭৭)

আধুনিক পাশ্চাত্য দর্শনত স্পিনোজাই ডেকার্টে আৰম্ভ কৰা বুদ্ধিবাদক উন্নতৰূপ প্রদান কৰে। ডেকার্টৰ দৰে স্পিনোজাৰো যুক্তি আৰু বুদ্ধিৰ ওপৰত অগাধ বিশ্বাস আছিল। এজন বুদ্ধিবাদী হিচাপে স্পিনোজাৰ মতে বুদ্ধিৰ জৰিয়তে আমি সত্যক জানিব পাৰোঁ। তেওঁৰ মতে বিশুদ্ধ বুদ্ধিয়েই সকলো প্রকাৰৰ মানৰীয় জ্ঞানৰ উৎস। বুদ্ধিয়ে আমাক সত্ত্বাৰ জ্ঞান দিব পাৰে কাৰণ সত্ত্বা স্বৰূপতে যৌক্তিক। স্পিনোজাৰ মতে ঈশ্বৰে নিজেই জগতখনক যৌক্তিক ভাৱে সৃষ্টি কৰিছে। তেওঁৰ মতে স্বজ্ঞা (Intution) হ'ল যথার্থ জ্ঞান লাভৰ উপায়। স্বজ্ঞা বা অন্তর্জ্ঞানৰ জৰিয়তে মানুহে দৃশ্যমান বস্তুসমূহৰ মাজত থকা সার্বিক সম্বন্ধৰ বিষয়ে জানে।

স্পিনোজাৰ মতে বস্তুৰ সম্পূর্ণ জ্ঞান লাভ কৰাই হ'ল দর্শনৰ উদ্দেশ্য। তেওঁৰ মতে এই সম্পূর্ণ জ্ঞানৰ কাৰণে স্পষ্ট আৰু পৰিস্ফুট চিন্তাৰ প্রয়োজন। ডেকার্টৰ দৰে স্পিনোজাইও বিশ্বাস কৰিছিল যে যদি আমি স্বতঃসিদ্ধ নীতিৰে জ্ঞান লাভৰ বাবে অগ্রসৰ হওঁ আৰু যুক্তিত জড়িত থকা পদক্ষেপসমূহ প্রমাণ কৰোঁ তেন্তে আমি নিশ্চিত আৰু সার্বিক জ্ঞান লাভ কৰিবলৈ সক্ষম হম। স্পিনোজাই নিশ্চিত সত্যত উপনীত হ'বলৈ দর্শনত জ্যামিতিক পদ্ধতি ব্যৱহাৰ কৰিছে। নিশ্চিত সত্যত উপনীত হ'বলৈ তেওঁ বিভিন্ন ধৰণৰ সূত্র, স্বীকার্য্য আদি প্রয়োগ কৰিছে আৰু এই নীতিসমূহৰ পৰা প্রমাণেৰে সৈতে

বচনসমূহ নিঃসৃত কৰিছে। ডেকার্টৰ দৰে স্পিনোজাইও অন্তর্জাত ধাৰণাৰ অস্তিত্বত বিশ্বাস কৰে। অৱশ্যে তেওঁ অন্তর্জাত ধাৰণাক বর্ণনা কৰিছিল বিশেষভাৱে ঈশ্বৰৰ ধাৰণাৰ সহায়ত। স্পিনোজাৰ মতে ইশ্বৰেই একমাত্র দ্রব্য। তেওঁৰ মতে দ্রব্য অসীম আৰু অনন্ত। ঈশ্বৰ বা দ্রব্যৰ অস্তিত্বৰ কাৰণে ঈশ্বৰ বা দ্রব্য নিজেই নিজৰ প্রমাণ। দ্রব্য হ'ল অনন্ত গুণৰ অধিকাৰী। এই গুণসমূহৰ ভিতৰত আমি চেতনা (thought) আৰু বিস্তৃতি (extension) হে জানো। গুণসমূহ সমান্তৰাল আৰু সহ-অৱস্থিতি সম্পন্ন। এই গুণসমূহক অসীম জ্ঞান বা বুদ্ধি আৰু ইচ্ছা; আৰু অসীম বিস্তৃতি আৰু গতিত পৰিবর্তিত কৰা হৈছে। অসীম বুদ্ধি আৰু ইচ্ছাক আকৌ সসীম বুদ্ধি আৰু সসীম মন সমূহলৈ পৰিবর্তিত কৰা হৈছে। অসীম বিস্তৃতি আৰু গতিক সসীম বিস্তৃতি আৰু গতি বা সসীম বস্তুবোৰলৈ ৰূপান্তৰিত কৰা হৈছে। এইদৰে সসীম মন আৰু সসীম বস্তু হ'ল মাত্র এটা দ্রব্যৰ ৰূপান্তৰণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৪ঃ স্পিনোজাৰ দার্শনিক পদ্ধতি হ'ল — (ক) গাণিতিক, (খ) জ্যামিতিক

প্রশ্ন নং৫ঃ স্পিনোজাৰ মতে ঈশ্বৰৰ — (ক) তিনিটা গুণ, (খ) দুটা গুণ, (ক) অসীম গুণ আছে।

গটফ্রেদ উইলহেল্ম লেইব্‌নিজ (Gottfried Wilhelm Leibniz) (১৬৪৬-১৭১৬)

লেইব্‌নিজ এজন বিখ্যাত গণিতজ্ঞ আছিল। তেওঁৰ মতে জগতখনৰ এক তর্কীয় আৰু গাণিতিক শৃংখলা আছে। জগতক নিয়ন্ত্রণ কৰা নিয়ম শৃংখলা যুক্তি বা বুদ্ধিৰ ওপৰতহে নির্ভৰশীল। সেয়েহে লেইব্‌নিজে দৃঢ়ভাবে উপস্থাপন কৰে যে কেৱল বুদ্ধিজাত উপাদানৰ পৰাহে জ্ঞান উৎপন্ন হ'ব পাৰে। বুদ্ধিৰ দ্বাৰাই সমস্ত ধাৰণা লাভ কৰা যায়, ইন্দ্রিয়ৰ মাধ্যমত নহয়।

লেইব্‌নিজৰ জ্ঞানৰ মতবাদ তেওঁৰ তাত্ত্বিক (metaphysical) মতবাদৰ ওপৰত প্রতিস্থিত। লেইব্‌নিজে প্রতিষ্ঠা কৰে যে জগতখন কিছুমান সক্রিয়, অমূর্ত্ত, অবিস্তৃত আৰু সৰল শক্তিৰ গোট। এই গোট বিলাকক মনাড (monad) বুলি কোৱা হয়। এই জীৱজগত অসংখ্য চিৎ পৰমাণু বা মনাডৰ সমষ্টি মাথোন। লেইব্‌নিজৰ মতে মনাডসমূহ গবাক্ষ বা খিৰিকী বিহীন চেতন সত্তা (Windowlessness), সেয়েহে মনাডে বাহিৰা উৎসৰ পৰা কোনো জ্ঞান লাভ কৰিব নোৱাৰে। মনাড হ'ল সক্রিয় চেতন সত্তা য'ত বাহ্যজগত বা ঈন্দ্রিয়লবদ্ধ জ্ঞানৰ প্রতিফলন ঘটিব নোৱাৰে। লেইব্‌নিজৰ মতে আপাত দৃষ্টিত ঈন্দ্রিয়ৰ পৰা লাভ কৰা যেন বোধ হোৱা ধাৰণাসমূহো প্রকৃততে বুদ্ধি প্রদত্ত ধাৰণাহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৬ঃ তলত দিয়াবোৰৰ শুদ্ধ /অশুদ্ধ নির্ণয় কৰক।

(ক) মনাডসমূহ বিস্তৃত। (শুদ্ধ/অশুদ্ধ)

(খ) লেইব্‌নিজৰ মতে জ্ঞানত অভিজ্ঞতাৰ কাম হ'ল অভিজ্ঞতাক প্রকাশ কৰা। (শুদ্ধ/অশুদ্ধ)



চিন্তা-চর্চা কৰক ৭.১

বুদ্ধিবাদৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

প্রত্যেক গৰাকী বুদ্ধিবাদী দার্শনিকৰ একোখনকৈ গুৰুত্বপূর্ণ গ্রন্থৰ নাম লিখক।

.....

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টিৰ পৰা আমি জানিব পাৰিলোঁ যে——

- বুদ্ধিবাদ অনুসৰি বুদ্ধিয়েই জ্ঞানৰ প্রধান তথা একমাত্র উৎস।
- ৰেণে ডেকার্ট, স্পিনোজা আৰু লেইব্‌নিজ হ'ল বুদ্ধিবাদৰ প্রধান প্রবক্তা।
- আধুনিক দর্শন ডেকার্টৰ দর্শনত আৰম্ভ হয়। ডেকার্টক পাশ্চাত্য দর্শনৰ পিতৃ-হিচাপে জনা যায়।
- স্পিনোজাৰ মতে কোনো এটা বস্তুক সম্পূর্ণকৈ জনাই হ'ল দর্শনৰ লক্ষ্য।
- 'Cogito ergo Sum' মানে মইভাবো গতিকে মই আছো।



৭.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থঃ

(১) দর্শনৰ পৰিচয় (পাশ্চাত্য দর্শন) ঃ ড° জোৎস্না ভট্টাচার্য্য

(২) পাশ্চাত্য দর্শন ঃ অঞ্জলী দেৰী

(৩) ইমানুৱেল কান্ট ঃ তেওঁৰ জীৱন আৰু দর্শন ঃ কালীচৰণ দাস

ইংৰাজী গ্ৰন্থঃ

(১) A History of Philosophy ঃ Frank Thrilly

৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ আগন্তুক ধাৰণা, কৃত্ৰিম ধাৰণা, অন্তৰ্জাত ধাৰণা

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নিশ্চয়তা

৪ নং প্ৰশ্নৰ উত্তৰ ঃ জ্যামিত্যিক

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অসীম বা পৰিমিত গুণ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৭.৯ আৰ্হিপ্ৰশ্ন

(ক) বস্তু ধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ জ্ঞান বিজ্ঞান কি?

প্ৰশ্ন ২ঃ শব্দ প্ৰকল্প জ্ঞানৰ উৎস নহয় নে?

প্ৰশ্ন ৩ঃ যুক্তিবাদ কি?

প্ৰশ্ন ৪ঃ যুক্তিবাদক সমৰ্থন কৰা দাৰ্শনিকৰ নাম লিখক?

প্ৰশ্ন ৫ঃ যুক্তিবাদৰ আন এটা নাম কি?

প্ৰশ্ন ৬ঃ অন্তৰ্জাতৰ ধাৰণাৰ উদাহৰণ দিয়ক।

প্ৰশ্ন ৭ঃ ডেকার্টৰ মতে সত্তাৰ মানদণ্ডটো কি?

প্ৰশ্ন ৮ঃ 'Cogito Ergo Sum' ৰ অৰ্থ কি?

(খ) চমু প্ৰশ্ন (১৫০-৩০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ যুক্তিবাবাদৰ ধাৰণা সম্পৰ্কে চমু মন্তব্য আগবঢ়াওক।

প্ৰশ্ন ২ঃ যুক্তিবাদৰ সমৰ্থনকাৰীসকল কোন কোন? যুক্তিবাবাদৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ যুক্তিবাদ সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ৪ঃ ডেকার্টৰ ধাৰণাৰ প্ৰকাৰ সম্বন্ধে এটি চমু ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৫ঃ জ্যামিত্যিক পদ্ধতিটো উদ্ভাৱনকাৰী জনৰ নাম কি? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

(গ) চমু টোকা লিখক (১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

(ক) অন্তৰ্জাত ধাৰণা

(খ) ডেকার্টৰ দৰ্শনত জ্যামিত্যিক পদ্ধতি

(ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ জ্ঞানৰ মতবাদ হিচাপে যুক্তিবাদ আলোচনা কৰক।

প্রশ্ন ২ঃ সমালোচনা আগবঢ়াই অভিজ্ঞতাবাদ আৰু যুক্তিবাদৰ ব্যাখ্যা দাঙি ধৰক।

*** ***** ***

অধ্যায়- ৮ জ্ঞান তত্ত্ব ঃ অভিজ্ঞতাবাদ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ অভিজ্ঞতাবাদ
৮.৩.১ বিভিন্ন দার্শনিকৰ মতামত
৮.৪ বিচাৰবাদ
৮.৪.১ বিভিন্ন দার্শনিকৰ মতামত
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্রগতিৰ খতিয়ান
৮.৮ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জ্ঞানোৎপত্তি সম্পর্কীয় মতবাদৰ লগত জড়িত বিভিন্ন দার্শনিকৰ নাম জানিব পাৰিব,
- জ্ঞানৰ উৎস আৰু উৎপত্তি সম্পর্কে থকা অভিজ্ঞতাবাদৰ ব্যাখ্যা আগবঢ়াব পাৰিব,
- জ্ঞানোৎপত্তিৰ উৎস হিচাপে অভিজ্ঞতাৰ গুণ আৰু দোষসমূহ উল্লেখ কৰিব পাৰিব।

৮.২ পৰিচয়

আগৰ অধ্যায়ত ইতিমধ্যে আপোনালোকে জ্ঞানৰ উৎস আৰু উৎপত্তি সম্পর্কে যুক্তিবাদৰ বিষয়ে আলোচনা কৰিছে। কিন্তু এই অধ্যায়ত আপোনালোকে জ্ঞানৰ উৎস আৰু উৎপত্তি সম্পর্কে থকা তত্ত্ব যেনে- অভিজ্ঞতাবাদৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। এই অধ্যায়টোৱে বিশেষ ভাৱে আপোনাক অভিজ্ঞতাবাদৰ লগত পৰিচয় কৰাই দিব। এই অধ্যয়ৰ মূল প্রসংগবোৰ হ'লঃ

- অভিজ্ঞতাবাদ হ'ল জ্ঞানৰ উৎস আৰু উৎপত্তি সম্পর্কীয় মতবাদ
- অভিজ্ঞতাবাদ সম্পর্কে বিভিন্ন দার্শনিকে আগবঢ়োৱা মতা-মত সমূহ জানিব পাৰিব।
- জ্ঞানৰ উৎপত্তি সম্পর্কে থকা আন এটা তত্ত্ব হ'ল বিচাৰ্বাদ।
- জ্ঞান সম্পর্কে কাণ্টে আগবঢ়োৱা মতা-মত।

৮.৩ অভিজ্ঞতাবাদ

অভিজ্ঞতাবাদ অনুসৰি অভিজ্ঞতাই হ'ল জ্ঞানৰ মূল উৎস। অভিজ্ঞতাবাদ বুদ্ধিবাদৰ সম্পূর্ণ এক বিপৰীত মতবাদ। বুদ্ধিবাদৰ বিৰোধিতা কৰি অভিজ্ঞতাবাদৰ সমর্থক দার্শনিকসকলে সাব্যস্ত কৰে যে ইন্দ্রিয় অভিজ্ঞতাৰ জৰিয়তেহে যথার্থ জ্ঞান লাভ কৰা সম্ভৱ। অভিজ্ঞতাবাদীসকলৰ মতে 'অভিজ্ঞাতাপূর্ব বুদ্ধিগত নীতি' সমূহ দৰাচলতে ইন্দ্রিয় অভিজ্ঞতাৰপৰাহে লাভ কৰা হয়। বুদ্ধিবাদৰ বিপৰীতে অভিজ্ঞতাবাদক 'অভিজ্ঞতালব্ধ জ্ঞানৰ মতবাদ' বুলি কোৱা হয় কাৰণ অভিজ্ঞাতাবাদৰ মতে জ্ঞান অভিজ্ঞতাৰ অনুৱর্তী বা অভিজ্ঞতাৰ ওপৰত নির্ভৰশীল।

৮.৩.১ বিভিন্ন দার্শনিকৰ মতামত

জন ল'ক (John Locke) (১৬৩২-১৭০৪)

জন ল'কে ডেকার্টৰ বুদ্ধিবাদৰ তীব্র বিৰোধিতা কৰে আৰু বিভিন্ন যুক্তিৰ সহায়ত ডেকার্টৰ অন্তর্জাত ধাৰণাৰ অস্তিত্ব খণ্ডন কৰাৰ চেষ্টা কৰে। ল'কৰ অন্তর্জাত ধাৰণা খণ্ডন কৰাৰ যুক্তিসমূহ তলত আলোচনা কৰা হ'লঃ

১) যদি প্রকৃততে অন্তর্জাত ধাৰণাৰ অস্তিত্ব থাকিলেহেতেন তেনেহ'লে সার্বজনীন ভাবে ই সকলো মানুহৰ মনত উপস্থিত থাকিলেহেতেন। কিন্তু এনে কোনো ধাৰণাৰ অৱস্থিতি দেখা নাযায় যিবোৰ ব্যতিক্রমহীনভাবে সকলোৰে মনত সমভাৱে উপস্থিত থাকে। উদাহৰণ স্বৰূপে ঃ শিশু, নির্বোধ, উন্মাদ আদি ব্যক্তিৰ মন অন্তর্জাত ধাৰণা হিচাপে স্বীকৃত কার্য্যকাৰণ সম্বন্ধ, অসীমতা, নিত্যতা আদি ধাৰণা সম্পর্কে সচেতন নহয়।

২) অন্তর্জাত ধাৰণাৰ যদি অস্তিত্ব থাকে তেনেহ'লে ইয়াৰ বিষয়ে সকলোৱে একমত হ'ব লাগিব। কিন্তু নৈতিক ধাৰণা, ঈশ্বৰ আদিক লৈ মানুহৰ মাজত মতভেদ দেখা যায়। সামাজিক অৱস্থা ভেদেও এই ধাৰণাবোৰৰ ব্যাখ্যা ভিন্ ভিন্ হোৱা দেখা যায়।

৩) কিছুমান ধাৰণা সার্বিকভাৱে সকলোৰে মনত উপস্থিত থাকিলেও তাক অন্তর্জাত ধাৰণা আখ্যা দিব নোৱাৰি। জুইৰ প্রতি সকলোৰে ধাৰণা একে যে— 'জুইয়ে পোৰে'। কিন্তু জুইৰ এই ধাৰণা কার্য্যতঃ অভিজ্ঞাতাৰ সহায়তহে অর্জন কৰা হয়। ই অন্তর্জাত ধাৰণা নহয় । ধাৰণাৰ সার্বিকতাই এইটো প্রমাণ নকৰে যে ই অন্তর্জাত।

ল'কে কয় যে জন্মৰ সময়ত মানুহৰ মনটো এখিলা উকা কাগজৰ (Tabula rasa) লেখীয়া। মনটো এক উকা ফলি য'ত অভিজ্ঞতাবোৰ প্রতিদিনে লিপিবদ্ধ হৈ থাকে। ল'কৰ মতে— "এনে কোনো ধাৰণা বুদ্ধিত নাই যাক আগেয়ে ইন্দ্রিয়ৰ মাধ্যমত জনা হোৱা নাই।" (There is nothing in the intellect which was not previously in the sense) মনে অভিজ্ঞতাৰ সহায়ত ধাৰণা আহৰণ কৰে। এই অভিজ্ঞতা দুই ধৰণৰ

ঃ ইন্দ্রিয় সংবেদন (sensation) আৰু চিন্তন (reflection)। ইন্দ্রিয় সংবেদনে আমাক বাহ্যিক জগত সম্পর্কে জ্ঞান দিয়ে আৰু চিন্তনে আমাৰ মানসিক অৱস্থা সম্পর্কে জ্ঞান দিয়ে; যেনে বিশ্বাস, চিন্তা, যুক্তি ইত্যাদি। আমি আমাৰ ধাৰণাসমূহ প্রথমতে ইন্দ্রিয় সংবেদনৰ পৰা পাওঁ।

ল'কে কয় যে,— ইন্দ্রিয় সংবেদন নোহোৱা কৈ মনে চিন্তা বা ধাৰণা কৰিব নোৱাৰে— ই সম্পূর্ণ নিষ্ক্রিয় হৈ থাকে। ধাৰণা গ্রহণৰ ক্ষেত্রত মন নিষ্ক্রিয়। কিন্তু ধাৰণাবোৰ সংযুক্ত আৰু তুলনা কৰাৰ ক্ষেত্রত মন সক্রিয়। প্রথমে মনে নিষ্ক্রিয়ভাবে ইন্দ্রিয় সংবেদনসমূহ সংগ্রহ কৰে আৰু তাৰ পিছত সক্রিয় হৈ চিন্তা কৰি নিষ্ক্রিয় মনে সংবেদনসমূহ পোৱাৰ পিছতহে সক্রিয় হয়। নিষ্ক্রিয়ভাবে মনে সংগ্রহ কৰা ধাৰণাবোৰক সৰল ধাৰণা বুলি কোৱা হয়। সৰল ধাৰণাসমূহ সম্বন্ধলৈ আনি জটিল ধাৰণা (Complex ideas) সৃষ্টি কৰাৰ সামর্থ্যও মনৰ আছে। ল'কৰ মতে চাৰি প্রকাৰৰ সৰল ধাৰণা আছে। প্রথমতে, যিবিলাক ধাৰণা এটা মাত্র ইন্দ্রিয়ৰ দ্বাৰা মনে সংগ্রহ কৰে। উদাহৰণস্বৰূপে বৰণ, স্বাদ, গোন্ধ, তাপ ইত্যাদি। দ্বিতীয় প্রকাৰৰ সৰল ধাৰণা হ'ল যিবিলাক ধাৰণা মনে এটাতকৈ বেছি ইন্দ্রিয়ৰদ্বাৰা সংগ্রহ কৰে। যেনে ঃ বস্তুৰ আয়তন, বিস্তৃতি, গতি ইত্যাদি, যাক দৃষ্টি আৰু স্পর্শ উভয় মাধ্যমেৰে পোৱা যায়। তৃতীয়তে, সৰল ধাৰণা যিবোৰ চিন্তনৰ সহায়ত পোৱা যায়। যেনেঃ প্রত্যক্ষ, স্মৃতি, অন্তর্দৃষ্টি, বিজনি, মিশ্রণ, নামাকৰণ আৰু অমূর্তকৰণ। চতুর্থতে, ইন্দ্রিয় সংবেদন আৰু চিন্তন উভয়ৰে পৰা সংযুক্ত ভাবে হোৱা ধাৰণা। উদাহৰণস্বৰূপে সুখ, দুখ, ক্ষমতা, স্থায়িত্ব, অস্তিত্ব ইত্যাদি।

ল'কে গুণসমূহক প্রধানকৈ দুটা ভাগত ভাগ কৰিছে— মুখ্য গুণ (Primary quality) আৰু গৌণ গুণ (Secondary quality) বস্তুৰ যিবোৰ গুণ ব্যক্তি প্রত্যক্ষৰ ওপৰত নির্ভৰ নকৰাকৈ স্বতন্ত্রভাবে বস্তুত বিৰাজ কৰে তাক মুখ্য গুণ বোলে। এই গুণ বিলাক বস্তুৰ পৰা পৃথক কৰিব নোৱাৰি। মুখ্যগুণসমূহ বস্তুনিষ্ঠ। মুখ্য গুণৰ উদাহৰণ বস্তুৰ আয়তন, বিস্তৃতি, ঘনত্ব, আকাৰ, আকৃতি, গতি ইত্যাদি। আনহাতে বস্তুৰ যিবোৰ গুণ স্বতন্ত্র নহয় অর্থাৎ ব্যক্তি প্রত্যক্ষৰ ওপৰত নির্ভৰ কৰে তাক গৌণ গুণ বোলে। গৌণ গুণ, মুখ্য গুণৰ ওপৰত নির্ভৰশীল। পৰিস্থিতি অনুসৰি গৌণ গুণসমূহ পৰিবর্তন সাপেক্ষ। এই গুণ ব্যক্তি নিষ্ঠ। গৌণ গুণৰ উদাহৰণ বর্ণ, স্বাদ, গোন্ধ ইত্যাদি।

ল'ক এজন অভিজ্ঞতাবাদী দার্শনিক। কিন্তু ল'কে দ্রব্য, মন বা আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব মানি লৈছে যদিও ই ইন্দ্রিয়ৰ দ্বাৰা সম্ভৱ নহয়। ল'কে কৈছে যে যদিও দ্রব্য প্রত্যক্ষ কৰিব নোৱাৰি তথাপি মূখ্য গুণৰ আধাৰ হিচাপে দ্রব্যৰ অস্তিত্ব মানি ল'ব লাগিব। ঠিক সেইদৰে চিন্তনৰ কাৰণে আত্মাৰ অস্তিত্বও ল'কে মানি লৈছে। আত্মাৰ অস্তিত্বৰ লগে লগে বাহ্য জগতৰ স্রষ্টা হিচাপে ল'কে ঈশ্বৰৰ অস্তিত্বও মানি লৈছে। যদিও ল'কে ইন্দ্রিয় অভিজ্ঞতা অবিহনে কোনো জ্ঞান সম্ভৱ নহয় বুলি কৈছে তথাপি তেওঁ অভিজ্ঞতাবাদৰ পৰিধি ভাঙি দ্রব্য, মন আৰু ঈশ্বৰৰ অস্তিত্ব মানি লৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং১ঃ অভিজ্ঞতাবাদক কিয় অভিজ্ঞতা প্রসূত জ্ঞানৰ মতবাদ বুলি কোৱা হৈছে?

প্রশ্ন নং২ঃ তলত দিয়াবোৰৰ শুদ্ধ/অশুদ্ধ নির্ণয় কৰক।

(ক) ল'কে কৈছে যে অন্তর্জাত ধাৰণাসমূহ ইশ্বৰে জন্মৰ সময়ত মানুহৰ মনত ৰোপন কৰিছে। (শুদ্ধ/অশুদ্ধ)

(খ) চিন্তন, ইন্দ্রিয় সংবেদন পূর্ব। (শুদ্ধ/অশুদ্ধ)

(গ) ল'ক এজন প্রকৃতার্থত অভিজ্ঞাতাবাদী দার্শনিক। (শুদ্ধ/অশুদ্ধ)

(ঘ) অভিজ্ঞতাতহে আমি মনৰ অস্তিত্ব বিচাৰি পাওঁ গতিকে ল'কৰ মতে আমি ইয়াৰ অস্তিত্বক বিশ্বাস কৰা উচিত। (শুদ্ধ/অশুদ্ধ)

ডেভিদ হিউম (১৭১১-১৭৭৬)

জন ল'কৰ হাতত প্রতিষ্ঠা আৰু প্রসাৰ লাভ কৰা অভিজ্ঞতাবাদৰ চৰম ৰূপ দেখা যায় তেওঁৰেই এগৰাকী অনুগামী ডেভিদ হিউমৰ অভিজ্ঞতাবাদৰ মাধ্যমত। হিউম এজন চৰম অভিজ্ঞাতাবাদী আছিল আৰু তেওঁ কেতিয়াও এনে কোনো বস্তু বা ধাৰণাক স্বীকাৰ কৰা নাই যাক অভিজ্ঞতাৰ দ্বাৰা ব্যাখ্যা কৰিব নোৱাৰি। তেওঁ মন বা আত্মা, দ্রব্য, ইশ্বৰ আদিৰ অস্তিত্বক অস্বীকাৰ কৰে কিয়নো এইসমূহক আমি কেতিয়াও ইন্দ্রিয় অভিজ্ঞতাত নাপাওঁ। হিউমৰ মতে সকলো জ্ঞান মুদ্রণ (Impression) আৰু ধাৰণা (idea) ৰ পৰা আহে। মানুহৰ মনলৈ অহা নানান বস্তুৰ কিছুমান ছবি খুব স্পষ্টভাবে প্রকাশিত হয়। হিউমে সেইবোৰক মুদ্রণ বুলি কৈছে। সেই ছবি যেতিয়া অস্পষ্টকৈ প্রকাশিত হয় তাৰ নাম হিউমে দিছে 'ধাৰণা'। হিউমৰ মতে জ্ঞান গঠিত হয় ইন্দ্রিয় প্রত্যক্ষৰ মুদ্রণ আৰু চিন্তন প্রত্যক্ষৰ মূদ্রণ উপাদান দুটাৰ জৰিয়তে।

মুদ্রণ আৰু ধাৰণা সূক্ষ্ম কিন্তু এটা আনটোৰ লগত সংলগ্ন নহয়। মুদ্রণ আৰু ধাৰণাসমূহ আপুনা-আপুনি আনুসংগিক নিয়মসমূহৰ দ্বাৰা এটা আনটোৰ লগত সংযুক্ত হয়। আনুসংগিক নিয়মসমূহ হ'ল যেনে সান্নিধ্য নীতি, সাদৃশ্য নীতি আৰু কার্য্যকাৰণ নীতি। সাদৃশ্য নীতিৰ জৰিয়তে বস্তু এটাৰ সংক্ষেপ আমি এটা প্রতিচ্ছবিৰ পৰা পাব পাৰো। সান্নিধ্য নিয়মৰ জৰিয়তে এটা চিঁয়াহীৰ বটলে যে কলমকে সূচাব পাৰে তাক বুজিব পাৰো। সান্নিধ্য নীতিৰ জৰিয়তে আমি চিক্-মিকনিয়ে বজ্রপাতকে সূচায় বুলি বুজিব পাৰো। আকৌ 'জুই' আৰু 'পোৰা' এই ধাৰণা দুটাৰ সমন্বয় আমি কার্য্যকাৰণ সম্বন্ধৰ দ্বাৰা পাওঁ। এইদৰে অসংলগ্ন মুদ্রণসমূহে এটা আনটোৰ লগত আনুসংগিক নিয়মৰ দ্বাৰা সংযুক্ত হয়। এইদৰে কিছুমান আনুসংগিক নিয়মৰ দ্বাৰা মুদ্রণ আৰু ধাৰণাৰ সমন্বয় হয় আৰু তাৰ ফলত জ্ঞানৰ উৎপত্তি হয়। আমাৰ জ্ঞান কোনো যুক্তি বা বুদ্ধিৰ দ্বাৰা উৎপত্তি নহয়। নীতিসমূহ স্বৰূপার্থত ব্যক্তিনিষ্ঠ। সেয়েহে মুদ্রণত সংযোজিত

নীতিসমূহো ব্যক্তিনিষ্ঠ।

হিউমে দ্রব্য, মন বা আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰে কাৰণ এই সমূহক আমি প্রত্যক্ষৰ মাধ্যমেৰে কেতিয়াও বুজি পাবলৈ সক্ষম নহও। হিউমে এইদৰে অদৃশ্য সত্বাৰ অস্তিত্বও অস্বীকাৰ কৰে। হিউমৰ মতে ইন্দ্রিয় সংবেদন অবিহনে আমি বাহ্যসত্বাক জনা সম্ভৱ নহয়। হিউমৰ অভিজ্ঞতাবাদ অনুসৰি কোনো জ্ঞানেই সুনিশ্চিত নহয়। হিউমৰ মতে বিশেষ আৰু আকস্মিক ঘটনা সমূহৰ সত্যতাৰহে প্রমাণ আছে কাৰণ এই বিলাকক আমি অভিজ্ঞতাত পাওঁ। তেওঁৰ মতে যথার্থ জ্ঞান লাভ কৰিবলৈ আমি ইন্দ্রিয় সংবেদনৰ উর্দ্ধত যাব নোৱাৰোঁ। এইদৰে হিউমে সন্দেহবাদ আৰু ইন্দ্রিয় সংবেদনবাদৰ পোষকতা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৩ঃ হিউমে কিয় দ্রব্য, মন আৰু ইশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰে?

.....

প্রশ্ন নং৪ঃ শুদ্ধ/অশুদ্ধ নির্ণয় কৰক।

(ক) অভিজ্ঞতাই আমাক অনিবার্য্য সত্যতা দিব পাৰেনে? (শুদ্ধ/অশুদ্ধ)



চিন্তা-চর্চা কৰক - ৮.১

সন্দেহবাদ কি? আলোচনা কৰক।

.....

.....

.....

৮.৪ বিচাৰবাদ

বিচাৰবাদ হ'ল বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদৰ সমন্বয়। বুদ্ধিবাদ বা অভিজ্ঞতাবাদ কোনোটোৱেই সন্তোষজনক মতবাদ নহয়। বুদ্ধিবাদে অভিজ্ঞতাক অস্বীকাৰ কৰি, যুক্তি বা বুদ্ধিকেই জ্ঞানৰ একমাত্র উৎস বুলি গ্রহণ কৰি একপক্ষীয় হৈ পৰিছে। সেইদৰে বুদ্ধি বা যুক্তিক অৱজ্ঞা কৰি অভিজ্ঞতাবাদো একপক্ষীয় হৈ পৰিছে কাৰণ অভিজ্ঞতাবাদৰ মতে অভিজ্ঞতাহে একমাত্র জ্ঞানৰ উৎস, যুক্তি বা বুদ্ধি নহয়। জ্ঞানৰ সার্বিকতা আৰু অনিবার্য্যতাক গুৰুত্ব দিয়াটো বুদ্ধিৰ এক শুদ্ধ পদক্ষেপ যদিও অন্তর্জাত ধাৰণাক গ্রহণ কৰি বুদ্ধিবাদে ভুল কৰিছে। যদি অন্তর্জাত ধাৰণাক স্বীকাৰ কৰা যায় তেন্তে জ্ঞানৰ ৰাজ্যত কোনো নতুনত্বৰ সম্ভাৱনা নাথাকিব। সেয়েহে অভিজ্ঞতাবাদে অভিজ্ঞতাৰ পৰা জ্ঞান লাভ কৰা হয় বুলি গ্রহণ কৰাটো শুদ্ধ যদিও কেৱল ইন্দ্রিয় অভিজ্ঞতাৰ

ওপৰত নির্ভৰ কৰিলে সর্বজন স্বীকৃত যথার্থ জ্ঞান পোৱা সম্ভৱ নহয়। যথার্থ জ্ঞানৰ দুটা উপাদান থাকিব লাগেঃ— সার্বিকতা আৰু নতুনত্ব। ইমানুৱেল কান্টে বিচাৰবাদত বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদৰ সমন্বয় সাধন কৰি এটা সন্তোষজনক ব্যাখ্যা আগবঢ়ায় যে, সার্বিকতা আৰু নতুনত্ব এই দুটাই হ'ল যথার্থ জ্ঞানৰ বৈশিষ্ট্য।

৮.৪.১ বিভিন্ন দার্শনিকৰ মতবাদ

ইমানুৱেল কান্ট (১৭২৪-১৮০৪) ঃ—

ইমানুৱেল কান্টৰ মতে ইন্দ্রিয় সংবেদন অবিহনে কোনো জ্ঞান সম্ভৱ নহয়। যিহেতু ইন্দ্রিয় সংবেদনে আমাক সার্বিকতা দিব নোৱাৰে সেয়েহে জ্ঞান সম্পূর্ণ ভাবে অভিজ্ঞতাৰ পৰা পাব নোৱাৰি। অভিজ্ঞাতাই দিব নোৱাৰা জ্ঞান হ'ল অভিজ্ঞতাপূর্ব (apriori) জ্ঞান।

ইন্দ্রিয় সংবেদন বস্তুৰ সত্ত্বাৰ (things-in-themselves or nou mena) পৰা পোৱা যায়। ইন্দ্রিয় সংবেদন জ্ঞানৰ বিষয়বস্তু। এই ইন্দ্রিয় সংবেদনবোৰ এটা আনটোৰ পৰা পৃথক আৰু মনৰ দ্বাৰা এই ইন্দ্রিয় সংবেদনসমূহৰ সমন্বয় নোহোৱাকৈ কোনো জ্ঞান সম্ভৱ নহয়। জ্ঞানৰ গঠন আমি মনৰ পৰা পাওঁ। কান্টৰ মতে দুটা দিশ আছে ঃ আকাৰ (Form) আৰু উপাদান (matter)। জ্ঞানৰ বাবে উভয়ে অপৰিহার্য্য। কান্টৰ মতে "প্রত্যক্ষবিহীন ধাৰণা শূন্য আৰু ধাৰণাবিহীন প্রত্যক্ষ অন্ধ।"

কান্টে জ্ঞানৰ বৃত্তিক তিনিটা ভাগত ভাগ কৰিছে ঃ- ইন্দ্রিয় সংবেদনগত বৃত্তি (faculty of Sensibility), বোধ বৃত্তি (faculty of Understanding) আৰু যৌক্তিক বৃত্তি (faculty of Reasoning)।

ইন্দ্রিয় সংবেদনগত বৃত্তি ঃ আমি যেতিয়া বস্তু এটা প্রত্যক্ষ কৰোঁ তেতিয়া আমি বস্তুটো দেশ আৰু কালত (time and space) প্রত্যক্ষ কৰোঁ। দেশ আৰু কালত প্রত্যক্ষৰ এনে ৰূপ যিয়ে অসংযোগী সংবেদনসমূহত সংবেদন শক্তি ব্যৱহাৰ কৰে আৰু সেইবোৰক বোধগম্য বিষয়বস্তুবোৰলৈ ৰূপান্তৰিত কৰে। দেশ আৰু কাল বস্তুৰ সত্তাৰ অন্তর্ভুক্ত নহয়। দেশ আৰু কাল প্রত্যক্ষৰ আকাৰ। দেশ আৰু কাল বস্তু এটা প্রত্যক্ষ কৰাৰ অভিজ্ঞতা পূর্ব উপায়।

বোধ বৃত্তি ঃ বোধৰ প্রবর্গ (categories of understanding) সমূহ হ'ল অভিজ্ঞতাৰ সার্বিক অনিবার্য্য বৈশিষ্ট্য, যি সমূহ সকলো মানসিক অভিজ্ঞতাতে পোৱা যায়। সংবেদনে নিষ্ক্রিয়ভাবে যি অনুভূতিবোৰ দেশ আৰু কালত ধাৰণ কৰে সেই অনুভূতিৰ ওপৰত বুদ্ধিয়ে সক্রিয় ভাবে বোধৰ প্রকাৰ যেনে ঃ দ্রব্য, কাৰণতা, বহুত্ব ইত্যাদি প্রয়োগ

কৰে। কেৱল মাত্ৰ ইন্দ্ৰিয় অনুভূতিয়ে জ্ঞান দিব নোৱাৰে। ইন্দ্ৰিয় অনুভূতিৰ লগত বোধৰ প্ৰকাৰ সংযুক্ত হ'লেই জ্ঞান হয়।

যৌক্তিক বৃত্তি ঃ বুদ্ধি বা যুক্তিৰ দ্বাৰাই মনে অন্তর্জাত আকাৰ আৰু প্ৰবৰ্গবোৰ প্ৰয়োগ কৰে আৰু য'ত কোনো ইন্দ্ৰিয়জাত অভিজ্ঞতা নাই। সংবেদনশীলতাৰ দ্বাৰা সংবেদনসমূহ দেশ আৰু কালত শৃংখলাবদ্ধ হৈ বোধৰ প্ৰবৰ্গৰ অধীনত একগোট হয় আৰু এইবোৰৰ মাজত সমন্বয় বুদ্ধিৰ দ্বাৰাই অনা হয়। বুদ্ধিয়ে ইয়াৰ জগত, আত্মা আৰু ঈশ্বৰৰ ধাৰণা অনুসৰি সংবেদনশীলতা আৰু বোধক সমপদস্থ কৰে। বুদ্ধিৰ এই তিনিটা ধাৰণাক নিয়ন্ত্ৰক ধাৰণা বুলি কোৱা হয়। বুদ্ধিয়ে এই ধাৰণা সমূহৰ দ্বাৰাই অভিজ্ঞতাৰ বিষয়বোৰ শৃংখলাবদ্ধ কৰে। অভিজ্ঞতাৰ পৰা পোৱা স্বতন্ত্ৰ সংবেদনসমূহ মনৰ সংশ্লেষাত্মক কার্য্যৰ দ্বাৰা এক গোটত হ্ৰাস কৰা হয়।

কান্টৰ মতে ইন্দ্ৰিয় সংবেদনে জ্ঞানৰ বিষয়বস্তুৰ যোগান ধৰে আনহাতে মনে বোধৰ প্ৰবৰ্গ, যুক্তিৰ ধাৰণা আদিৰ যোগান ধৰে। এনেদৰে আমাৰ জ্ঞান অস্বাভাৱিক জগততে সীমাৱদ্ধ হৈ থাকে। আনখন অতীন্দ্ৰিয় সত্তাৰ জগত আমাৰ অজ্ঞাত আৰু অজ্ঞেয়। মানৱ মনে বস্তুৰ সত্ত্বা জনাটো সম্ভৱ নহয়।

কান্টৰ পূৰ্বৰ প্ৰায় সকলোবোৰ দার্শনিকৰ মতে বাহ্য জগতৰ বৈশিষ্ট্যৰ অনুৰূপ হ'ল প্ৰত্যক্ষ। আনহাতে কান্টৰ মতে বস্তু এটা জ্ঞাত হ'বলৈ হ'লে ই পোনতে সংগতিপূৰ্ণ ৰূপত আমাৰ মনতহে থাকিব লাগিব। কান্টৰ মতে জ্ঞানৰ ক্ষেত্ৰত স্বতন্ত্ৰ প্ৰকৃতিৰ লগত মনৰ সামঞ্জস্য থকাৰ পৰিবৰ্তে প্ৰকৃতিয়েহে মনৰ লগত সামঞ্জস্য বা মিল স্থাপন কৰে। ইয়াকে দর্শনত 'কপাৰনিকাছীয় বিপ্লৱ' বুলি জনা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ তলত দিয়াবোৰ শুদ্ধ/অশুদ্ধ নির্ণয় কৰক।

(ক) জ্ঞানৰ আকাৰ অভিজ্ঞতা পূৰ্ব। (শুদ্ধ/অশুদ্ধ)

(খ) মনে কেৱল দৃশ্যমান বস্তুহে জানিব পাৰে। (শুদ্ধ/অশুদ্ধ)

(গ) কান্টৰ মতে কিয় আমি বস্তুৰ সত্বাক জানিব নোৱাৰোঁ? (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৬ঃ কান্টৰ মতে 'Noumena' আমি কিয় জানিব নোৱাৰো? (৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ৭ঃ কাণ্টৰ মতে 'জনাৰ' (Knowing) গুণসমূহ কি কি?



চিন্ত-চর্চা কৰক - ৮.৩

কান্টৰ দর্শনক কিয় বিচাৰবাদ আখ্যা দিয়া হয়?

.....

.....

.....



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টিৰ পৰা আমি জানিব পাৰিলোঁ যে——

- অভিজ্ঞতাবাদ অনুসৰি ইন্দ্রিয় অভিজ্ঞতাই জ্ঞান লাভৰ একমাত্র উৎস। অভিজ্ঞতাবাদৰ জনক হ'ল জন ল'ক।
- ল'কৰ উপৰিও এই মতবাদৰ প্রধান পৃষ্ঠপোষক হ'ল ডেভিদ হিউম আৰু জর্জ বার্কলে।
- বিচাৰবাদৰ পৃষ্ঠপোষক হ'ল ইমানুৱেল কান্ট। কান্টৰ মতে বুদ্ধি আৰু অভিজ্ঞতাৰ সংযোজনৰ ফলতে জ্ঞানৰ উৎপত্তি হয়।
- স্বজ্ঞাবাদ বা অন্তর্জ্ঞান বাদ অনুসৰি স্বজ্ঞা বা অন্তর্জ্ঞানেই জ্ঞান লাভৰ উৎস। হেন্ৰি বার্গছঁ (Henry Bergson) হ'ল স্বজ্ঞাবাদৰ প্রধান পুৰোধা।
- কান্টৰ মতে "প্রত্যক্ষবিহীন ধাৰণা শূন্য আৰু ধাৰণাবিহীন প্রত্যক্ষ অন্ধ।"
- কান্টে জ্ঞানৰ বৃত্তিক তিনিটা ভাগত ভাগ কৰিছে ঃ- ইন্দ্রিয় সংবেদনগত বৃত্তি (faculty of Sensibility), বোধ বৃত্তি (faculty of Understanding) আৰু যৌক্তিক বৃত্তি (faculty of Reasoning)।
- দেশ আৰু কাল বস্তুৰ সত্তাৰ অন্তর্ভুক্ত নহয়। দেশ আৰু কাল প্রত্যক্ষৰ আকাৰ। দেশ আৰু কাল বস্তু এটা প্রত্যক্ষ কৰাৰ অভিজ্ঞতা পূর্ব উপায়।
- আনহাতে কান্টৰ মতে বস্তু এটা জ্ঞাত হ'বলৈ হ'লে ই পোনতে সংগতিপূর্ণ ৰূপত আমাৰ মনতহে থাকিব লাগিব। কান্টৰ মতে জ্ঞানৰ ক্ষেত্রত স্বতন্ত্র প্রকৃতিৰ লগত মনৰ সামঞ্জস্য থকাৰ পৰিবর্তে প্রকৃতিয়েহে মনৰ লগত সামঞ্জস্য বা মিল স্থাপন কৰে। ইয়াকে দর্শনত 'কপাৰনিকাছীয় বিপ্লৱ' বুলি জনা যায়।
- অভিজ্ঞতাবাদক অভিজ্ঞতাপূর্বক জ্ঞান বুলি কোৱা হয়। এই মতবাদ অনুসৰি জ্ঞান স্বতন্ত্র নহয় অর্থাৎ জ্ঞান অভিজ্ঞতাৰ দ্বাৰা লাভ কৰা যায় বাবে ই অভিজ্ঞতাৰ ওপৰত নির্ভৰশীল। অভিজ্ঞতাৰ বিপৰীতে বুদ্ধিবাদক জ্ঞানৰ প্রত্যক্ষপূর্ণ তত্ব বুলি কোৱা হয়।

৮.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থঃ

(১) দর্শনৰ পৰিচয় (পাশ্চাত্য দর্শন) ঃ ড° জোৎস্না ভট্টাচার্য্য

(২) পাশ্চাত্য দর্শন ঃ অঞ্জলী দেৱী

(৩) ইমানুৱেল কান্ট ঃ তেওঁৰ জীৱন আৰু দর্শন ঃ কালীচৰণ দাস

ইংৰাজী গ্রন্থঃ

(১) A History of Philosophy ঃ Frank Thrilly

৮.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অভিজ্ঞতাবাদক অভিজ্ঞতাপূর্বক জ্ঞান বুলি কোৱা হয়। এই মতবাদ অনুসৰি জ্ঞান স্বতন্ত্র নহয় অর্থাৎ জ্ঞান অভিজ্ঞতাৰ দ্বাৰা লাভ কৰা যায় বাবে ই অভিজ্ঞতাৰ ওপৰত নির্ভৰশীল। অভিজ্ঞতাৰ বিপৰীতে বুদ্ধিবাদক জ্ঞানৰ প্রত্যক্ষপূর্ণ তত্ব বুলি কোৱা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ (গ) অশুদ্ধ
(ঘ) অশুদ্ধ

৩ নং প্রশ্নৰ উত্তৰ ঃ কাৰণ অভিজ্ঞতা বাদৰ মতে অভিজ্ঞতাই জ্ঞানৰ মূল উৎস

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (গ) শুদ্ধ
(গ) কাৰণ জ্ঞানৰ বৃত্তিসমূহ বস্তুৰ সত্তাত প্রয়োগ কৰিব নোৱাৰি।

৬ নং প্রশ্নৰ উত্তৰ ঃ কান্টে মত দিয়ে যে সংবেদনবোৰ জ্ঞানৰ বিষয়বস্তু। জ্ঞান সাধাৰণতে অৱভাস বা সত্তাৰ দিশতে সীমাবদ্ধ হৈ থাকে। আনহাতে অতীন্দ্রিয় সত্তাৰ জগত খন অজ্ঞাত আৰু অজ্ঞেয়। মানৱৰ মতে সত্তা বা অতীন্দ্রিয় সত্তা জনাটো সম্ভৱ নহয় বাবে ই অজ্ঞাত আৰু অজ্ঞেয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ ইন্দ্রিয় সংবেদনগত বৃত্তি, বোধ বৃত্তি আৰু যৌক্তিক বৃত্তি

৮.৮ আৰ্হিপ্রশ্ন

(ক) বস্তু ধর্মী প্রশ্ন

প্রশ্ন ১ঃ অভিজ্ঞতাবাদ কি?

প্রশ্ন ২ঃ অভিজ্ঞতাবাদৰ সমর্থনকাৰীসকল কোন কোন?

প্রশ্ন ৩ঃ ল'কৰ মতে অভিজ্ঞতাৰ প্রকাৰ কি কি?

প্রশ্ন ৪ঃ ল'কৰ মতে সৰল ধাৰণা চাৰি প্রকাৰৰ, প্রকাৰসমূহ কি কি?

প্রশ্ন ৫ঃ কোন জন দার্শনিকৰ মতে, 'প্রত্যক্ষহীন ধাৰণা শুন্য আৰু ধাৰণাবিহীন প্রত্যক্ষ অন্ধ'।

প্রশ্ন ৬ঃ কান্টে জ্ঞানৰ বৃত্তিক ভাগ কৰা ভাগসমূহ কি কি?

(খ) চমু প্রশ্ন (১৫০-৩০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ অভিজ্ঞতাবাদ সম্পর্কে চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ২ঃ অভিজ্ঞতাবাদৰ সমর্থনকাৰীসকল কোন কোন? অভিজ্ঞতাবাদ সম্পর্কে চমু ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৩ঃ জ্যামিত্যিক পদ্ধতিটো উদ্ভাৱনকাৰী জনৰ নাম কি? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৪ ঃ লকে, ডেকার্টৰ যুক্তিবাদ খণ্ডন কৰা ভিত্তি সমূহ কি কি? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৫ ঃ মুখ্য আৰু গৌণ গুণ সমূহৰ মাজত পার্থক্য নির্ণয় কৰক।

(গ) চমু টোকা লিখক (১৫০-৩০০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

(ক) ল'কৰ অন্তর্জাত ধাৰণাৰ খণ্ডন

(খ) মুখ্য আৰু গৌণ গুণ

(ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ জ্ঞানৰ মতবাদ হিচাপে অভিজ্ঞতাবাদৰ আলোচনা কৰক।

প্রশ্ন ২ঃ অভিজ্ঞতাবাদ আৰু যুক্তিবাদৰ দোষ সমূহ কি কি? আলোচনা কৰক।

প্রশ্ন ৩ঃ ল'কে কেনেকৈ অন্তর্জাত ধাৰণাৰ তত্বটো খণ্ডন কৰে? আলোচনা আগবঢ়াওক।

*** ***** ***